ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ২৮/০৭/২০২৬ মঙলবাৰ

**আজি ইংৰাজী ২৮-০৭-২০২৬ তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব্ব নিৰ্ধাৰিত সময়সূচী অনুসৰি ৰাতিপুৱা ০৯:৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ** : প্ৰশ্ন নং-২৪১। মাননীয় সদস্য ডাঃ মিলন দাস, তেখেত নাই। প্ৰশ্ন নং-২৪২। মাননীয়া সদস্যা বেবী বেগম ডাঙৰীয়ানী।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী (সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীমতী বেবী বেগম, (ধুবুৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি পাইছো । ইয়াত উত্তৰত দিয়া হৈছে যে ধুবুৰী জিলাৰ ভিতৰত ২১৩৫ টা অংগনৱাড়ী কেন্দ্ৰ আছে, ইয়াৰে ২২১টা অংগনৱাড়ী কেন্দ্ৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ হিচাপে অনুমোদন কৰা হৈছে। কিন্তু মোৰ প্ৰশ্নটো হৈছে যে ২১৩৫ টা অংগনৱাড়ী কেন্দ্ৰৰ মাজত যিহেতু ২২১ টা অংগনৱাড়ী কেন্দ্ৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ হিচাপে উন্নীত কৰা হৈছে , এই ক্ষেত্ৰত যিখিনি জেনেৰেল অংগনৱাড়ী কেন্দ্ৰ সেইখিনিৰ তালিকা ইয়াত দিয়া নাই। সেই ক্ষেত্ৰত বিভাগৰ সক্ৰিয়তা প্ৰতিফলিত নহ'ল। চলিত বৰ্ষত ধুবুৰী বিধান সভা সমষ্টিত কমেও আধা জেনেৰেল অংগনৱাড়ী কেন্দ্ৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ হিচাপে উন্নীত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব নেকি ? ধুবুৰী বিধান সভা বহু সংখ্যক অংগনৱাড়ী কেন্দ্ৰ জৰ্জৰিত গৃহত চলি আছে। উক্ত কেন্দ্ৰসমূহত অগ্ৰাধিকাৰ ভিত্তিত গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব নে ? যিবোৰ ঠাইত বহু সংখ্যক শিশু মাতৃ থকাৰ পিছতো অংগনৱাড়ী কেন্দ্ৰ নাই, সেইবোৰ ঠাইত নতুনকৈ অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰা হ'ব নে ?

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, এই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ আঁৰৰ মূল মানুহজন হৈছে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু ইয়াৰ implementation ৰ মূল মানুহজন হৈছে, সন্মানীয় অজন্তা নেওঁগ ডাঙৰীয়ানী। মোৰ মনত আছে যেতিয়া ২০০২-০৩ চনত অংগনৱাড়ী কেন্দ্ৰ সমূহ স্থাপন কৰা হৈছিল তেতিয়া এটা অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণৰ খৰচ আছিল ১.৫ লাখ টকা। আমি ২০২১ বৰ্ষৰ পৰা ২৫ লাখ টকা খৰচ কৰি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছো। আমি যদি চাওঁ ২৫ বছৰত ১.৫ লাখৰ পৰা ২৫ লাখ টকা খৰচ হ'ব নালাগিছিল। আমাৰ inflation, growth rate আদি চালে ১.৫ লাখৰ পৰা খুব বেছি ১০ লাখ হ'ব লাগিছিল। কিন্তু ২৫ লাখ হ'ব নোৱাৰে। তাৰ মানে সেইখিনি সময়ৰ চৰকাৰে যিটো কেন্দ্ৰ ১.৫ লাখত নিৰ্মাণ কৰিছিল আমি ১০ লাখ টকাৰে নিৰ্মাণ কৰিব লাগিছিল। আমি ২৫ লাখ টকাৰে অতি সুন্দৰ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছো। যোৱা ৫ বছৰত আমি সম্পূৰ্ণ আৰু নিৰ্মীয়মান প্ৰায় ৯.৫০০ টা অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছো আৰু মোৰ দৃঢ় বিশ্বাস আছে যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত মাননীয়া অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে এই ৫ বছৰটো অতি কমেও ১০ হাজাৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিব আৰু ইয়াৰ লগতে নিশ্চিতভাৱে ধুবুৰীতো অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব। ধন্যবাদ।

**শ্ৰীমতী বেবী বেগম, (ধুবুৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মোৰ পৰিপূৰক প্ৰশ্নটো হৈছে যিটো সময়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে দুৰ্নীতিমুক্ত অসম গঢ়িব লাগে। সেইটো সময়ত আমাৰ ধুবুৰী জিলাতে জ্বলন্ত প্ৰমাণ আছে যে অংগনৱাড়ী কেন্দ্ৰৰ ক্ষেত্ৰত District Social Welfare Officer জন দুৰ্নীতিৰ কাৰণে গ্ৰেপ্তাৰ হৈছে। ধুবুৰী বিধান সভা সমষ্টিৰ গৌৰীপুৰ ICDS ত মই জনামতে এতিয়াও ৫২ টা কৰ্ম্মী আৰু ১২১ টা সহায়িকাৰ পদ খালী হৈ আছে। এই ২ বছৰৰ আগতে অংগনৱাড়ী কৰ্ম্মী-সহায়িকা পদৰ নতুন নিযুক্তিৰ বাবে আবেদন গ্ৰহণ কৰি সেইবোৰ পদৰ বিপৰীতে সাক্ষ্যাৎকাৰ ও গ্ৰহণ কৰা হৈছিল । উক্ত

পদসমূহৰ বিপৰীতে নিযুক্তি নিদিয়াৰ কাৰণ কি আৰু কিমান দিনৰ ভিতৰত উক্ত পদসমূহ নিযুক্তি দিয়া হ'ব ?

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে আচলতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক indirectly ধন্যবাদেই জনাইছে। তেখেতসকলে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ কথা কৈছে। তেখেতে কৈছে যে দুৰ্নীতি চলি আছে আৰু District Social Welfare Officer জন দুৰ্নীতিৰ কাৰণে গ্ৰেপ্তাৰ হৈছে বুলি কৈছে। তাৰ মানে আমাৰ চৰকাৰে দুৰ্নীতি নাইকিয়া কৰিবৰ বাবে District Social Welfare Officer জনক দুৰ্নীতিৰ কাৰণে গ্ৰেপ্তাৰ কৰিছে। আমি দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লৈছো আৰু ব্যৱস্থা লৈ থাকিম। আমি নিযুক্তিৰ ক্ষেত্ৰত গোটেই কথাখিনি চালি-জাৰি চাই অতি সোনকালে ইয়াৰ ওপৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ :** এতিয়া মাননীয় সদস্য শ্ৰী ৰূপম চন্দ্ৰ ৰয়।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, (বাওখুংগ্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু অংগনৱাড়ী কেন্দ্ৰৰ কথা আহিছে, এইক্ষেত্ৰত মই ক'ব বিচাৰিছো যে আমাৰ শিশু কল্যাণ আৰু মহিলাৰ ক্ষেত্ৰত বা সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত অংগনৱাড়ী কৰ্মীসকলে কি ধৰণৰ ভূমিকা পালন কৰি আছে, সেই কথাটো আমি কোনেও নজনাকৈ থকা নাই।মহিলাসকলৰ সুৰক্ষা, শিশুসকলৰ জন্মৰ পৰা আৰম্ভ কৰি প্ৰাকপ্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত অংগনৱাড়ী কৰ্ম্মীসকলে কিদৰে কাম কৰি আছে সেই বিষয়ে আমি সকলোৱে জানো। অংগনৱাড়ী কৰ্ম্মীসকলে আগতে ৬ হাজাৰ টকা মজুৰি পাই আছিল আৰু এতিয়া আমাৰ চৰকাৰখনে ৮ হাজাৰ টকা মজুৰি দিয়াৰ ব্যৱস্থা কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা কথা জানিব বিচাৰিছো যে আজিৰ দিনত ৮ হাজাৰ টকা বা সহায়িকা বাইদেউ সকলে পাই থকা ৫ হাজাৰ টকাত এখন সংসাৰ চলা সম্ভৱ হয় নেকি ?

সেয়েহে এই মজুৰিটো বঢ়োৱাৰ বাবে আমাৰ চৰকাৰখনে যাতে আগন্তুক দিনত বিবেচনা কৰে তাৰ বাবে মই অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** এতিয়া মাননীয় সদস্য আব্দুছ ছোবাহান আলী সৰকাৰ।

**শ্ৰী আব্দুছ ছোবাহান আলী সৰকাৰ, (গৌৰীপুৰ) :** মাননীয় অধ্যক্ষ মোৰ পৰিপূৰক প্ৰশ্নটো আছিল যে যোৱা চৰকাৰৰ দিনত আগমণি ICDS Project ৰ অধীনত ৮২ টা সহায়িকাৰ পদ আছিল। বাঁচনি পৰীক্ষা হৈ গ'ল আৰু চৰকাৰৰো পৰিৱৰ্তন হ'ল । কিন্তু এতিয়ালৈকে ইয়াৰ নিযুক্তি প্ৰক্ৰিয়া হোৱা নাই । মোৰ প্ৰশ্নটো মাননীয়া সদস্যা বেবী বেগম বাইদেউৰ দ্বিতীয় পৰিপূৰক প্ৰশ্নৰ লগত relate হৈ আছে। মই জানিব বিচাৰিছো যে বিভাগে কিমান দিনৰ ভিতৰত বাঁচনি হোৱা প্ৰাৰ্থীসকলক নিযুক্তি দিব ?

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকল যেতিয়া অৱসৰত যায়, তেওঁলোকক অৰ্থনৈতিকভাৱে সহায় কৰাৰ ব্যৱস্থা লৈছে । আগতে এইটো হোৱা নাছিল। আমাৰ দিনতেই আমি তেওঁলোকৰ দৰমহা বৃদ্ধি কৰিছো আৰু পৰৱৰ্তী সময়ত নিশ্চয়কৈ সময়ে সময়ে বঢ়াই থকাৰ ব্যৱস্থা লোৱা হ'ব । মাননীয় সদস্য আব্দুছ ছোৱাহান আলী সৰকাৰ ডাঙৰীয়াই ক'লে যে চৰকাৰ পৰিৱৰ্তন হৈছে। কিন্তু চৰকাৰ পৰিৱৰ্তন হোৱা নাই। মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰী হৈ আছে আৰু অজন্তা নেওঁগ ডাঙৰীয়ানীয়েই মহিলা আৰু শিশু উন্নয়নৰ মন্ত্ৰী হৈ আছে । গতিকে চৰকাৰ পৰিৱৰ্তন হোৱা নাই। চৰকাৰ আমাৰেই আছে । অলপ আগতে মই মাননীয় সদস্যা বেবী বেগম ডাঙৰীয়ানীৰ উত্তৰতো কৈছো যে আমি অতি সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** এতিয়া প্ৰশ্ন নং২৪৩ । মাননীয় সদস্য ওয়াজেদ আলী চৌধুৰী।

**শ্ৰী কৃষ্ণেন্দু পাল, ( মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে৷

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, ( বিৰোধী দলৰ দলপতি):** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মই পাইছোঁ। কিন্তু এটা কথা মোৰ সমষ্টিৰ এটা Development Block, বিৰসিং জৰুৱা, এই ব্ল'কৰ অধীনত বিভিন্ন পঞ্চায়তত এই আঁচনি প্ৰস্তুত কৰা হৈছিল আৰু কামো আধৰুৱা হৈ আছে। কোনো আঁচনিয়ে এতিয়ালৈকে পানী দিব পৰা নাই ৰাইজক। গতিকে কেতিয়াৰ পৰা ৰাইজে খোৱাপানী পাব বা উপলব্ধ হ'ব, এই সংক্ৰান্তত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ। মই সুধিছিলোঁ যে যোগান ধৰা পানীৰ গুণগত মান বিশেষকৈ আৰ্চেনিক, ফ্ল’ৰাইড আৰু আয়ৰনৰ পৰিমাণ নিয়মীয়াকৈ পৰীক্ষা কৰা হয়নে? কিন্তু ইয়াত দেখাইছে যে বৰ্তমানৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসমৰ অধীনত ৯১ টা উপ-সংমণ্ডলৰ ভিতৰত ৪৪ টা উপ সংমণ্ডলতহে কাৰ্যক্ষম পৰীক্ষাগাৰ আছে। গতিকে বাকীখিনি কৰাৰ ব্যৱস্থা কৰা হ'ব নেকি? নহলে এই ৯১ টাৰ ভিতৰত ৪৪ টা আছে, বাকী সংমণ্ডলত এই পৰীক্ষাগাৰৰ ব্যৱস্থা কৰা হ'ব নেকি?

**মাননীয় অধ্যক্ষঃ** Minister reply, please.

**শ্ৰী কৃষ্ণেন্দু পাল, ( মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়া মহোদয়ে খুব গুৰুত্বপূৰ্ণ এটা কথা উপস্থাপন কৰিছে। বিশেষকৈ বিৰসিং জৰুৱা বা এই সমষ্টিত আমাৰ যিটো তথ্য মতে Total 194 জল জীৱন মিছনৰ কাম আৰম্ভ হৈছিলে আৰু Hand over হৈছে 96 আৰু Functional, ৰাইজে পানী পাই আছে 77 আৰু Non-functional 19 টা আছে। On-going scheme 98 । এই যে On-going scheme 98, এইটো Standstill যেতিয়া আছিল আৰু Standstill withdraw হোৱাৰ পিছত জল জীৱন মিছন ২, । এতিয়া কাম আৰম্ভ হৈছে Phase manner এ, যাৰ যিটো কাম যাত মানে স্থিতাৱস্থাত আছিল, আজিৰ দিনত আকৌ কাম আৰম্ভ হৈছে, তেওঁলোকে খুব সোনকালে যাতে কামটো

সম্পন্ন কৰে তাৰ কাৰণে নির্দেশ দিয়া হৈছে। আৰু বিশেষকৈ New scheme আমাৰ যিমান আছে বা আমাৰ জল জীৱন মিছন ২ ত যিটো Isolated area, এই এৰিয়াত যাতে আমি জল জীৱন মিছন ২ ৰ জৰিয়তে খোৱাপানী যোগান দিব পাৰোঁ, তাৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। বিশেষকৈ আপুনি যিটো গুৰুত্বপূর্ণ কথা উপস্থাপন কৰিছে যে আমাৰ ইয়াত Laboratory ৰ কথা, District Headquarter. প্ৰত্যেকটো Division ৰ Laboratory আছে। আৰু বিশেষকৈ পানী পৰীক্ষা কৰাৰ কাৰণে আমাৰ যিটো Standard method অনুসৰি আৰ্চেনিক, ফ্লৰাইড আৰু আয়ৰন আদিকে ধৰি ১৬টা ৰাসায়নিক মান নিয়মীয়াকৈ পৰীক্ষা কৰে। এই ১৬টা ৰাসায়নিক মান হ'ল ৰং, গোন্ধ, ঘোলা ভাৱ, মুঠ দ্ৰৱীভূত কঠিন পদার্থ, মুঠ ক্ষাৰকীয়তা, মুঠ কঠিনতা, কেলচিয়াম, মেগনেছিয়াম, ক্ল'ৰাইড, নাইট্রেট, ছালফেট, ফ্ল'ৰাইড, আয়ৰন, আৰ্চেনিক আৰু মুক্ত অৱশিষ্ট ক্ল'ৰিন free residual chlorine এইটো পৰীক্ষা কৰাৰ কাৰণে প্ৰত্যেকটো District Headquarter ত ব্যৱস্থা আছে। ইয়াৰ উপৰিও ৰাজ্যত প্ৰায় ৯৭ শতাংশ গাঁৱত পাঁচজনীয়া এটা মহিলা গোট আছে। তেওঁলোকৰ যিটো আমাৰ Field test kit, তেওঁলোকে তাতে Spot পানীটো Test কৰিব পাৰিব আৰু এইটোৰ গুণগত মান নিৰীক্ষণ কৰাৰ ব্যৱস্থা আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Next supplementary.

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ নাম বিৰসিং জৰুৱা, মোৰ এটা Development Block ৰ নামো বিৰসিংহ জৰুৱা। যিটো Block আপুনি মন্ত্ৰী থকা অৱস্থাত আপোনাৰ কাৰণেই এই Block টো আজিও Block হিচাপে আছে, নহ'লে abolish হোৱাৰ কথা আছিল। যি কি নহওক, আপোনাক ধন্যবাদ জনাইছোঁ। এই ব্লকখনে maximum চৰ area। ইয়াৰ scheme বিলাক মই সমষ্টিৰ কথা কোৱা নাই, বাকী অন্য Development Block আছে, তাত আঁচনি ঠিকেই চলি আছে, পানী পাই আছে, কিন্তু বিৰসিং জৰুৱা ব্লক যিটো, এইটো চৰ এলাকাৰে বিৰসিং জৰুৱা Development Block। গতিকে এই ব্লক এৰিয়াত পানী পোৱা নাই কিন্তু, যিটো

কথা মই প্ৰথমেই কৈছোঁ। আৰু লগতে আৰু এটা কথা কৈছোঁ, এই ব্লকৰ ৫ টা পঞ্চায়ত এতিয়ালৈকে জল জীৱন আঁচনি touch কৰা নাই, মানে scheme লোৱা নাই। সেই ৫ টা পঞ্চায়তৰ ভিতৰত আছে নীলক্ষীয়া, মোটা খোৱা, ফুলকা কাটা, মহুৰিৰ চৰ, পুৰাৰ চৰ। এই ৫ টা পঞ্চায়তত এতিয়ালৈকে কোনো আঁচনি তাত প্ৰস্তুতো কৰা হোৱা নাই, কোনো কাম আৰম্ভও কৰা হোৱা নাই। গতিকে তাত আঁচনি লোৱা হ'ব নে নাই, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ৫ টা পঞ্চায়তত scheme ল'ব নে?

**শ্ৰী কৃষ্ণেন্দু পাল, ( মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, আমি already এইটো answer আমি দিছোঁ যে বিৰসিং জৰুৱা যিটো ব্লক, য'ত এতিয়ালৈকে JJM-1 scheme পোৱা নাই, এইটো JJM-2 ত এই scheme টো লোৱা হ'ব। এই কথাটো আগতেই কৈছোঁ আমি যে JJM-2 ত যিটো আমাৰ 31st December, 2028 যাতে 100% গোটেই ভাৰতবৰ্ষৰ ৰাইজক খোৱাপানীৰ যোগান ধৰিব পাৰে, তাৰ কাৰণে মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ নিৰ্দেশ আৰু বিশেষকৈ অসমত আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী সদায় এটা কথাই মাৰ্গদৰ্শন দি আহিছে যে আমি যাতে within the time frame সকলো ৰাইজৰ ঘৰত খোৱাপানীৰ যোগান আমি 31st December, 2028 ৰ ভিতৰত যোগান ধৰিব পাৰোঁ। আপুনি যিটো ৫ টা পঞ্চায়তৰ কথা কৈছে, আজিয়ে আমি department ক নিৰ্দেশ দিম, তেওঁলোকে site verification কৰি JJM-2 ত এইটো মানে add কৰি লোৱা হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰশিদ আলম।

**শ্ৰী আবুল কালাম ৰশিদ আলম, পূব গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, JJM scheme ত third party ৰ এটা system আছে। যেতিয়া bill submit কৰে, তাৰ আগতে third party ৰ এটা report লাগে, তাৰ পিছত bill দিয়া হয়। বহুত scheme আছে যে 100% দেখুৱা আছে complete হৈছে। Third

party report মতে সেইটো complete হৈছে কিন্তু practical field ত সেইটো 100% নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, প্ৰত্যেকখন জিলাত তেখেতে যেন visit কৰি এই বস্তুখিনি অলপ পৰ্যবেক্ষণ কৰে আৰু মই অনুৰোধ কৰিম আপোনাৰ জৰিয়তে যে এই third party system টো উঠাই দিব লাগে। যিমান scheme ত যিমান খেলিমেলিৰ প্ৰধান কাৰণটো হ'ল third party। আমাৰ DC office ৰ পৰা যেতিয়া bill দিব, third party উঠাই দিব লাগে। কাৰণ আপুনিও মন্ত্ৰী আছিল, গতিকে মই অনুৰোধ কৰিছোঁ জলমিত্ৰ আৰু temporary কিছু worker আছে, muster roll ত। সেই muster roll ৰ যি সকলে কাম কৰি আছে তেওঁলোকক নিয়মীয়াকৰণ কৰিব নেকি আৰু এই জলমিত্ৰসকলক, মানে scheme টো যিমানেই হওক main নিৰ্ভৰ কৰে জলমিত্ৰৰ ওপৰত। গতিকে তেওঁলোকে আন্দোলন কৰি আছে, বিভিন্ন সময়ত বিভিন্ন দাবী কৰি আছে, মই আপোনাৰ মাধ্যমেৰে অনুৰোধ কৰিম যে তেওঁলোকৰ লগত বহি দৰমহা বঢ়াব নে কি কৰিব এটা মীমাংসা কৰাই দিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Minister reply please.

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো কোনো third party inspection নহয়। প্ৰথমতে work allotment হোৱাৰ পিছত SO, AEE, Executive Engineer ৰ পৰা আৰম্ভ কৰি MD, Chief Engineer, third party inspection ৰ পাছত sanction হয়। আজি অসমত যিমান কেইখন আঁচনি partially চলি আছে বা বেয়াকৈ চলি থকা আঁচনি সমূহ যেনে কৰবাত যদি electrical line কাটিছে বা ক'ৰবাত যদি transformer বেয়া হৈছে বা PWD ৰ ৰাস্তা বনাওতে কৰবাত যদি পাইপ বেয়া হৈছে, এনেকুৱা অৱস্থা যদি হৈ থাকে, তাৰ কাৰণে ০৯/০৮/২০২৪ তাৰিখে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছিলে, Cabinet decision দিছে যে, PWD য়ে ৰাস্তা বনাওতে যদি ৰাস্তা বা পাইপ বেয়া কৰে তেনেহ'লে তাৰ ওপৰত review কৰি PWD(R) য়ে ঠিক কৰিব আৰু ৫ লাখ টকালৈ District Commissioner য়ে repairing ৰ কামসমূহ কৰাৰ ব্যৱস্থা আছে।

অকল third party inspection য়ে নহয় এইটো ৫-৬ টা পেৰামিটাৰত checking কৰা হয়। তাৰ পাছতহে final bill sanction হয়। আপুনি কৈছে যে, Jal Mitra হৈছে আমাৰ আঁচনিৰ মূল মেৰুদণ্ড। জলমিত্ৰ সকলক পানী উপভোক্তা সমিতিয়ে নিযুক্তি দিয়ে। আমাৰ বিভাগৰ পৰা direct নিযুক্তি নহয়। যিহেতু জলমিত্ৰ সকলৰ নিযুক্তি স্বেচ্ছামূলক, সেয়েহে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ফালৰ পৰা তেওঁলোকৰ নিযুক্তিৰ এতিয়ালৈ কোনো ব্যৱস্থা নাই। তথাপিও মই জনাবলৈ পাই সুখী হৈছো যে, জলমিত্ৰ সকলৰ অক্লান্ত পৰিশ্ৰম আৰু কৰ্তব্য নিষ্ঠাত সন্তুষ্ট হৈ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মাহিলি পাৰিতোষিক তেওঁলোকক 15th Finance ত ৬,৫০০ ৰ পৰা ১,০০০ হাজৰ টকা বঢ়াই ৭,৫০০ টকা কৰা হৈছে। জলমিত্ৰ সকলে কাম কৰি থকা অৱস্থাত যদি মৃত্যু হয় তেতিয়া হ'লে ex-gratia হিচাপে চৰকাৰৰ ফালৰ পৰা দিয়া ব্যৱস্থা কৰা হৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া পৰৱৰ্তী প্ৰশ্ন নং ২৪৪, মাননীয় সদস্য, ডঃ আছিফ মহম্মদ নাজাৰ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ডাঃ আছিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, লাহৰীঘাট সমষ্টিত বহু যোগ্য হিতাধিকাৰী আছে, যিসকলে এতিয়াও অৰুণোদয় আঁচনি পোৱা নাই। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই মোৰ প্ৰশ্নৰ বিপৰীতে যি উত্তৰ দিছে, এই উত্তৰ লৈ মই সন্তুষ্ট নহয়। কাৰণ মোৰ ওচৰত তথ্য আছে যে, বহু যোগ্য হিতাধিকাৰীয়ে আপোনাৰ অৰুণোদয় আঁচনি পোৱা নাই, কিন্তু উত্তৰত দিয়া হৈছে যে, প্ৰকৃত হিতাধিকাৰী বঞ্চিত হৈ থকাৰ অভিযোগৰ কোনো নিৰ্দিষ্ট তথ্য উপলব্ধ নাই। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিতে বহু leprosy patient আছে, cerebral palsy, autism spectrum disorder ৰ patient, বিধৱা, অবিবাহিত আদি লোক আছে যিসকল যোগ্য, কিন্তু অৰুণোদয় আঁচনি পোৱা নাই। এনেকুৱা বহু হিতাধিকাৰী আছে আৰু তাৰ বিপৰীতে চাৰিচকীয়া বাহন

থকা পৰিয়ালৰ মহিলাই এই আঁচনি পাইছে। 2 লাখ টকাতকৈ অধিক বছৰি উপাৰ্জন কৰা মহিলাও এই অৰুণোদয় আঁচনি পাই আছে। গতিকে মই ভাবো ৰাজনীতিৰ উৰ্ধত গৈ যাতে এক সঠিক মূল্যায়নৰ ব্যৱস্থা কৰা হয় আৰু যোগ্য হিতাধিকাৰীয়ে যাতে এই অৰুণোদয় আঁচনি পায়, তাৰ কাৰণে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই কিবা ব্যৱস্থা ল'বনে ? যিসকল ভুৱা হিতাধিকাৰী তেখেতসকলৰ নাম কৰ্তন কৰাৰ কাৰণে ব্যৱস্থা ল'বনে ? আৰু যদি কোনো ব্যৱস্থা লয়, কিমান দিনৰ ভিতৰত এই ব্যৱস্থা লব, মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানিব বিচাৰিম।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী please reply.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অৰুণোদয় আঁচনিখন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যেতিয়া বিত্ত মন্ত্ৰীৰ দায়িত্বত আছিল, তেতিয়াই 2020 চনতে এই আঁচনিখন আৰম্ভ কৰা হৈছিল। সেই সময়ত 17 লাখ হিতাধিকাৰীক এই আঁচনিৰ সুবিধা দিয়া হৈছিল 830 টকাকৈ। সময়ত আহি এতিয়া 39 লাখ হিতাধিকাৰী হ'ল। গতিকে সকলো অঞ্চলতে, এতিয়াও হয়তো হিতাধিকাৰী হ'বলগীয়া মানুহ থাকিব, নথকা নহয়। কিন্তু যিখন আঁচনি 17 লাখ হিতাধিকাৰীৰে আৰম্ভ কৰি আজি 39 লাখলৈকে আহিলে, তাৰমানে ভৱিষ্যতে আমাৰ চৰকাৰখনৰ পৰিকল্পনা তেনেকৈ আগবাঢ়ি আছে। এইটোও ঠিক যে এই আঁচনিত সময়ে সময়ে যিসকল মানুহ ইয়াৰ কাৰণে যোগ্য নহয় বুলি বিবেচিত হয়, তেওঁলোকৰ নাম কাটি দিয়া হয় আৰু নতুনকৈ যোগ্য হিতাধিকাৰী সুমুৱাই থকা হয়। গতিকে যোৱা সময়তো এনেকুৱা হৈছে যে, বিভিন্ন সময়ত ইয়াৰ ওপৰত scrutiny চলি থাকে আৰু এইটো এটা continuous process। গতিকে আপোনাৰ অঞ্চলতো যোৱা কেইদিনমান আগত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে, এইবাৰ আমি প্ৰতিটো সমষ্টিতে একোজনকৈ অৰুণোদয় সহায়ক বা অৰুণোদয় সাৰথি দিম। যিজনে সেই সমষ্টিটোৰ কোনো এটা অফিচত, DC Office তে হওক, Circle Office তে হওক, Block Office তে হওক, তেওঁ থাকিব। আৰু যিকোনো মানুহে তেওঁৰ ওচৰলৈ আহি অৰুণোদয়

পাবলগীয়া থাকিলে তেওঁ অভিযোগ দিব, কাৰোবাৰ অৰুণোদয়ৰ কিবা টকা পোৱা নাই, account ত পইচা সোমোৱা নাই, সকলো অৰুণোদয় জড়িত সমস্যা সমাধানৰ বাবে এজন এজন ব্যক্তি আমি অহা এক-দেৰ মাহৰ পিছৰ পৰা আমি নিযুক্তি দিম। নিযুক্তি মানে already থকা মানুহকে দায়িত্ব দিয়া হব, মানে অৰুণোদয় সহায়ক হিচাপে। গতিকে মই ভাবো যে, এনেকুৱা সমস্যাবিলাক সমাধানৰ ক্ষেত্ৰত এইটো এটা ভাল পদক্ষেপ হ'ব। এই গোটেই বাচনি প্ৰক্ৰিয়াটোত booth level ত একোখন committee বনাই দিয়া হৈছিল। তেওঁলোকৰ committee ৰ পৰা আহি যিখন district level committee, এই district level committee ত আমাৰ সন্মানীয় বিধায়ক বা সদস্যগৰাকীও Member আছিল। গতিকে এই বাচনি পদ্ধতিৰ মাজেৰে হৈছে। ইয়াত সময়ে সময়ে আপোনালোকে তথ্যও যদি চায়, এতিয়াও আমাৰ cancel কৰি দিয়া বা কাটি দিয়া process টো চলিয়েই থাকে। যেনকৈ কোনোবা হয়তো এনেকুৱা আছে যাৰ ration card ত নাম আছে, কিন্তু নাম নথকা বুলি apply কৰিছিল, সেইটো কথাত সোমাই গ'ল এতিয়া ধৰা পৰিছে। কিছুমান হয়তো নতুনকৈ চাকৰি পাইছে পৰিয়ালত, তেওঁলোকে নিজে opt out কৰিছে। এনেকে সময়ে সময়ে আমাৰ কৰ্তন আৰু লগতে নতুনকৈ নাম সংযোজন চলি থাকে। গতিকে আপোনাৰ সমষ্টিতো যদি তেনেকুৱা যোগ্য হিতাধিকাৰী আছে, অৰুণোদয় সহায়ক খুব সোনকালে নিযুক্ত হৈ যাব, দায়িত্ব দিয়া হব আৰু তেখেতসকলৰ লগত যোগাযোগ কৰিব। আৰু আপুনিও যিহেতু জিলা সমিতিখনৰ জিলা নিৰ্বাচক সমিতিৰ সদস্য, গতিকে আপুনিও তাত নিজে চাব পাৰিব। মই ভাবো যে আৰু বিশ্বাসো কৰো যে, ইয়াক আৰু বঢ়াব লাগে। কিন্তু এই আঁচনিখন লৈও কেতিয়াবা আপোনালোকৰ দলেও আমাক সমালোচনা কৰে, কিন্তু এই আঁচনিখন অসমৰ এনেকুৱা এখন আঁচনি যিয়ে অসমৰ প্ৰতিটো দুখীয়া পৰিয়ালক অৰ্থনৈতিক সকাহ দিয়াৰ কাৰণে চেষ্টা কৰিছে।

**মাননীয় অধ্যক্ষঃ** Next subject.

**ডাঃ আছিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, এই মানুহখিনিৰ নাম যেনে আবিদা খাতুন, নাজিৰা খাতুন, ৰোজেমা খাতুন, হাজিৰা খাতুন আদি এনেকুৱা আৰু বহু মহিলা আছে যোনে বিধৱা নহয়, কিন্তু তাত লিখা আছে যে, গিৰিয়েক ঢুকালে আৰু বিধৱা বুলি অৰুণোদয় আঁচনিৰ্লে আছে। একে ধৰণে চাৰিচকীয়া বাহন থকা মানুহেও অৰুণোদয় পাই আছে। গতিকে মই ভাবো যে, আপুনি অতি দক্ষ মন্ত্ৰী, আপুনি অতি সোনকালে এই যিবোৰ ভুৱা হিতাধিকাৰী আছে, তেখেতসকলৰ নাম কৰ্তন কৰি যিসকল দৰিদ্ৰ, মগনীয়া, দুখীয়া, বিধৱা, তেনেকুৱা মানুহক যদি আপোনালোকে বা আপুনি অৰুণোদয় দিয়ে, তেতিয়া মই ভাবো সমাজখনৰ উন্নতি হব, দুখীয়া মানুহবোৰ বা বিধৱা মানুহবোৰ বা পিছপৰা মানুহবোৰ আগবাঢ়ি যাব। গতিকে এই ভুৱা নামবোৰ কৰ্তন কৰি আপুনি যিসকল পিছপৰি আছে, যিসকল original হিতাধিকাৰী, তেখেতসকলে সেই অৰুণোদয় পাবনে, মন্ত্ৰী ডাঙৰীয়া?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, কৰ্তন আৰু অন্তৰ্ভুক্তি।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসকলৰ নাম তেওঁ কৈছে, তেখেতসকলৰ নাম মোৰ ওচৰত দিলে বা জিলা আয়ুক্তৰ ওচৰত দিলে বা অৰুণোদয় সহায়কজনকো দিলে তেওঁলোকে লগে লগে চাই দিব যে সঁচাকৈ ভুৱা হিতাধিকাৰী হয় নেকি ? কাৰণ আজিও নাম কটাৰ system টো আছে। আমি আপোনালোকক জনাবলৈ পাই সুখী যে, অহা ৩ তাৰিখে আমি অৰুণোদয় পুনৰ দিয়া আৰম্ভ কৰিম। মাজতে দুমাহ আমাৰ নিৰ্বাচনৰ পিছত বন্ধ হৈ আছিল বাজেটৰ কাৰণে, এতিয়া বাজেট আপোনালোকে পাছ কৰি দিলে, গতিকে অহা ৩ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা তেখেতে সম্বোধন কৰিব আৰু প্ৰতিটো পঞ্চায়তে এখন এখন সভা য'ত আপোনালোককো থাকিবলৈ মই পত্ৰ যোগে অনুৰোধ কৰিছো। সিদিনাখনৰ পৰা প্ৰতি মাহে আৰু আগৰ দৰে regularly পাই থকা হ'ব। গতিকে এনেকুৱা যিবিলাক অভিযোগ থাকে আপোনালোকে দিব, সেই নামবিলাক কৰ্তন হব। আৰু যিসকল পাবলগীয়া হিতাধিকাৰী এই নাম আপোনালোকে দিব । আৰু

কোনোবা যদি অযোগ্য হিতাধিকাৰী হৈছে আপুনিও DLMC ৰ Member, district level committee **খনৰ** আপুনিও Member, গতিকে আপুনিও তাত দায়িত্বটো লৈ চাব যাতে ক'ৰবাত যদি তেনেকুৱা ভুৱা হিতাধিকাৰী আছে তেওঁলোকৰ নাম কৰ্তন কৰিব। ইয়াত কৰ্তন কৰাত ইয়াত কোনো অসুবিধা নাই। এতিয়া কিছুমান মানুহ আছে যোনে নতুনকৈ চাকৰি পাইছে, তেওঁলোকে নিজে আঁতৰি যাব বিচাৰিছে। কিছুমান মানুহ আছে যিয়ে মুখ্যমন্ত্ৰীৰ লোকসেৱাৰ ব্যৱস্থাটোৰ পৰা যেতিয়া online ত match কৰিছো তেতিয়া ধৰা পৰিছে। কিছুমান এনেকুৱা হৈছে যে, বিভিন্ন সময়ত তেওঁলোকৰ Aadhaar link বিলাকৰ ক্ষেত্ৰত আমি Aadhaar seeded কৰিছো, তাত ধৰা পৰিছে। তেনেকে প্ৰতি মাহে এটা এটা system আমি চাই থাকো যে, তেনেকুৱা যদি কোনো ভুৱা হিতাধিকাৰী ধৰা পৰে, তেওঁলোকক কাটি দিয়া হয়। যিসকল লোক দিব্যাঙ্গজন, unmarried women বা বিভিন্ন ৰোগত আক্ৰান্ত, এই ধৰণৰ লোক সকলক আমি priority দিও। তেনেকুৱা যদি priority থকা মানুহ আছে আপুনি DC ৰ ওচৰত immediately দিব বা মোৰ ওচৰতো immediately দিলে আমি এইখিনি process কৰাব পাৰিম।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃছাৰ**,** যিসকল ভূৱা হিতাধিকাৰী আছে**,** তেখেতসকলৰ লিষ্টখন যদি আপোনাক দিও ব্যৱস্থা ল'বনে কাৰণ মই বহুবাৰ প্ৰতিবাদ কৰিছো কিন্তু কোনো সুফল পোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ আপুনাৰ যি কেইটা ভূৱা**,** ধনী মানুহে পাইছে**,** তাৰ তালিকাখন মন্ত্ৰী ডাঙৰীয়াক দিব।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, বিত্ত বিভাগ ইত্যাদি)** ঃ মোক তালিকাখন দিব**,** মই ভেৰিফিকেশ্যন কৰি লগে লগে কাটি দিম অসুবিধা নাই। আপুনি আজিয়ে তালিকাখন দিব মই ভেৰিফাই কৰিব দিম ৰিৰ্পোট অহাৰ লগে লগে কাটি দিম।

**মাননীয় অধ্যক্ষ** ঃ আফতাব উদ্দিন মোল্লা ডাঙৰীয়া।

**শ্ৰীআফতাব উদ্দিন মোল্লা, জলেশ্বৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়**,** এই বিষয়ে এটা কথা ক'ব খুজিছো মাননীয় মন্ত্ৰী মহোদয়ক**,** যোৱাবাৰ 'অৰুণোদয়'

আঁছনিৰ বাছনি প্ৰক্ৰিয়াটোত  আমি দেখিবলৈ পাইছো প্ৰায় ৩০ কি.মি দূৰৰ পৰা মেম্বাৰ দিছে বাছনি কৰিবৰ বাবে। মই ভাবো এতিয়া যিটো ইউনিটত বাছনি কৰিব এতিয়া সেই ইউনিটৰ সদস্যটো থাকিলে ভাল হয়, কাৰণ ৩০ কি.মি দুৰৰ পৰা যিজন মানুহে বাছনি কৰে , তেখেত নিজে আহি বাছনি নকৰে , তাৰ পৰাই নামকেইটা লিখি দিয়ে। মোৰ নিজৰ সমষ্টিত, নিজৰ গাওঁত দেখিছো তাতো মই দেখিছো বহু ধনী মানুহ, ট্ৰেক্টৰ ৪ খন ঘৰত আছে, তেওঁলোকৰ ফেমিলী ডাঙৰ, বহু ভালধৰণে চলি আছে । গতিকে যিবিলাক মানুহ স্বচ্ছল, তেওলোকে অৰুণোদয় পাই আছে। কিন্তু বিধৱা, দিব্যাংগ যিসকলে চলিব নোৱাৰে আনকি তিনি চকাৰ চাইকেল বা ঠেলাত উঠি ঘুৰি ফুৰে, সেইসকল মানুহৰ নাম আজিলৈকে দিয়া হোৱা নাই। মই বহুবাৰ বিডিঅ’ আনকি ডি চিকো কৈছো – তেওলোকে কয় আমি চাই দিম। কিন্তু এতিয়ালৈ হৈ উঠা নাই। সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ কৰিছো যে, এইবাৰ যিটো কমিটি আপোনালোকে বনাব , এই বাছনি প্ৰক্ৰিয়াটোত – ওচৰ –পাজৰৰ মানুহ দিলে তেওঁ অন্তত বুজি পাব যে, এইজন দুখীয়া বা দিব্যাংগ তেও অৰুণোদয় পোৱাটো উচিত হ’ব। এইটো মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, বিত্ত বিভাগ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুয়োগৰাকী বিৰোধী দলৰ সদস্য গতিকে তাত যিমান কটা যাব তাত পলিটিকেলী লছ হ’ব লগা কথা আমাৰ নাই । কিবা যদি লাভ হৈছে আপোনালোকৰ হৈছে , যদি লচ হৈছে আপোনালোকৰে হ’ব  তাত আমাৰ কোনো কথা নাই। নামবিলাক দিয়ক আমি কাটি দিম আমাৰ একো অসুবিধা নাই। সেইসময়ত এটা ব্যৱস্থা আছিল বুথৱাইজ এখন ৪জনীয়া কমিটি বনাই দিয়া হৈছিল আৰু তেওঁলোকে বুথৰ পৰাই চিলেকশ্যন কৰিছিল । সেই কমিটিবিলাক বনোৱাৰ ক্ষেত্ৰত আমাৰ বিধান সভাৰ সন্মানীয় সদস্যসকলো জড়িত হৈ আছিল । ডিষ্টিক্ট কমিটিতো তেওঁলোক জড়িত আছিল । গতিকে আপোনালোকে যিটো কৈছে নাপাবলগীয়া মানুহে পাইছে আমি ইমিডিয়েট কাটি

দিম কিন্তু দৰিদ্ৰজন কেতিয়াও বঞ্চিত হ'ব নালাগে। আমাৰ সমষ্টিতো যিমান আছে , মোটামোটি আপোনালোকৰ সমষ্টিতো সমানে, ক'ৰবাত এক – ডেৰ হাজাৰ – দুই হাজাৰ ডিফাৰেন্স মোটামোটি সকলো সমষ্টিতে আমি সমানে দিছিলো – এইকাৰণে যে, য'ত আমি ভোট নাপাও তাতো কিন্তু আমি সমানে দিছো। সেইকাৰণে মাননীয় মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এই দৰিদ্ৰ লোকসকলৰ প্ৰতি যিটো মৰম , জাতি ধৰ্ম –বৰ্ণ নিৰ্বিশেষে আপোনালোকে সমৰ্থন কৰিব লাগিব, আপোনালোকে প্ৰশংসা কৰিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ পৰৱৰ্ত্তী -২৪৫ – মৃনাল শইকীয়া।

**শ্ৰীকৃষ্ণেন্দু পাল, ( মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি** )ঃ মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীমৃনাল শইকীয়া, ( খুমটাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, 'জল জীৱন মিছন' –মানে 'হৰ ঘৰ জল' । ইয়াৰ ভিজনটো সুদুৰপ্ৰসাৰী আছিল, বহুত ভাল আছিল, যে ভাৰতৰ প্ৰতি ঘৰ মানুহে ঘৰে ঘৰে জল পাব। জল জীৱন মিছন আঁচনি পোৱাৰ পিচত বহু মানুহৰ ঘৰত আগতে যদি জল আছিল, এতিয়া আকৌ নোহোৱা হৈছে। এইটো কিহৰ কাৰণে হ'ল ? আগতে বহু মানুহৰ ঘৰত এটা টিউবৱেল আছিল,তাৰ পানী খায়। তাৰ পিছত জলজীৱনৰ মিছনৰ যোগেদি ক'ৰবাত আঁচনি এটা হ'ল – ঘৰৰ সন্মুখত এটা টেপ স্থাপন কৰিলে , মানুহঘৰে টেপটো বাদ দি সেই টিউবৱেলৰ পৰা পানী খাবলৈ আৰম্ভ কৰিলে। কিন্তু কেইদিন মান পিছত বা কেইবা মাহ পিছত এই প্ৰজেক্টটো বিকল হৈ গ'ল। তাৰ ফলত পানী নোপোৱা হ'ল আৰু এইফালে নিজৰ ঘৰৰ টিউবৱেলটো ব্যৱহাৰ নকৰা বাবে সেইটোও বেয়া হ'ল। এনে অলেখ সমস্যা আমাৰ ওচৰলৈ আহে। ইয়াত উত্তৰত খুব সুন্দৰ শব্দ ব্যৱহাৰ কৰিছে যে, নিৰ্মাণাধীন- নিৰ্মাণ কাৰ্য চলি আছে ইত্যাদি – খুমটাই সমষ্টিত ২১২ খন আঁচনি সম্পূৰ্ণ হোৱা দেখুৱাইছে আৰু ৩৯ খন আঁচনি নিৰ্মাণাধীন অৱস্থাত আছে। অধ্যক্ষ মহোদয়, এই ৩৯ খন আঁচনি কোনো নিৰ্মাণাধীন অৱস্থাত নাই বৰ্তমান বন্ধ হৈ আছে আৰু তাত হাবি –জংঘল হৈ

গৈছে , হয়তো সেইবিলাক আকৌ নতুনকৈ আৰম্ভ কৰিব লাগিব। এতিয়া মই জানিব খুজিছো যে, নিৰ্মীয়মান আঁচনিবিলাক সঁচাকৈয়ে কেতিয়া সম্পূৰ্ণ হ'ব ? ২১২ খন আঁচনি সম্পূৰ্ণ হোৱাৰ ভিতৰত ১৯৪ খন আঁচনি কাৰ্যক্ষম হৈ আছে আৰু ১৬ খন আঁচনি বিকল হৈ আছে , গতিকে এই আঁচনিসমূহ কিয় বিকল হ'ল আৰু এই পুনৰুজ্জীৱিত হ'বনে নাই ? গতিকে এইটো এটা ডাঙৰ সমস্যা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ যিটো ভিজন আছিল  হৰ ঘৰ জল – গতিকে এই বিকল হোৱা আঁচনিসমূহ কেতিয়া সম্পূৰ্ণ হ'ব আৰু নিৰ্মাণাধীন আঁচনি কেইখন নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ হ'ব আৰু ৰাইজে কেতিয়া খোৱা পানী পাব ?

**মাননীয় অধ্যক্ষ** ঃ মিনিষ্টাৰ ৰিপ্লাই প্লিছ।

**শ্ৰীকৃষ্ণেন্দু পাল, ( মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী  বিভাগ ইত্যাদি )**ঃ সন্মানীয় অধ্যক্ষ ডাঙৰীয়া। বিধায়ক মৃনাল শইকীয়া ডাঙৰীয়াই অতি গুৰুত্বপূৰ্ণ কথা উপস্থাপন কৰিলে। আমাৰ বিভাগৰ ফালৰ পৰা দিয়া তথ্য অনুসৰি তাত স্কীম চেংশ্যন হৈছিল ২৫১ টা আৰু জে জে এম আঁচনি সম্পূৰ্ণ হ'ল – ২০৯ টা আৰু ফাংশ্যনেল স্কীম আছে ১৯১ টা  আৰু নন ফাংশ্যনেল আছে – ১৮ টা। যেতিয়া লোক নিৰ্মাণ বিভাগে ৰাস্তাৰ কাম কৰে তেতিয়া পানীৰ পাইপবিলাক কিছু ঠাইত ভাগি যায় , ট্ৰেন্সৰ্ফমাৰ বিকল হৈ যায়, তেতিয়া ইলেকট্ৰিচিটিও বিকল হৈ পৰে। মই বিধায়ক গৰাকীক ৰিকুৱেষ্ট কৰিম তাত কোন কোনটো স্কীম বিকল হৈ আছে তাৰ তথ্য বিভাগৰ ফালৰ পৰা এক সপ্তাহৰ ভিতৰত আপোনাৰ হাতত দিম। আপুনিও ভেৰিফাই কৰি এটা ৰিৰ্পোট আমাৰ হাতত জমা দিব। আমি বিভাগৰ ফালৰ পৰা সম্পূৰ্ণভাৱে একশ্যন ল'ম। এচেমব্লী শেষ হোৱাৰ পিছতে মই নিজেই খুমটাই সমষ্টিলৈ যাম য'ত স্কীম আধৰুৱা হৈ আছে সেইবিলাক অতি সোনকালে যাতে সম্পূৰ্ণ হয় তাৰ ব্যৱস্থা লোৱা হ'ব।

**শ্ৰীমৃনাল শইকীয়া, (খুমটাই )** ঃ মাননীয় অধ্যক্ষ মহোদয়, জৰিপ হওতে আমাৰ বহুতো গাওঁ জৰিপৰ ভিতৰত পৰা নাছিলে , বিভাগীয়ভাৱে বহুতো

প্ৰপোজেল দি থোৱা আছে গতিকে মই জানিব বিচাৰিছো যে, এই নিৰ্মাণ কাৰ্য্য কিয় আৰম্ভ হোৱা নাই? এই প্ৰপোজেলবিলাক ভৱিষ্যতে লোৱা হ'বনে , আৰু যদি লোৱা হয় কেতিয়া লোৱা হ'ব মন্ত্ৰী মহোদয়ে জনাব।

**শ্ৰীকৃষ্ণেন্দু পাল, ( মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি )ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে, জে জে এমৰ উদ্দেশ্যটোৱে হৈছে Isolated village য'ত য'ত -২০- ২৫ টা পৰিয়াল আছে সেই বিলাক এৰিয়াত আমি খোৱা পানী যোগান ধৰিব পৰা নাই , তেওঁলোকৰ ঘৰলৈ জে জে এমৰ জৰিয়তে আমি পানী যোগান ধৰিব পাৰো তাৰ বাবে অতি শীঘ্ৰে ব্যৱস্থা ল'ম। অধ্যক্ষ ডাঙৰীয়া বিধায়ক গৰাকীয়ে আমাক লিষ্ট খন দিলে ক'ত ক'ত পানী পোৱা নাই  সেই লিষ্ট খন আমাক দিলে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ সময়সীমাটো হ'ল ২০২৮ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত ১০০ শতাংশই  বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰেও নিৰ্দেশ দিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও সদায় ৰিভিউ লৈ আছে। মই আপোনাৰ সমষ্টিলৈ আপোনাক লগত লৈ বিভাগৰ ফালৰ পৰা ভেৰিফাই কৰি ব্যৱস্থা হাতত ল'ম।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন ২৪৬, মোঃ নুৰুল হুদা।

**শ্ৰী পীযুষ হাজৰিকা,  সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মোঃ নুৰুল হুদা, (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি উত্তৰ চৰকাৰে দিছে ছাৰ মই আচৰিত হৈছো যে এই বিভাগটো সংবেদনশীল নহয় নেকি ? মোৰ প্ৰশ্ন আছিলে যে অসমত মুঠ কিমান সংখ্যক অঙ্গনৱাড়ী কেন্দ্ৰ আছে আৰু কিমান সংখ্যক অঙ্গনবাডী কেন্দ্ৰ ভাল আৰু কিমান সংখ্যক গৃহ জৰাজীৰ্ণ অৱস্থাত আছে ? উত্তৰটো দিলে ছাৰ যে অসমত মুঠ ৬২,১৪২ টা অনুমোদিত অঙ্গনবাড়ী কেন্দ্ৰ আছে তথ্য সংগ্ৰহ কৰি থকা হৈছে। তাৰ মানে চৰকাৰৰ হাতত নাই যে ৬২,১৪২ টা অঙ্গনবাড়ী কেন্দ্ৰৰ কিমানখিনি গৃহ ভাল আৰু কিমানখিনি গৃহ বেয়া এই তথ্যটো চৰকাৰৰ হাতত নথকাটো এটা

উদ্বেগজনক বিষয় ছাৰ। ছাৰ ইয়াত আমাৰ শিশু সকলৰ জীৱন ইয়াৰ পৰাই আৰম্ভ হয়, এই গৃহটো যদি ভাল হৈ নাথাকে তেতিয়াহ'লে কেনেকৈ তাত অঙ্গনবাড়ী কৰ্মী সকলে তেওঁলোকক ভাল শিক্ষা দিব। গতিকে এই উত্তৰটোত মই সন্তুষ্ট নহয় আৰু ইয়াৰ লগতে মোৰ আছিলে যে ৰূপহী বিধান সভা সমষ্টিত কিমান সংখ্যক জৰাজীৰ্ণ কেন্দ্ৰ আছে আৰু সেই কেন্দ্ৰ সমূহ কিমান দিনৰ ভিতৰত নিৰ্মাণ কৰা হ'ব, কিন্তু সেইটোৰ উত্তৰত কিন্তু কলে যে তিনিটা শিশু প্ৰকল্প আছে তেওঁলোকৰ তাতে উপলব্ধ আছে। মই সদনত প্ৰশ্ন কৰিছো মই এতিয়া উত্তৰৰ কাৰণে প্ৰকল্পত যাম নেকি ? চৰকাৰে প্ৰকল্পৰ পৰা আনি তথ্যটো দিব নোৱাৰিলে নেকি ? গতিকে এইটো চৰকাৰৰ ব্যৰ্থতা নহয় নেকি ? বিভাগটো নিষ্ক্ৰীয় নহয় নেকি ? গতিকে মোৰ প্ৰশ্ন মাননীয় মন্ত্ৰী মহোদয়ক যে মোৰ ৰূপহী বিধান সভা সমষ্টিত যিকেইটা অঙ্গনবাড়ী কেন্দ্ৰ জৰাজীৰ্ণ অৱস্থা হৈ আছে সেইখিনি কিমান দিনৰ ভিতৰত নিৰ্মাণ কৰিব তাৰ এটা মোক স্পষ্ট উত্তৰ লাগে।

**মাননীয় অধ্যক্ষঃ ৰিপ্লাই।**

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, জৰাজীৰ্ণ অৱস্থাত কোনটো আছে, কোনটো নাই কালিও ত এটা জৰাজীৰ্ণ হ'ব পাৰে। যোৱা পৰহিও এটা হ'ব পাৰে। সেই definition টো অধ্যক্ষ ডাঙৰীয়া কেনেকৈ ল'ব ? আমাৰ উত্তৰত কোৱা হৈছে যে তথ্য সংগ্ৰহ কৰি থকা হৈছে। অধ্যক্ষ ডাঙৰীয়া definition টো কি জৰাজীৰ্ণৰ। যেতিয়া ২০০১ চনত, ২০০৩ চনত ১.৫০ লাখ টকাৰে বনাইছিলে সেইটো জহি খহি গ'ল সেইটো জৰাজীৰ্ণ নেকি ? জৰাজীৰ্ণৰ definition টো কি অধ্যক্ষ ডাঙৰীয়া, মই আকৌ কৈছো মই প্ৰথম উত্তৰটোত কৈছো অধ্যক্ষ ডাঙৰীয়া, তেতিয়া ভালকৈ চিধাকে প্ৰশ্নটো কৰিছিল চিধাকে উত্তৰ দিছিলো, বেকাকে কৰিলে বেকাকে উত্তৰটো দিম অধ্যক্ষ ডাঙৰীয়া। অধ্যক্ষ ডাঙৰীয়া আজিৰ পৰা ১৬-১৭ বছৰ আগতে ১.৫০ লাখ টকাৰে এটা অঙ্গনবাড়ী কেন্দ্ৰ বনোৱা হৈছিল আৰু এতিয়া কিমান হ'ল ২৫ লাখ টকাৰে এটা অঙ্গনবাড়ী কেন্দ্ৰ বনাব পৰা যায়। মাননীয় অধ্যক্ষ ডাঙৰীয়া ১.৫০ লাখ টকাৰে অঙ্গনবাড়ী কেন্দ্ৰ বনোৱা অৱস্থাত ১ লাখ টকাৰে অঙ্গনবাড়ী কেন্দ্ৰ

বনাইছিলে যিসকল লোকে তেখেতলোকে ডাঙৰ ডাঙৰ কথা কৈ দিয়ে। আমি অধ্যক্ষ ডাঙৰীয়া ২৫ লাখ টকাৰে অঙ্গনবাড়ী কেন্দ্ৰ বনাইছো । ১০,০০০ অঙ্গনবাড়ী কেন্দ্ৰ বনাইছো পাঁচ বছৰত অধ্যক্ষ ডাঙৰীয়া। এই পাঁচ বছৰতে মিনিমাম ১০,০০০ বনাম । অধ্যক্ষ ডাঙৰীয়া ১৫ বছৰে যেতিয়া চৰকাৰ চলাইছিলে কেইটা অঙ্গনবাড়ী মেৰামতি কৰিছিলে ? ২০০২ চনত বনোৱা হৈছিল ২০০৫ চনত ধ্বংস হৈ গ'ল। ২০০৩ চনত ১.৫০ লাখ টকাৰে বনাইছিল ২০০৫-২০০৬ চনত ধ্বংস হৈ গ'ল । ....কেইটা বেনোৱা হৈছিল অধ্যক্ষ ডাঙৰীয়া । অধ্যক্ষ ডাঙৰীয়া আকৌ কৈছো ১০,০০০ অঙ্গনবাড়ী কেন্দ্ৰ বনাইছো বা আণ্ডাৰ কনষ্ট্ৰাকচনত আছে । ১০,০০০ মিনিমাম সৌ সিদিনা কেবিনেটত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আগ্ৰহ প্ৰকাশ কৰিছে যে অতি কমেও আৰু ১০,০০০ অঙ্গনবাড়ী কেন্দ্ৰ বনোৱা হ'ব। অধ্যক্ষ ডাঙৰীয়া ১.৫০ লাখ টকাৰ অঙ্গনবাড়ী কেন্দ্ৰ কেতিয়া বনোৱা হৈছিল, কিমান দিনত ধ্বংস হৈছিল সেই কথাবিলাক অসমৰ ৰাইজে পাহৰা নাই। অধ্যক্ষ ডাঙৰীয়া ক'ব লাগে যে আমাৰ কামখিনি আৰু কৰিব লাগে নিশ্চয়কৈ কৰিম। আমাক প্ৰয়োজন সাপেক্ষে য'ত প্ৰয়োজন আছে নিশ্চয়কৈ কৰিম। Discrimination কৰা নাই অধ্যক্ষ ডাঙৰীয়া। মাননীয় সদস্য গৰাকী সেইদিনা তেখেত অনুপস্থিত আছিল তেখেতৰ সমষ্টিত ২৫,০০০ মহিলাক আমি মহিলা উদ্যমিতা বিলাই আহিছো। তেখেতটো নাছিলে সেইদিনা অধ্যক্ষ ডাঙৰীয়া । মাননীয় সদস্যগৰাকীক আমি সেইদিনাখন মাতিছিলো অধ্যক্ষ ডাঙৰীয়া। Assembly তে কৈছিলো।

**মোঃ নুৰুল হুদা, ৰূপহীহাটঃ** মতা নাই।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাতিছে আপোনাক জিলা প্ৰশাসনৰ ফালৰ পৰা মাতিছে । ১০০ শতাংশ মাতিছে আপোনাক । মই ব্যক্তিগতভাৱেও মাতিছো আপোনাক । মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি সকলোতে কাম কৰিচো আৰু কৰিম । যোৱাবাৰ ১০,০০০ অঙ্গনবাড়ী কেন্দ্ৰ বনাইছো এইবাৰ পাৰিলে ১৫,০০০ অঙ্গনবাড়ী কেন্দ্ৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত মই আকৌ ক'লো মাননীয় মন্ত্ৰী শ্ৰী মতী অজন্তা নেওগ

ডাঙৰীয়ানীয়ে বনাব। আদৰ্শ শব্দটো ক'ৰ পৰা আহিলে অধ্যক্ষ ডাঙৰীয়া। আগতে অঙ্গনবাড়ী কেন্দ্ৰ আছিল এতিয়া আদৰ্শ অঙ্গনবাড়ী শব্দটো ক'ৰ পৰা আহিল। সেই ২৫ লাখ টকা খুব ধুনীয়া কাৰণে আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ হ'ব নেকি ? গতিকে আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ আৰু বনাব অধ্যক্ষ মহোদয়। বিভাগক এনেই গালি দিলেই নহ'ব। কেনেকৈ দিফাইন কৰিব যে এইটো জৰাজীৰ্ণ কালি আছিলে সেইটো পৰহি নাছিলে। মানে পৰহি দিনা জৰাজীৰ্ণ নাছিলে, আজি জৰাজীৰ্ণ হ'ব পাৰে। ধুমুহাত ভাঙি গ'ল, বানপানীত ভাঙি গ'ল জৰাজীৰ্ণ হ'ল। গতিকে কেনেকৈ এটা হিচাপ থাকিব যে ইমানটা অঙ্গনবাড়ী কেন্দ্ৰ জৰাজীৰ্ণ। গতিকে পৰৱৰ্তী সময়ত আপোনালোকে ক'ব নিশ্চয়কৈ কাম কৰাৰ কাৰণে যত্ন কৰিম।

**মোঃ নুৰুল হুদা, ৰূপহীহাটঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কথা কলে মোৰ কথাটো হৈছে যে বিভাগৰ হাতত তথ্যটো থাকিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** কেনেকৈ থাকিব। আপুনি কথাখিনি বুজা নাই।

**মোঃ নুৰুল হুদা, ৰূপহীহাটঃ** বিভাগৰ হাতত তথ্যটো নাথাকিলে আমি ক'ত পাম। যদিও আমি সদনত প্ৰশ্নটোৰ উত্তৰ নাপাও আমি উত্তৰটো ক'ত পাম। গতিকে মই অনুৰোধ জনাব বিচাৰিছো আপোনাৰ জৰিয়তে যাতে যিখিনি ভঙা চিঙা জৰাজীৰ্ণ অঙ্গনবাড়ী কেন্দ্ৰ বিলাক আছে, সেইখিনি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰক। মই ভাল পাইছো আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নতুনকৈ বনাব আৰম্ভ কৰিছে। মোৰ তাতো ২০-২২ টা কেন্দ্ৰ হৈছে। ভাল পাইছো। বহুখিনি অঙ্গনবাড়ী কৰ্মী, সহায়িকা পদ খালী হৈ আছে, সেইবিলাক খালী হৈ আছে কাৰণে সেই কেন্দ্ৰ বিলাক অচল হৈ পৰিছে। বিভাগক নিৰ্দেশ দিয়া বুলি কৈছে , কিন্তু আজিলৈকে কোনোধৰণৰ তেওঁলোকে ইন্টাৰভিউ পতা নাই, নিযুক্তিৰ ব্যৱস্থা কৰা নাই। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচা্ৰিছো যে যিবিলাক অঙ্গনবাড়ী কেন্দ্ৰ কৰ্মী সহায়িকাৰ পদ খালী হৈ আছে অনতি পলমে সেই পদখিনি পুৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে মই আকৌ এবাৰ কৈছো যে জৰাজীৰ্ণৰ ডেফিনেচনটো আমি কেনেকৈ ল'ম । এইটো ধৰক সদনতে ক'লো মই hypothetically এই উত্তৰটো বনালে আজিৰ পৰা ১০ দিন আগত, এই ১০ দিনৰ ভিতৰতো ভাঙি যাব পাৰে। গতিকে সম্পূৰ্ণ সংখ্যা এটা থাকিব নোৱাৰে। বেয়া আছে কাৰণে আমি নতুন বনাই আছো। সেইটো আমি অস্বীকাৰ কৰা নাই যে বেয়া বা জৰাজীৰ্ণ অঙ্গনবাড়ী কেন্দ্ৰ নাই বুলি আমি কোৱা নাই, আছে কাৰণেই বনাই আছো। আছে কাৰণে যোৱা পাঁচ বছৰত ১০,০০০ কেন্দ্ৰ বনালো। এই পাঁচ বছৰত মিনিমাম আৰু ১০,০০০ কেন্দ্ৰ বনোৱা হ'ব, ১৫০০০ ও হ'ব পাৰে। কিন্তু মই এইটোহে বুজাব খুজিছো যে জৰাজীৰ্ণৰ এটা সংখ্যা থাকিব নোৱাৰে কাৰণ আজিও এটা ভাঙি যাব পাৰে। গতিকে আজি এটা জৰাজীৰ্ণ হ'ল, কাইলৈ এটা ভাঙি যাব পাৰে কাইলৈ এটা জৰাজীৰ্ণ হ'ল। বেয়া হৈ আছে কাৰণেহে আমি নতুনকৈ বনাই আছো আৰু আমি বনাম আৰু সন্মানীয় সদস্য গৰাকীয়ে যিটো কৈছে যে তেখেতৰ সমষ্টিত বা অন্য কেইগাৰীমান সদস্যগৰাকী সকলেও কব বা মোৰ তাতো থাকিব য'ত খালী পদ আছে , সেইবিলাক আমি পুৰণ কৰিবলৈ নিশ্চয়কৈ যত্ন কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী জাকিৰ হুচেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুচেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই দুটা প্ৰশ্নৰ উত্তৰ দিলে । প্ৰশ্নত বহুখিনি কথা ক'লে । মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক সুধিব বিচাৰিছো যে সংহত শিশু উন্নয়ন প্ৰকল্প এটা সমষ্টিৰ ভিতৰত থাকিবলৈ লাগে বুলিও মন্ত্ৰী ডাঙৰীয়ানীয়েও কিছুদিন আগত উল্লেখ কৰিছিল। এতিয়া মোৰ প্ৰশ্ন হ'ল যে সমষ্টিৰ ভিতৰত সংহত শিশু উন্নয়ন প্ৰকল্প কেতিয়া কাৰ্য্যকৰী কৰিব কাৰণ এটা এটা সমষ্টিত দেখা গৈছে যে চাৰিটা পাঁচটা সংহত উন্নয়ন প্ৰকল্পৰ অধীনত আছে। গতিকে গোটেইখিনি লৈ সমষ্টিত ব্লক ভিত্তিত সংহত শিশু উন্নয়ন প্ৰকল্প কেতিয়া কৰিব আৰু তাৰ কি পৰ্য্যায়ত আছে এই কথাখিনি জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মই সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰ হৈ হে সন্মানীয় মন্ত্ৰী গৰাকীৰ উত্তৰ দিছো। সন্মানীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উপস্থাপন কৰিছে মই মন্ত্ৰী মহোদয়ক ক'ম যাতে সোনকালে ব্যৱস্থা কৰিব পাৰে।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী এ কে ৰশিদ আলম।

**শ্ৰী এ কে ৰশ্চিদ আলম, পুৱ গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক ICDS Project ত vigilance and monitoring কমিটি থাকে আৰু তাতে Chairman থাকে বিধায়ক । কিন্তু দেখা যায় যে ইয়াত সময়মতে মিটিং হ'ব লাগে। কিন্তু যোৱা পাঁচ বছৰত মই এটা মিটিং ও কিজানি কৰা নাই। প্ৰত্যেকজন বিধায়কে তাৰে চেয়াৰমেন। কিন্তু এইটো ৰেগুলাৰলি মিটিং কৰি থাকিব লাগে আৰু মোৰ সমষ্টিত এটা অঙ্গনবাড়ী কেন্দ্ৰ আছে ১৫১ জন্নতপুৰ ICDS অঙ্গনবাড়ী কেন্দ্ৰ। কিন্তু সেইটো গৰাখহনীয়াৰ ফলত এতিয়া সেইটো পুৰা জি পি ঘুৰি আছে, এক দিন এঠাইত আৰু এক দিন অন্য ঠাইত। গতিকে সেই চাৰ্ভে এৰিয়াৰ ভিতৰত ১৫১ জন্নতপুৰ অঙ্গনবাড়ী কেন্দ্ৰটো অতি সোনকালে কৰি দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা** মন্ত্ৰীঃ অধ্যক্ষ ডাঙৰীয়া দ্বিতীয়টো মই ধৰিব নোৱাৰিলো। প্ৰথমটো তেখেত চেয়াৰমেন, চেয়াৰমেনে মিটিং কল কৰে। অধ্যক্ষ ডাঙৰীয়া মিটিং কল কৰিব লাগে চেয়াৰমেনে। গতিকে আপুনি নিজে কল কৰিব পাৰিব মিটিংখন। আপুনি Member Secretary ক নিৰ্দেশ দিলেই হ'ল ........interruptions..........

**শ্ৰী আবুল কালাম ৰশিদ আলম, বিধায়ক, পূব গোৱালপাৰাঃ** আমাৰ কথা নামানে। মই সেইটোৰেই কৈ আছো যে বাধ্য কৰাব লাগে।

**মাননীয় অধ্যক্ষঃ** আপুনি Member Secretary ক direction দিব আৰু direction follow নকৰিলে DC ক জনাব।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ):** আপুনি Member Secretary ক meeting পাতিবলৈ অৰ্ডাৰ দিয়ক।

**শ্ৰী আবুল কালাম ৰশিদ আলম, পূব গোৱালপাৰাঃ** মই যিটো চেণ্টাৰৰ কথা ক'লো সেইটো erosion ৰ ফলত তাৰ পৰা নোহোৱা হ'ল কিন্তু সেই এলেকাত ঠাই আছে নাই বা ঘৰ ভাড়া কৰি .....interruption...

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ):** ঠিক আছে মই বিভাগক জনাম।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ২৪৭- বলিন চেতিয়া। তেখেত absent.

Next Question No. 248- Mazibur Rahman. Absent.

Next Question No. 249- Shri Sanjoy Kishan.

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ, ( মন্ত্ৰী, ভূমি সংৰক্ষণ):** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী সঞ্জয় কিষান, মাকুমঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। মই প্ৰথমে আপোনাৰ যোগেৰে কাৰ্বি ভাইসকলক আজি এই সুন্দৰ উপহাৰ আমাক দিয়াৰ বাবে অশেষ ধন্যবাদ দিছো । মাকুম বিধান সভা সমষ্টিৰ প্ৰায় ৭ টা গাওঁ পঞ্চায়তে গৰাখহনীয়াৰ কৱলত। মই সদনক জনাব বিচাৰিছো যে আমাৰ কেইবাখনো গাওঁ যেনে- ২ নং দৰ্জীগাওঁ ২০০৬ চনত নাইকিয়া হৈ গ'ল, ১৯৯২ চনত ১ নং বাদলপথাৰ গাওঁ, চুমিজান, কাইটীয়া গাওঁ আৰু ২ নং বাদলপথাৰগাওঁ ৰঙাজান নাইকিয়া হৈ গ'ল। আনহাতে, ৩ নং কৰ্দৈগুৰি গাঁৱত বৰ্তমানো ভয়াৱহভাৱে গৰাখহনীয়া হৈ আছে। খৰিজান, কলিয়াপানী, গৰমজান, এৰাসুতি, কয়লাপথাৰ আদি বহুত গাওঁ ইতিমধ্যে ডিব্ৰু নৈত জাহ গৈছে। এই গাওঁসমূহ ইতিমধ্যে নাইকিয়া হৈ গ'ল কিন্তু আকৌ ভয়াৱহভাৱে গৰাখহনীয়া হৈ আছে। আমি জানো যে এই গৰাখহনীয়াবোৰ যদি ৰক্ষা কৰিব লাগে তেন্তে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ইয়াত দুটা পুঁজিৰ ব্যৱস্থা কৰিব লাগে। মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব

বিচাৰিছো যে ইয়াৰ স্থায়ী সমাধানৰ বাবে ইয়াত পুঁজিৰ ব্যৱস্থা কৰিব নেকি? আমাক বহুত ঠাইত শ্লুইছ গেটৰ প্ৰয়োজন আছে। শ্লুইছ গেটসমূহ যদি দিয়া নহয় তেন্তে কেতিয়াবা হয়তো তিনিচুকীয়া চহৰত ভয়াৱহ পৰিস্থিতি হ'ব পাৰে। ডিব্ৰু নৈখন ইতিমধ্যে আহি আহি আছে। বহু ঠাইত পানী সোমাইছে। গতিকে মন্ত্ৰী মহোদয়ে শ্লুইছ গেটৰ ব্যৱস্থা কৰিব । গৰমজানত সম্পূৰ্ণভাৱে পানী সোমায়। তাত এটা high landৰ ব্যৱস্থা কৰিব নেকি যাতে পানী হ'লে মানুহখিনি তাত থাকি বাচিব পাৰে। আনহাতে, হাতীবাগত এটা মথাউৰি কৰা হৈছিল যিটো অসম্পূৰ্ণ হৈ আছে ফলত কেইবাখনো গাওঁত পানী প্ৰৱেশ হৈ আছে। এইকেইটা প্ৰশ্ন মই মন্ত্ৰী মহোদয়ৰ ওচৰত দাঙি ধৰিলো।

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ, মন্ত্ৰী, ভূমি সংৰক্ষণঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক সঞ্জয় কিষান ডাঙৰীয়াই গৰাখহনীয়াৰ ওপৰত যি প্ৰশ্ন কৰিছে, তেখেত যদিও মোৰ ওচৰত বহিছে প্ৰশ্নটো অলপ দূৰৰ ফালৰ। গৰাখহনীয়াৰ বিষয়টো Water Resource Department ৰ । তেখেতে যিহেতু শ্লুইছ গেটৰ কথা কৈছে এই বিষয়টোৱে ভূমি সংৰক্ষণ বিভাগক অলপ touch কৰে। মই তেখেতক আশ্বস্ত কৰিব বিচাৰিছো যে যিহেতু গৰাখহনীয়াই ব্যাপক ৰূপ ধৰিছে সেয়েহে আমাৰ বিভাগীয় যিজন Divisional Officer আছে তেখেতক অৱগত কৰিম। SDMF বুলি এটা পুঁজি আছে। সেইটো আমাৰ জিলা আয়ুক্তৰ চিফাৰিছ মৰ্মে আমাৰ ইয়াত যেতিয়া প্ৰপোজেল আহিব তেতিয়া আমাৰ Revenue Department ৰ পৰা আৱন্টন হ'লে আমি কৰাৰ সুযোগ লাভ কৰিম। আনহাতে, তেখেতে যিখিনি কথা কৈছে সেইখিনিৰ ক্ষেত্ৰত পুঁজি সাপেক্ষে আৱন্টনৰ ব্যৱস্থা কৰা হ'ব।

**মাননীত অধ্যক্ষঃ** ধন্যবাদ। পৰৱৰ্তী প্ৰশ্ন নং ২৫০। ধৰ্মেশ্বৰ ৰয়।

**শ্ৰী ধৰ্মেশ্বৰ ৰয়, (বজালী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই starred question আজিও এটা পালো। সেয়েহে আপোনাক ধন্যবাদ জনাইছো। ভূমি সংৰক্ষণ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মোৰ কিছু কথা জানিবলৈ আছে। বজালী

বিধান সভা সমষ্টিত ভূমি সংৰক্ষণ বিভাগৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে ? দ্বিতীয়তে, উক্ত আঁচনিসমূহৰ অনুমোদিত ব্যয়ৰ কাৰ্য্যকৰী সংস্থা, কোনে কোনে এই কামবোৰ কৰি আছে ইয়াৰ তথ্যখিনি মই জানিব বিচাৰিছো। তৃতীয়তে, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষ দুটাত বজালী বিধান সমষ্টিত সৰ্বমুঠ কিমান ধনৰাশি ভূমি সংৰক্ষণ বিভাগে আৱন্টন দিছে আৰু কোন কোন ঠাইত দিছে তাৰ বিষয়ে মই জানিব বিচাৰছো।

**মাননীয় অধ্যক্ষঃ** Minister Please.

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ, মন্ত্ৰী, ভূমি সংৰক্ষণঃ** অধ্যক্ষ মহোদয়, তেখেতে যিকেইটা প্ৰশ্ন কৰিছে তাৰ উত্তৰখিনি ইতিমধ্যে যথাযথভাৱে Annexure ত দিয়া হৈছে। বজালীত ইতিমধ্যে RIDF XXX-XXXI আৰু SOPD-G ৰ অধীনত প্ৰায় ৮ টা কাম চলি আছে। তাৰ এটা কামৰ আমি আৱন্টন দিব পৰা নাই । আৱন্টিত কামখিনি RIDF XXXত check dam আছে সেই কামৰ পৰা ৩০% কাম হৈছে। কিছুমানৰ ৮৫% কাম হৈছে। এটা কাম আমাৰ আৱন্টন হোৱা নাই সেইয়া আমি অহা দিনকেইটাত আৱন্টন কৰিম। বজালী জিলাত প্ৰায় ৫ কোটিতকৈও অধিক টকাৰ কাম ইতিমধ্যে চলি আছে আৰু কিছু কাম সম্পন্ন হৈছে। আমি এটা কাম আৱন্টন কৰিব পৰা নাই। দুই-এদিনৰ ভিতৰত কামটো আৱন্টন কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। কিবা supplementary আছে নেকি?

**শ্ৰী ধৰ্মেশ্বৰ ৰয়, (বজালী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ পঞ্চায়ত অঞ্চলটো এটা সময়ত সৰুক্ষেত্ৰী সমষ্টিত আছিল। তাত তুৰ্কুনিজান বুলি নদী এখন আছিল। অধ্যক্ষ মহোদয়, আপুনি জানে যে আজিলৈকে এই জানটোৰ দুয়োটা পাৰ মোটামুটি ১ কিঃমিঃ ঠাই উন্মুক্ত হৈ আছে। দুয়োটা পাৰৰ পশ্চিম ফালে ৬ খন গাওঁ আৰু পূৱফালে ৮ খন গাওঁ আছে। এই গাঁৱৰ ৰাইজে এতিয়াও দুৰ্ভোগ ভুগি আছে । বানপানী আহিলে এই বাৰিষাৰ সময়ত খেতি কৰিব নোৱাৰে যাৰ বাবে তাৰ মানুহে খেতি কৰাৰ পদ্ধতিয়েই সলনি কৰি লৈছে। তেওঁলোকে বাৰিষাৰ খেতি নকৰে, ইৰি খেতি কৰে। সেয়েহে মন্ত্ৰী মহোদয়ক

অনুৰোধ জনাম যে ভূমি সংৰক্ষণ বিভাগৰ জৰিয়তে বিহীত ব্যৱস্থা গ্ৰহণ কৰি এই তুৰ্কুৰিজানৰ দুয়োটা পাৰৰ মোটামুটি ১ কিঃমিঃ ঠাইৰ দুয়োটা ৰাস্তা বনালে ১৫ খন গাঁৱৰ কৃষক পৰিয়ালৰ মহৎ উপকাৰ হ'ব।

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ, মন্ত্ৰী, ভূমি সংৰক্ষণঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই মথাউৰি নিৰ্মাণ বা পথ নিৰ্মাণৰ যি কথা কৈছে সেইয়া ভূমি সংৰক্ষণ বিভাগৰ দ্বাৰা কৰা নহয়। আমাৰ ভূমি control, canal বনোৱা, শ্লুইছ গেট আদিৰ কাম কৰা হয়।

**মাননীয় অধ্যক্ষঃ** এইটো মথাউৰি নে ৰাস্তাৰ কথা কৈছে?

**শ্ৰী ধৰ্মেশ্বৰ ৰয়, (বজালী)ঃ** কৃষি বান্ধ ।

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ, মন্ত্ৰী, ভূমি সংৰক্ষণঃ** অধ্যক্ষ মহোদয়, তাত যদি water logging থাকে তেন্তে সেইখিনি উলিয়াই দিয়াৰ বাবে আমি ব্যৱস্থা কৰিম লগতে বান্ধ এটাৰ ব্যৱস্থা কৰিব পাৰিম। সেয়েহে বিধায়ক মহোদয়ে মোলৈ এখন চিঠি লিখি দিলে মই বিভাগক পঠাই দিম আৰু বিভাগৰ ফালৰ পৰা যথাযথ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** এইটো কৰাই দিব কাৰণ আগতেও এনেকুৱা এটা স্কীম দিছে। অলপ টকা খৰচ কৰি এইখিনি কৰিলে তাত ১৫ খন গাওঁ বাচি যাব।

পৰৱৰ্তী প্ৰশ্ন নং ২৫১-পুলক গোঁহাই। সময় কম, আপুনি সোনকালে প্ৰশ্নটো কৰক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী পুলক গোঁহাই, (তিনিচুকীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন ৰাখিছিলো তাৰ উত্তৰ মই পৱিত্ৰ সদনত পাইছো। মোৰ এটা অনুৰোধ যে আমাৰ চৰকাৰে সুন্দৰভাৱে ২৫ লাখ টকা ব্যয়ৰ সাপেক্ষে শিশুসকলৰ প্ৰাথমিক

শিক্ষা, মহিলাসকলৰ বাবে যি আদৰ্শ অংগনবাড়ী কেন্দ্ৰ, পূৰ্বতে অংগনবাড়ী কেন্দ্ৰ আছিল, এইবাৰ সঁচাকৈ আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছে। খুব সুন্দৰ সকলো ধৰণৰ প্ৰয়োজনীয়তা তাত পুৰণ কৰিছে । মই কেইবাটাও উদ্ধোধন কৰোতে দেখিছো  কিন্তু তাত এটা বস্তু কিছু বৈ যোৱা যেন অনুভৱ হয় কাৰণ তাৰ যিটো চাৰিসীমা, সেই চাৰিসীমাটো দিয়াৰ কোনো ব্যৱস্থা নথকাৰ কাৰণে গৰু-ছাগলী গৈ এইটো নষ্ট কৰি পেলায়। গতিকে ইয়াত provision টো নাই বুলি কৈছে। মই ভাবো, অন্ততঃ হাফ ৱাল দি কাটাতাৰৰ বেৰ যদি দিয়ে, ২৫ লাখ টকাৰে ব্যয় কৰা এই আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ কেইটা পৰিষ্কাৰ হৈ থাকিব, সুন্দৰ হৈ থাকিব য'ত শিশু সকল, গৰ্ভৱতী মহিলাসকল যায়, সেই পৰিৱেশটো লাগে৷ গতিকে মই এইটো অনুৰোধ জনাইছো।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী ):** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীয়ে ভাল এটা উপদেশ দিছে, কিন্তু অধ্যক্ষ ডাঙৰীয়া, ২৫ লাখ টকা দিয়াৰ পাছত পুঁজি অলপ কমি যায়, কিন্তু অধ্যক্ষ ডাঙৰীয়া গোলাঘাটত, বঙাইগাওঁত এই ২৫ লাখ টকা পুঁজিৰে এনেকৈ অঙ্গনবাড়ী কেন্দ্ৰ বনাই  ৱাল দিয়াৰ ব্যৱস্থা কৰিব পৰা গৈছে। গতিকে সন্মানীয় সদস্য গৰাকীয়ে সেই কথা কেনেকৈ গোলাঘাটত বনাইছে, কেনেকৈ বঙাইগাওঁত বনাইছে অলপ যদি খবৰ লয়, মইও তেনেকৈ কৰিবলৈ মোৰ সমষ্টিত চেষ্টা কৰিম। তাৰপৰা কামখিনি হৈ গৈছে গোলাঘাটত, বঙাইগাওঁত। সকলোৱে তাৰ কাৰণে চেষ্টা কৰিলে সুবিধা হয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা ):** চাৰ, Point of order.

**মাননীয় অধ্যক্ষঃ** Point of order কি আছিল কওঁকচোন ?

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা ):** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা লিখিত প্ৰশ্ন আছিল ৬৩৬ নম্বৰ। প্ৰশ্নটো আছিল বৰপেটাত বন সংৰক্ষণ আইন আৰু আনুসংগিক নিয়ম-নীতি।

**মাননীয় অধ্যক্ষঃ** আজিৰ নেকি?

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা ):** আজিৰ চাৰ।

**মাননীয় অধ্যক্ষঃ** কিমান নম্বৰৰ?

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা ):** মাননীয় অধ্যক্ষ মহোদয়, ৬৩৬ নম্বৰ৷

**মাননীয় অধ্যক্ষঃ** Unstarred নেকি?

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা ):** হয়, Unstarred. সেই সম্পৰ্কত মই ক'ব বিচাৰিছো । প্ৰশ্নটো হ'ল, বৰপেটাত বন সংৰক্ষণ আইন আৰু আনুসংগিক নিয়ম-নীতিৰ ফলত মৃৎ শিল্পী সকলে প্ৰয়োজনীয় কেঁচা মাটি সংগ্ৰহ কৰাত বহু সমস্যাৰ সন্মুখীন হৈছে। এই বিষয়ে চৰকাৰ জ্ঞাত নে ? ইয়াৰ উত্তৰ আহিছে, বৰপেটাত বন সংৰক্ষণ আইন আৰু আনুসংগিক নিয়ম-নীতি মৃৎ শিল্পী সকলে প্ৰয়োজনীয় কেঁচা মাটি সংগ্ৰহ কৰাত কোনো সমস্যাৰ সন্মুখীন হোৱা নাই বুলি বৰ্তমানলৈকে কোনো মৃৎ শিল্পীয়ে বিভাগক জনোৱা নাই । মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা আমাৰ সুন্দৰীদিয়া সত্ৰৰ মূল কথাটো হ'ল, মৃৎ শিল্পীয়ে সৃষ্টি কৰা যি আমাৰ বাচন-বৰ্তন, সেই বৰ্তনেৰে সত্ৰৰ কাৰ্য্যপৰিচালনা চলে। সুন্দৰীদিয়া সত্ৰৰ পৰা মোক এইটো দিছে। আমাৰ মৃৎ শিল্পীসকলে মাটি আহৰণ কৰে দুপৰ বিলৰ পৰা। দুপৰ বিলৰ under the captivity of forest.

**মাননীয় অধ্যক্ষঃ** এইটো আপোনাৰ point of order নহয়। Point of order কেতিয়া হ'ব , আপুনি এইটো চাই ল'ব, যদি কিবা ভুল reply দিলেহেঁতেন, তেতিয়া point of order হয়।

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা ):** অলপ ভুল আছে এইটো চাৰ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপুনি লিখিত ৰূপত দি দিব।

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা ):** চাৰ, এইটো মই ইতিমধ্যে complain দিছো বন বিভাগক। দিয়া নাই বুলি কৈছে।

**মাননীয় অধ্যক্ষঃ** আমাৰ সচিবলৈ দি দিব। Point of order নেকি ?

**শ্ৰী পৃথ্বীৰাজ ৰাভা, (তেজপুৰ ):** মাননীয় অধ্যক্ষ মহোদয়, Point of order নহয়।

**माननीय अध्यक्षः** নালাগে। Please please. বহকচোন মই কৈ আছো। কাৰ্য্যসূচী নম্বৰ-২। কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচলনাৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিৱেশন ২০২৬ ত বিবেচনা পাৰিত কৰণৰ বাবে নিৰ্বাচন কৰিবলগীয়া বিধেয়ক সন্দৰ্ভত আৰু ৰাজ্যৰ বান পৰিস্থিতিৰ সম্পৰ্কত আলোচনা কৰিবলৈ যোৱা ২৭ জুলাই, ২০২৬ তাৰিখে সদনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে মোৰ কাৰ্য্যালয়ৰ সন্মীলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সমিতিয়ে বিধায়ক সকলক বানাগ্ৰাস্থ অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত সকলক সহায়-সহযোগিতা আগবঢ়োৱাৰ স্বাৰ্থত চলিত অধিৱেশনৰ কাৰ্য্যকাল চমুৱাই আনি ২৯ জুলাই, ২০২৬ তাৰিখে সমাপ্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে অসম ৰাজ্যিক উচ্চশিক্ষা পৰিষদ বিধেয়ক ২০২৬ খন ২৯ জুলাই, ২০২৬ তাৰিখে বিবেচনা লোৱাৰ  বাবে সিদ্ধান্ত গ্ৰহণ কৰে লগতে প্ৰচলিত নিয়ম কিছু শিথিল কৰি বিধেয়কখনৰ ওপৰত দিবলগীয়া সংশোধনী সমূহ আজি ২৮ জুলাই, ২০২৬ ৰাতি ১২ বজাৰ আগে আগে দাখিল কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনৰ অনুমোদন আছে আৰু লগতে আমি জনাবলৈ বিচাৰিছো আমি কাৰ্য্য উপদেষ্টা সমিতিৰ সভাত যিহেতু সিদ্ধান্ত লৈছো, যে বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত সকলক সহায়-সহযোগ কৰাৰ কাৰণে। সেই  কাৰণে মই বিধান সভাৰ অধ্যক্ষ হিচাপে আৰু লগতে আমাৰ উপাধ্যক্ষ ডাঃ হাব্ৰে টেৰণ ডাঙৰীয়াই আমি এমাহৰ এমাহৰ আমাৰ যি দৰমহা, সেই দৰমাহ মুখ্যমন্ত্ৰী সাহাৰ্য্য পূঁজিত দান কৰিম আৰু লগতে আমাৰ বিধান সভাৰ  সচিবালয়ৰ যিমানবোৰ আমাৰ বিষয়া-কৰ্মচাৰী আছে, তেওঁলোকৰ এদিনৰ দৰমহা বানাক্ৰান্ত সকলৰ কাৰণে আগবঢ়াব। এতিয়া শূণ্যকালীন ঘণ্টা। শূণ্যকালীন ঘণ্টাত আমি যোৱাকালি যিটো কৰিলো, যোৱাকালি আমি ৮ টা শূণ্যকালীন ঘণ্টা আনিবলৈ সক্ষম হৈছিলো। কিন্তু পূৰ্বৰ পৰম্পৰামতে তিনিটা

আছিল। মোৰ এইবাৰ মনত ইচ্ছা আছে আজিও যিহেতু ৮ টা আছে। গতিকে ৮ টাই যিহেতু গুৰুত্বপূৰ্ণ বিষয় আছে।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী ):** মাননীয় অধ্যক্ষ ডাঙৰীয়া, দলৰ ফালৰ পৰা কৈছো, বহুতেই ইতিমধ্যে দিছেই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক নিজৰ এমাহৰ এমাহৰ দৰমহা দিছে। তথাপিতো আমি সমূহীয়াভাবে আমি সকলোৱে দিম বুলি সিদ্ধান্ত ললো। সকলো বিধায়কে আমাৰ ফালৰ পৰা৷

**মাননীয় অধ্যক্ষঃ** আপোনালোকে ক'ব পাৰে৷ ঠিক আছে আলোচনা কৰি ল'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( মন্দিয়া )** মাননীয় অধ্যক্ষ মহোদয়, মই TMC দলৰ পৰা আমাৰ একমাহৰ দৰমহা দিম বুলি ঘোষণা কৰিলো।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, ( বিৰোধী দলৰ দলপতি ) :** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে তাত গৈ আহিছো। কিবা এটা লৈয়ো গৈছিলো, তথাপিও যিহেতু বিধান সভাৰ অন্যান্য সদস্য সকলে এমাহৰ দৰমহা দিব বিচাৰিছে, গতিকে আমি কংগ্ৰেছ দলৰ ফালৰ পৰাও আমি এমাহৰ দৰমহা দিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এনেকুৱা হ'ব লাগে। এনেকুৱা হ'লে ভালো লাগে কাৰণ কিয় যোৱাকালি কাৰ্য্যউপদেষ্টা সমিতিত আমি এইটো আলোচনা কৰা নাছিলো। কিন্তু আমি কৈছিলো যে সহায়-সহযোগিতা কৰাৰ ক্ষেত্ৰত।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ পৰা আমাৰ আজমল চাহাবে ইতিমধ্যে আমাৰ যিমানকেইজন বিধায়কে দিছে, গোটেইখিনি মিলি যিখিনি হ'ব তাতৈক double দিছে । ধন্যবাদ জনাইছো তেখেতক । ভাল পাইছো আমি আৰু যিসকলে ১ মাহৰ দিছে, মোৰ অনুৰোধ থাকিল যে অলপ বঢ়াই দিলে আৰু ভাল হ'লহেঁতেন।

**মাননীয় অধ্যক্ষঃ** নালাগে।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁঃ** মই চাৰ ২ লাখ টকা দিম। মোৰ দলৰ তৰফৰ পৰা মই এমাহৰ দৰমহাৰ লগত ২ লাখ টকা দিম।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী ):** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি এইটো ক'ব খোজা নাছিলো৷ সন্মানীয় বিধায়ক শ্ৰী মজিবুৰ

ৰহমান ডাঙৰীয়াই ক'লে যেতিয়া আমিও ক'বলৈ ওলালো। আমি অহাকালি প্ৰায় ১ লাখ ৭০ হাজাৰ খন চাদৰ-মেখেলা, ১ লাখ ৭০ হাজাৰ টি-চাৰ্ট আৰু প্ৰায় দেৰ লাখ আঠুৰা মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১২ কোটি টকা আমাৰ দলৰ কাৰ্য্যকৰ্তা সকলৰ পৰা তুলি দিয়াৰ ব্যৱস্থা কৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া , মই ভাবো যে এইটো আৰু অলপ বাঢ়িব। কাৰণ এইখিনি সময়ত আঠুৰাৰ কথা নাছিল, প্ৰায় ১৫-১৬ কোটি হ'বগৈ । অহাকালি ৪ টা বজাত আমাৰ ৰাজ্যিক কাৰ্য্যালয়ৰ পৰা শিৱসাগৰ চৰাইদেউ আৰু যোৰহাটৰ দিশে আমাৰ এই সামগ্ৰীখিনি ৰাওণা হ'ব।

**শ্ৰী পৃথ্বীৰাজ ৰাভা, তেজপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম গণ পৰিষদৰ ফালৰ পৰা যিসকল আমাৰ ইয়াত সন্মানীয় বিধায়ক আছে, তেখেত সকলে ১ মাহৰ দৰমহা দিয়া হৈছে। অহাকালি আমাৰ এটি সজাতি দল তালৈ যাব আৰু এই প্ৰসংগত মই এটা কথা ক'ব খুজিছো আমাৰ এই বিধান সভাত যিসকল বানপীড়িত দুৰ্ঘটনাত মৃত্যুবৰণ কৰিলে, সেই মৃত্যু বৰণ কৰা সকলো লোকলৈ আমি শোকপ্ৰস্তাৱ ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এইটো মই আলোচনা কৰি ল'ম।

**শ্ৰী থানেশ্বৰ বসুমতাৰী, মানসঃ** আমাৰ NDA হিচাপে তেওঁ কোৱাৰ পিছত আমি নকওঁ বুলি ভাবিছিলো, সকলোৱে ক'লে যেতিয়া আমাৰ বি. পি. এফ দলৰ পৰা আমাৰ একেই সিদ্ধান্ত থাকিব।

**মাননীয় অধ্যক্ষঃ** একে ধৰণৰ।

**শ্ৰীথানেশ্বৰ বসুমতাৰী, ( মানস ):** ১ মাহৰ দৰমহা।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। সুন্দৰ। মই অধ্যক্ষ হিচাপে সকলো বিধায়কক ধন্যবাদ জনাইছো কাৰণ যোৱাকালি এই বিষয়টোৱে আলোচনা কৰাৰ কাৰণে আমাৰ সংসদীয়া পৰিক্ৰমা মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াও আছিল । আমাক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আহ্বান জনাইছিল যে, বিধান সভাখন চমুৱাই আনি বিধায়ক সকল তাতে যাব লাগে। সেই কাৰণে কালি কাৰ্য উপদেষ্টা সমিতিৰ সভাত আমি আলোচনা কৰিছিলো তালৈ যোৱাৰ কাৰণে কিন্তু আমি সহায়-সহযোগিতাৰ কথা কৈছিলো। আজি মই যি আপোনালোকক আহ্বান

জনালো আপোনালোক সকলোৱে সহাৰি দিয়াৰ কাৰণে মই আপোনালোকক হৃদয়ৰ পৰা বহুত বহুত ধন্যবাদ জনাইছো। এতিয়া শূণ্যকালীন ঘণ্টা। যিহেতু আজিও আমাৰ ৮ টা আছে, আমি আলোচনা কৰিম। কিন্তু Condition হৈছে যোৱাকালিৰ দৰে, কাৰণ ৮ টা যিহেতু আছে, ৮ তিনিগুন ২৪ তিনি মিনিট, তিনি মিনিট। ৰিপ্লাইটোত যদি ২৪ মিনিট যায়। আৰু ২-১ মিনিট সময় থাকে। গতিকে আমি এঘন্টাৰ ভিতৰত শেষ কৰিব পাৰিম। মই তিনি মিনিট তিনি মিনিটকৈ ক'বলৈ দিয়াৰ প্ৰচেষ্টা কৰিছো। ইয়াত আপোনালোকৰ সন্মতি আছে নে?

(সদনত উপস্থিত মাননীয় সদস্যসকলে মাননীয় অধ্যক্ষ মহোদয়ৰ বক্তব্যত সন্মতি প্ৰকাশ কৰে)

তেতিয়াহ'লে আমি সকলোখিনি আলোচনা কৰিব পাৰিম। আপোনালোকে তিনি মিনিটকৈ ক'ব আৰু আমি প্ৰথম তিনিটা বক্তব্য বানপানীৰ কাৰণে ৰাখিছো। এই তিনিটা বক্তব্যৰ ৰিপ্লাই একেলগে আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে দিব। সেই তিনিটাৰ এটা হৈছে – 'কমিছে পানী কমা নাই বন্যাৰ্তৰ যন্ত্ৰণা', দ্বিতীয়টো 'পলসৰ পৰা এটা এটা কৈ ওলাইছে নিৰ্জীৱ দেহ' আৰু 'মুখ্যমন্ত্ৰী ড°শৰ্মাই ক'লে বানত এতিয়ালৈকে ৬৬ গৰাকীয়ে হেৰুৱালে প্ৰাণ'। এই তিনিটা বিষয়ৰে মাননীয় মন্ত্ৰী মহোদয়ে সাৰাংশ হিচাপে উত্তৰখিনি দিব। গতিকে এতিয়া মই তিনি মিনিটৰ ভিতৰত মাননীয় বিধায়ক শ্ৰী মজিবুৰ ৰহমান ডাঙৰীয়াক 'দৈনিক গণ অধিকাৰ' বাতৰি কাকতত প্ৰকাশিত 'কমিছে পানী, কমা নাই বন্যাৰ্তৰ যন্ত্ৰণা, সন্দৰ্ভত ক'বলৈ অনুৰোধ জনাইছো।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁ:** মাননীয় অধ্যক্ষ মহোদয়, সকলোকে যিহেতু দিব লগীয়া আছে তিনি মিনিট ঠিকে দিছে। কিন্তু মোক অলপ সময় বঢ়াই দিব।

**মাননীয় অধ্যক্ষঃ** তেতিয়াহ'লে ৮ টা নহ'ব। মই এইটো আগতেই কৈ লৈছো।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁ:** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে অসমৰ মাত্ৰ এইখন বাতৰি কাকত নহয়, যিসমূহ বাতৰি কাকতৰ largest publication হয়, জি বি পেপাৰ পত্ৰিকাত অসমৰ যিটো বান পৰিস্থিতি, আমিও ৫০ ৰ দেওনা পাৰ কৰিলো কিন্তু ইমান ডাঙৰ ভয়াবহ বানপানী মই জীৱনত দেখা নাই। গোৱালপাৰাৰ জিলাৰ বলবলাত এবাৰ দেখা পাইছিলো আৰু এতিয়া উজনি অসমত বানপানীৰ এনেকুৱা বিভীষিকা যিটো ভাবিবই নোৱাৰি । আচলতে আমাৰ এই বানপানী এটা natural calamities. এই natural calamities আমি কেনেকৈ protect কৰিম, কেনেকৈ আমি ইয়াৰ প্ৰতিকাৰ কৰিম, এইবোৰ বিচাৰিবলৈ আমাৰ বিভিন্ন বিভাগ আছে, বিষয়া সকল আছে । মই এইক্ষেত্ৰত ক'ব খুজিছো যে দূৰ্য্যোগ ব্যৱস্থাপনাৰ কৰ'বাত নহয় কৰ'বাত ভুল আছে , যাৰকাৰণে আজি এই বানৰ মোকাবিলা আমি কৰিব পৰা নাই । দূৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনত NDRF, SDRF থাকে । মই দেখা পাইছো জিলা সমূহত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। ডি.চি সকলক এই Disater Management ৰ মোকাবিলা কৰাৰ কাৰণে কোটি কোটি টকা চৰকাৰে দিয়ে আৰু খৰচ কৰা হয়। কিন্তু এতিয়া সেই তিনিখন জিলাত Disaster Management ৰ যিসকল বিষয়া আছে তেখেতসকলে কি কাম কৰিছে যে এই বানৰ মোকাবিলা কৰিব নোৱাৰে। মানুহ ঘৰৰ চালৰ ওপৰত আছে। উদ্ধাৰ কৰিবৰ কাৰণে নাওঁ নাই , একো নাই। মানুহ কি অৱস্থাত পৰিছে । যদি কোনোবাই উজনি অসমলৈ গৈছে তাৰ পৰিস্থিতি দেখিলে সকলোৰে চকুলো ওলাব। গতিকে এই পৰিস্থিতিত মই ভাবো যে অসম চৰকাৰৰ নিশ্চয় কৰ'বাত নহয় কৰ'বাত ভুল আছে। যি ভুলৰ কাৰণে এই বানপানীক আমি প্ৰতিৰোধ কৰিবৰ কাৰণে ব্যৱস্থা নাই। যোৱাবাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বহুত চেষ্টা কৰিছে, বহুত মিনিমাইজ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, Disaster Management ৰ অধীনত NDRF, SDRF আছে । উপায়ুক্ত সকলে কি ব্যৱস্থা অৱলম্বন কৰিছিল যে এনেকুৱা পৰিস্থিতি হ'লে কি দৰে প্ৰতিৰোধ কৰিব। এই কথাখিনি লৈ মাননীয় বদৰ উদ্দিন আজমল চাহাবৰ নামটো নিজে নিজে আহি যায়। ২০০৬ চনত বিধান সভাত

যেতিয়া তেখেত বিধায়ক আছিল আৰু সংসদত থকা ১৫ বছৰত কমেও ১০ বাৰ এই কথাটো তেখেতে উপস্থাপন কৰিছিল যে অসমৰ ডাঙৰ সমস্যা হৈছে বানপানীৰ সমস্যা আৰু এই বানপানীৰ সমস্যা দূৰ কৰিবৰ কাৰণে বানপানী এটা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে আৰু ইয়াৰ মোকাবিলা কৰিবৰ কাৰণে প্ৰত্যেক বছৰে ৫-১০ হাজাৰ কোটি টকা  নৰ্থ-ইষ্টৰ কাৰণে বিশেষকৈ অসমৰ কাৰণে ঘোষণা কৰিব লাগে। তেতিয়া দিল্লীত কংগ্ৰেছৰ চৰকাৰ আছিল, অসমতো কংগ্ৰেছৰ চৰকাৰ আছিল। কোনেও নুশুনিলে। তাৰপিছত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ আহিল, তেখেতসকলেও কিন্তু নুশুনিলে । গতিকে দুয়োখন চৰকাৰে ইয়াৰ বাবে জগৰীয়া। আজি প্ৰায় ৭০ গৰাকী মানুহৰ জীৱন শেষ হৈ গ'ল। পৰিয়াল ধ্বংস হৈ গ'ল। এতিয়া পানী শুকাই আছে , মাননীয় মুখ্যমন্ত্ৰী মহোদয় তাত আছে, মাননীয় বদৰ উদ্দিন আজমল ছাৰ তাত আছে। বহু সংগঠন গৈছে, উপকাৰ কৰিছে। আমি  সকলোৱে মিলি তাত কাম কৰিব লাগিব । কিন্তু চৰকাৰক সমালোচনা নকৰিলে নহ'ব । চৰকাৰৰ ভুলখিনি আঙুলিয়াই দিয়াৰ কাৰণে আমি legislator সকল আছো যাতে পিছত  শিৱসাগৰ, নাজিৰাৰ দৰে বিভীষিকাময় পৰিস্থিতি  অসমৰ কতো সৃষ্টি নহয়, ইয়াৰ কাৰণে চৰকাৰে সদায় সজাগতা অৱলম্বন কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আমি এইবাৰ এটা বস্তু লক্ষ্য কৰিছো যে অসমৰ এই বানপীড়িত লোকসকলৰ কাৰণে যিসকল ব্যক্তি আগুৱাই গৈছে তেখেতসকলক আমি অন্তৰৰ পৰা ধন্যবাদ দিব লাগিব। তাৰলগতে মই বদৰ উদ্দিন আজমল চাহাব যিগৰাকী ব্যক্তি উজনি অসমলৈ গ'লে কিবা কিবি কথা কৈ থাকে, সেই গৰাকী মানুহে এইবাৰ উজনি অসমলৈ যোৱাৰ কাৰণে আৰু তেখেতে যি মানৱীয়তা দেখুৱাইছে অসমত সেইটো এক নজিৰ। গতিকে মই দলীয় সদস্য হিচাপে নহয়, এগৰাকী বিধায়ক হিচাপে আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছো। আমি  সকলোৱে যদি কৃপনালী নকৰি ধন্যবাদ জ্ঞাপন কৰো তেতিয়াহ'লে মই ভাবো অহা দিনত আৰু ইয়াতকৈ বেছি কাম কৰাৰ বাবে অন্তৰত সাহস পাব। গতিকে আগন্তুক দিনত যাতে এনেকুৱা বিভীষিকাময় পৰিৱেশৰ  সৃষ্টি নহয় লগতে সেই বানপীড়িত

লোকসকলক উদ্ধাৰ কৰি পুনৰ সংস্থাপন কৰাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো । প্ৰয়োজন হ'ল কেন্দ্ৰীয় চৰকাৰৰ পৰা কেইবা কোটি হাজাৰ টকা financial assistance package আনি সেই মানুহখিনিক ৰিভাইভ কৰি ঘৰ-সংসাৰ পতাৰ ব্যৱস্থা কৰি দিব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া মই মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক 'আমাৰ অসম' বাতৰি কাকতত প্ৰকাশিত 'পলসৰ পৰা এটা এটা কৈ ওলাইছে নিৰ্জীৱ দেহ' এই বিষয়টো উত্থাপন কৰিবলৈ আহ্বান জনালো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰাৰ সুযোগ দিয়াৰ কাৰণে আপোনাক মই আন্তৰিক ধন্যবাদ জনাইছো । গোটেই সদনে উপলব্ধি কৰিব যে এই বাতৰিৰ 'পলসৰ পৰা এটা এটা কৈ ওলাইছে নিৰ্জীৱ দেহ' শিৰোনামাটো অন্তৰ-আত্মা কপি যোৱা শিৰোনামা । যোৱা ১৯ জুলাই, ২০২৬ তাৰিখে কোনেও নভবা-নিচিন্তাকৈ পৰিয়ালৰ লগত শুই আছিল। কিন্তু হঠাৎ ৰাতিপুৱাৰ বৰষুনত হো-হো কৈ ঘৰৰ ভিতৰলৈ পানী সোমাই আহিল । উজনি অসমৰ বেছিভাগ মানুহেই আঢ্যবন্ত আৰু বিল্ডিং থকা মানুহ। শিৱসাগৰ নগৰকে ধৰি বিভিন্ন নগৰসমূহত ৰাতিপুৱা ১১ মান বজাৰ ভিতৰত ১০,১৫ আৰু ২০ ফুট ওপৰেৰে পানী বৈ গৈছিল । এইয়া সামান্য দূৰ্য্যোগ নাছিল, এইয়া চুনামী যেন পৰিৱেশ আছিল । প্ৰত্যক্ষদৰ্শীয়ে কোৱামতে বহু পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানক লৈ ঘৰৰ পৰা ওলাই ক'ত যাব তাৰ উৱাদিহ নাপালে । কিছুমানে নিজৰ সন্তানক লৈ কোনোমতে নিজৰ প্ৰাণ বচাবলৈ ঘৰৰ চালত উঠিলে। ঘৰৰ পৰিয়ালৰ কোন কেনেকৈ হেৰাই গ'ল তাৰ উৱাদিহ নাপালে। এই অৱস্থা কেইবাদিনো থাকিল। কিছুমান সাহসী যুৱক উদ্ধাৰ কৰিবলৈ ওলাই আহিল যদিও তাত নাওঁ নাই, একো নাই বাবে সাতুৰি-সাতুৰি উদ্ধাৰ কৰি আছিল। তেনেকৈ উদ্ধাৰ কৰিবলৈ যোৱা এজন ল'ৰাও মৃত্যুমুখত পৰিবলগীয়া হ'ল। কিন্তু আটাইতকৈ দূৰ্ভাগ্যজনক কথা হ'ল যে এই দূৰ্য্যোগে গোটেই অসমবাসীৰ অন্তৰ-আত্মাক কন্দুৱাই পেলাইছে,

গোটেই অসমবাসী শিয়ৰি উঠিছে। বিশেষকৈ আমাৰ উজনিৰ ভাই সকলে যি কেতিয়াও এনেকুৱা দূৰ্য্যোগৰ সন্মূখীন হ'বলগীয়া হোৱা নাই , কিন্তু আমাৰ নামনি অসমত সদায় .বানপানী হৈ থাকে বাবে তেওঁলোক অভ্যস্ত। আজি ৯ দিন ধৰি তেওঁলোক ককবকাই আছে। পানী অলপ কমিছে যদিও কোটি টকীয়া বিল্ডিঙৰ ভিতৰত এতিয়াও দুই-তিনি ফুট পলস পৰি আছে আৰু গোটেই কাপোৰ-কানিবোৰো বোকাত পোট গৈছে। আটাইতকৈ দুৰ্ভাগ্যজনক কথা হ'ল যে আজি ৯ দিন পিছতো আমাৰ ৰাজ্য চৰকাৰে যিখিনি ব্যৱস্থা ল'বা লাগিছিল সেইখিনি ব্যৱস্থা ল'ব পৰা নাই। এতিয়া SDRF, NDRF ক'ত আছে ? তেওঁলোকৰ কামেই হ'ল দূৰ্য্যোগৰ সময়ত মোকাবিলা কৰা response team. আমি দেখা পাওঁ যে SDRF ৰ প্ৰতিখন মিটিঙত কোটি কোটি টকা প্ৰশিক্ষণৰ নামত খৰচ কৰে আৰু কোটি কোটি টকা আমাৰ বি ডি অ' আৰু বিষয়াসকলক সাতোৰ শিকোৱাৰ নামত খৰচ হয়। এতিয়া সেই বিষয়াসকল ক'ত গ'ল ? আমাৰ এই কোটি কোটি টকা কিয় পানীত পৰিল ? মই আপোনাৰ জৰিয়তে আহ্বান জনাওঁ যে এই টীমটোৰ ওপৰত, ইয়াৰ functioning ৰ ওপৰত are they really to mitigate the Disaster or they are just psychonic out the money in amounting to crore of rupees এইটোৰ ওপৰত এটা তদন্ত হ'ব লাগে। এই দূৰ্য্যোগৰ আজি ৯ দিন পাৰ হৈ গ'ল, প্ৰথম দুদিনৰ ভিতৰত গোটেই পাৰ্টী, চৰকাৰ জপিয়াই পৰিব লাগিছল। অন্তত ১০ হেজাৰ কোটি টকাৰ এটা Grant ঘোষণা কৰিব লাগিছিল। আমাৰ প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়া যাৰ অন্তৰ খন অসমৰ প্ৰতি থকা মৰমেৰে উথলি উঠে বুলি শুনা পাওঁ। লগতে অমিত শ্বাহ ডাঙৰীয়া কিন্তু এতিয়ালৈকে তেওঁলোকৰ মুখেৰে মাত এষাৰিও নোলাল। Are we human being ? আমি মানুহে মানুহৰ দুখৰ সময়ত যদি ঠিয় নহওঁ, আমি অকল ৰাজনীতি কৰিলে হ'ব নেকি। য'ত আজি মানুহ এনেকুৱা বিপদত আছে। মই অনুৰোধ কৰিম যে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে এই বানপিড়ীত সকলৰ বাবে অন্তত ১০ হেজাৰ কোটি টকা ঘোষণা কৰক। এতিয়া সাহায্য পাইছে যদিও মানুহৰ ঘৰত থকা বোকা পানীৰ পলস বোৰ অতি সোনকালে আঁতৰাব লাগে।

এই মানুহ বিলাকৰ আঠুৱাৰ প্ৰয়োজন, চিকিৎসাৰ প্ৰয়োজন আছে । বিভিন্ন মানৱদৰদী মানুহে সাহায্য দি আছে । But, what we the Government are doing? মই দুটা প্ৰস্তাৱ কৰিব বিচাৰিছো। প্ৰথমতে, অতি সোনকালে ১০ হেজাৰ কোটি টকাৰ এটা সাহায্য ঘোষণা কৰিব লাগে । দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ নেতৃত্বত আমাৰ বিধান সভাৰ পৰা এটা দল সেই মানুহ খিনিৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিবলৈ আৰু তেওঁলোকৰ অৱস্থাৰ বুজ লবলৈ যোৱাৰ কাৰণে এটা প্ৰস্তাৱ ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই, মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰক 'অসমীয়া প্ৰতিদিন' বাতৰি কাকতত প্ৰকাশিত "মুখ্যমন্ত্ৰী ড° শৰ্মাই ক'লে – বানত এতিয়ালৈকে ৬৬ গৰাকীয়ে হেৰুৱালে প্ৰাণ" এই সন্দৰ্ভত দৃষ্টি আকৰ্ষণ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ**, **পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসমীয়া প্ৰতিদিন' কাকতত যোৱা ২৭ জুলাই তাৰিখে প্ৰকাশিত "মুখ্যমন্ত্ৰী ড° শৰ্মাই ক'লে – বানত এতিয়ালৈকে ৬৬ গৰাকীয়ে হেৰুৱালে প্ৰাণ" এই শীৰ্ষক বাতৰিটো উপস্থাপন কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। ইতিমধ্যে আমাৰ দুজন বক্তাই একে বিষয়তে ভাষণ ৰাখিলে । বৰ্তমান উজনি অসমৰ জিলাকেইখনৰ যি প্ৰলয়ংকাৰী বান মহা দুৰ্যোগ তাৰ বিষয়ে আমি অকল অসম বা ভাৰতে নহয় সমগ্ৰ বিশ্বই দেখা পাইছে । আৰু তাৰ বাবে বিভিন্ন চৰকাৰী,বে-চৰকাৰী দল সংগঠনেও উদ্ধাৰ কাৰ্য্যত লাগি গৈছে। উজনি অসমৰ জিলা কেইখনে এনেকুৱা বান যোৱা ১০০ বছৰতো দেখা নাছিল বুলি বহুতে কৈছে। তাত কেনেকুৱা ধংস লীলা সেইটো বৰ্ণনা কৰিও শেষ কৰিব নোৱাৰি। এই ক্ষেত্ৰত আমাৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য আছে । অসমৰ প্ৰতিটো ৰাজনৈতিক দল,প্ৰতিজন সচেতন ব্যক্তিৰ দায়িত্ব আৰু কৰ্তব্য আছে। এই মহাবিপদৰ পৰা মানুহখিনিক আমি কেনেকৈ ৰক্ষা কৰিব পাৰো, এই মহাদুৰ্যোগৰ সময়ত মানুহখিনিক কেনেকৈ আমি সহায়ৰ হাত আগবঢ়াব পাৰো, তাৰ কথাবিলাক আমি পাতিব লাগিব। অলপ আগতে আপোনাৰ এটা আহ্বানত

বিধান সভাৰ সকলো সদস্যই একে মুখে দৰমহা দিয়াৰ কথা মানি লৈছে, এইটোত আমি সুখী হৈছো । মইও বিধায়ক হিচাপে মোৰ সমষ্টিৰ পৰা এটা প্ৰতিনিধি দল যোৱা কালি পঠাইছিলো উজনি তিনিওখন জিলালৈ আৰু সামৰ্থ অনুযায়ী যিখিনি পাৰে সহায় কৰিছে । অসমৰ সেই তিনিওখন জিলা আৰু কেইখন মান জিলাত ও বানপানী হৈছে। যিসমূহ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে সেই প্ৰতিটো পৰিয়াললৈ ধনী-দুখীয়া নিৰ্বিশেষে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এটা পেকেজ ঘোষণা কৰি প্ৰতিটো পৰিয়াললৈ এককালীন সাহায্য দিব লাগে। আমি ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি দল অহাটো গম পাইছো আৰু তেওঁলোকে জৰীপ কৰিছে আৰু তেওঁলোকে প্ৰতিবেদন দাখিল কৰিব । আৰু তাৰ পিছত কেতিয়া পুঁজি আহে সেইটো নাজানো । কেন্দ্ৰীয় চৰকাৰৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়ৰ পৰা আৰম্ভ কৰি, গৃহমন্ত্ৰী ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী সভাৰ যি সকল মন্ত্ৰী আছে, তেওঁলোকৰ কোনো এজন আহাটো অসমে বিচাৰে, আমিও বিচাৰো কাৰণ তেওঁলোকে স্বচক্ষে দেখি যাওক। কাৰণ কথাবিলাক কাগজে পত্ৰই দেখাতকৈ বাস্তৱত দেখিলে ভাল। কাৰণ নিজে নেদেখিলে উজনিৰ মহাক্ষতিৰ বিষয়ে অন্তৰেৰে অনুভৱ কৰিব নোৱাৰিব । সেয়েহে মই অনুৰোধ জনাইছো যে কেন্দ্ৰীয় মন্ত্ৰীসভা, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আহিলে আমি যথেষ্ট সুখী হ'ম, যদি তেওঁলোক নাহে কোনোবা এজন মন্ত্ৰী আমাৰ উজনি অসমৰ জিলা কেইখনলৈ পঠিয়াব লাগে । ৰাজ্য চৰকাৰে ইতিমধ্যে বিভিন্ন কথা ঘোষণা কৰিছে এই বিলাক লৈ আমি ৰাজনীতি নকৰো। মই বিধায়ক হোৱাৰ পৰাই অসমৰ বানপানীৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ কৈছিলো। গতিকে অসমে আকৌ চিন্তা কৰিব লাগে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই আকৌ চিন্তা কৰিব লাগে। অধ্যক্ষ ডাঙৰীয়া, আপুনি আকৌ চিন্তা কৰি আমি সকলো বিধান সভা একত্ৰিত হৈ অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্য ঘোষণা কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈ ৰাজ্য চৰকাৰে উদ্যোগ লব লাগে, তাৰ কাৰণে আমি অনুৰোধ জনাইছো । আজিৰ তৰিখত উজনি অসমত যি বান পৰিস্থিতি হৈছে, মূল্যবৃদ্ধি ও যথেষ্ঠ হৈছে। উজনি অসমত বানপানীৰ লগে লগে

অসমৰ অসাধু ব্যৱসায়ী সকলে চাউল, দালি, মিঠাতেল, চেনী, কণী, বিস্কুট, চাবোন, চাৰ্ফ  আদি কৰি সকলো বস্তুৰে দাম বৃদ্ধি কৰিছে আৰু ৰন্ধন গেছৰ যথেষ্ট নাটনি হৈ গৈছে। গতিকে চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে। এই পানী কিহৰ কাৰণে হ'ল আৰু ক'ৰ পৰা হল ? এই ক্ষেত্ৰত অসম চৰকাৰে অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে যাতে ভবিষ্যতে অসমে এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হ'ব লগা নহয়। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমাৰ পুঁজিৰ অভাৱ নাই। পৰৱৰ্তী সময়ত আমি বিধানসভাত কথা পাতিম  চৰকাৰে কিমান ক্ষয় ক্ষতিৰ বুজ ল'লে কিমান তেওঁলোকে অনুদান দিলে তাৰ বিষয়ে আমি কথা পাতিম লগতে চৰকাৰে কিমান মানুহক সহায় কৰিলে। লগতে ভাৰত চৰকাৰৰ পৰা অতি সোনকালে উজনিৰ এই বানবিধস্ত অঞ্চলৰ কাৰণে এক বিশেষ পুঁজি ঘোষণা কৰাটো আমি বিচাৰিছো লগতে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত খৰতকীয়া ভাৱে ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** জাননী তিনিওখনৰ বিষয় বস্তু একে হোৱাৰ বাবে মই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ অনুৰোধ জনালো।

**শ্ৰী পীযুষ হাজৰিকা,( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমি এদিন চৰকাৰৰ ফালৰ পৰা বিবৃতি দিছিলো। বিৰোধী দলে যেতিয়া সভা স্থগিত প্ৰস্তাৱ আনিছিল তেতিয়া আপুনি কৈছিল কোনোবা এটা device ত আপোনালোকে এই বিষয়টো আনিব আৰু সুবিধা দিব। এই যিটো বানপানী শিৱসাগৰ আৰু চৰাইদেউ জিলাত এইটো Unprecedented আৰু Un-natural। লগতে আৰু যোৰহাট, এই বছৰ উজনিৰ এই তিনিখন জিলা বাদ দি অসমত যিটো প্ৰাকৃতিক বানপানী হয় সেইটো ক'ৰবাত হৈছে নেকি ? যদিও ক'ৰবাত হৈছে ক্ষয়-ক্ষতি বহুত কম হৈছে। আমাৰ যি কেইজন সদস্যই এই বিষয়ে ক'লে তেওঁলোকৰ সমষ্টিত ক'তো বানপানী হোৱা নাই। আমাৰ সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াৰ সমষ্টিত আমি যোৱা বছৰত ২০/২২ কিঃ মিঃ মথাউৰি বনাইছো। ঠিক তেনেকৈ সদস্য শ্বেৰমান আলী ডাঙৰীয়াৰ সমষ্টিটো

মথাউৰি বনাইছো আৰু গৰাখহনীয়াৰ কাৰণে কাম কৰিছো। গতিকে প্ৰাকৃতিক ভাৱে হোৱা বানপানী কমিছে। মই কৈছো যে অসমত এতিয়াও ১৩০ কিঃ মিঃ মথাউৰি কৰিব লগা আছে এইবাৰ হৈ যাব য'ত Feasibility আছে । ঠিক তেনেদৰে আমি জাকিৰ হুছেইন ডাঙৰীয়াৰ সমষ্টিত বহুতো কাম কৰিছো । প্ৰাকৃতিক ভাৱে যি বানপানী হয় সেইটো ৮০ শতাংশ কমি গৈছে। কিন্তু আমাৰ চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাটত যি বানপানী হৈছে সেইটো Unprecedented আৰু Un-natural । এই Unprecedented মানে হৈছে কেতিয়াও নোহোৱা। আমাৰ জন্মকালত আমি বলবলাত দেখিছিলো এনেকুৱা Unprecedented বানপানী, এই বাৰ এনেকুৱা আমি নাজিৰা, চৰাইদেউ, শিৱসাগৰ অথবা ডিমৌত হোৱা বানপানী পানীত দেখিছো। আমাৰ তিতাবৰত ১৩৫০ ঘৰ মানুহৰ ঘৰত পানী সোমাইছে, টীয়কত ১১৫০০ পৰা ১২০০০ মানুহৰ ঘৰত পানী সোমাইছে। ডেৰগাওঁত ৪০০০ মানুহৰ ঘৰত পানী সোমাইছে আৰু মৰিয়নীত ৫০০০ মানুহৰ ঘৰত পানী সোমাইছে । সেইটো সঁচাকৈ স্বীকাৰ কৰিছো মাননীয় অধ্যক্ষ মহোদয়। নাজিৰা, শিৱসাগৰ আৰু ডিমৌ, মাহমৰা, চৰাইদেউ আৰু সোণাৰি সমষ্টিত বানপানী হৈছে। সোণাৰি সমষ্টিত ১৫ হাজাৰ মান মানুহৰ ঘৰত পানী সোমাইছে। মাননীয় অধ্যক্ষ মহোদয়, ৫০ হাজাৰতকৈ অধিক মানুহৰ ঘৰত পানী সোমোৱাটো নাজিৰাত সত্য। শিৱসাগৰত ৩০ হাজাৰ পৰা ৪০ হাজাৰ মানুহৰ ঘৰত পানী সোমোৱাটো শিৱসাগৰত সত্য। মই এইটো অস্বীকাৰ নকৰো, কাৰণ মই details ত এই কেইদিন চাই আছো। মই কৃষি বিভাগৰ মন্ত্ৰী হিচাপে মোৰ অলপ কাম আছে কাৰণে মই details ত খবৰখিনি লৈ আছো। আৰু মাননীয় মুখ্যমন্ত্ৰী আৰু দলৰ সভাপতি ডাঙৰীয়াই ৰিলিফৰ কাৰণে পাৰ্টীৰো অলপ দায়িত্ব দি থৈছে। গতিকে মই অলপ details ত কথাখিনি জানো।

মাননীয় অধ্যক্ষ মহোদয়, ডিমৌত ২০, ২৫ হাজাৰ মানুহৰ ঘৰত পানী সোমাইছে । মাহমৰাত ৩০ হাজাৰ মানুহৰ ঘৰত পানী সোমাইছে । মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো যে পানী ৩০ হাজাৰত সোমাওক, পানী ৫০

হাজাৰত সোমাওক, but it has created havoc। কিয় কৰিলে, কেনেকৈ হ'ল। মাননীয় অধ্যক্ষ মহোদয় , আজি আমাৰ সন্মানীয় সদস্য সকলে দূৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কথা কৈছে। তেওঁলোকে যথেষ্ট কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া unprecedented হৈ যায় , যেতিয়া ভুমিকম্প আহে, ভুমিকম্প কৈ আহে নেকি। ভুমিকম্পৰ কাৰণে সাজু থাকে, কিন্তু যেতিয়া একেলগে ৫০ হাজাৰ মানুহ মৃত্যুৰ মুখত পৰিবলগীয়া ভুমিকম্প হয়, তাত সাজু হৈ থাকি কিবা লাভ হ'ব নেকি মাননীয় অধ্যক্ষ মহোদয়।

মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া একেদিনাই মথাউৰিত চাৰি মিটাৰ, পাঁচ মিটাৰ ওপৰত পানী হয়, সেইটো কি হ'ব লাগিব , ভগৱানৰ লীলা বুলি ক'ব লাগিব। প্ৰকৃতিৰ লগত আমি কোনেও নোৱাৰো। মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছত মোকাবিলা কৰিবলৈ কি চেষ্টা কৰিছো, আমি অস্বীকাৰ কৰা নাই, এতিয়ালৈকে ৬৮ টা মৃতদেহ চিনাক্ত হৈছে বা ওলাইছে আৰু এই মুহুৰ্তলৈকে missing হৈছে ৮ টা। শিৱসাগৰ জিলাত ৩০ জন মানুহৰ মৃত্যু হৈছে, চৰাইদেউ জিলাত ২০ জন মানুহৰ মৃত্যু হৈছে, যোৰহাটত ৯ জন আৰু গোলাঘাটত ২ জন মানুহৰ মৃত্যু হৈছে আৰু অন্য জিলা ৭ জন মানুহ মৃত্যু হৈছে। মুঠ এই বানপানীটোত ৬৮ জন মানুহৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু ৮ জন মানুহ missing হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, haviley affected শিৱসাগৰত ৫ টা, চৰাইদেউ ত টা, যোৰহাটত ৫ টা, গোলাঘাটত ৬ টা। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই যিটো সংখ্যা কৈছো, সেই সংখ্যাটো মই জনপ্ৰতিনিধি সকলৰ পৰা লৈছো কাৰণ মই আকৌ কৈছো যে দলৰ কামৰ কাৰণে ৰিলিফ বিলাবলৈ চেষ্টা কৰি আছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো, আমাৰ চৰকাৰে এই ক্ষেত্ৰত এদিনো ৰৈ থকা নাই। মাননীয় অধ্যক্ষ মহোদয়, বানপানী হয়তো মোৰ মতে ১৯ তাৰিখে ২ বা ৩ মান বজাৰ পৰা আহিছিল। সেইদিনা ময়ো গোলাঘাটতে আছিলো, আগৰাতি মই কাজিৰঙাত আছিলো। গধুলি ৭ মান বজাৰ পৰা

পিছদিনা ১১ মান বজালৈ প্ৰচণ্ড বৰষুণ। মানে দুটা কথা হৈছে নাগালেণ্ডৰ পৰা ঢল নামি আহিছে, লগতে সেই ঠাইখিনিত প্ৰচণ্ড বৰষুণ হৈছিল । গতিকে দুয়োটাই মিলি বিধ্বংসী হৈছে, unprecedented, unnatural পানী হৈছে । মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছত আমি কি কৰিছো, ৩ টা বজাত খবৰ ওলাইছে, এনেকৈ ভয়াবহ ঢল নামি আহিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই লগে লগে নিৰ্দেশ দিছে কেশৱ মহন্ত ডাঙৰীয়াক, সুশান্ত বৰগোঁহাই ডাঙৰীয়াক, শিৱসাগৰৰ অভিভাৱক মন্ত্ৰী বিমল বৰা ডাঙৰীয়াক, অজন্তা নেওঁগ ডাঙৰীয়ানীক । সকলোকে অতি সোনকালে তালৈ যাবলৈ কলে আৰু সকলোৱে সকলো কাম এৰি সেইদিনা তাত উপস্থিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, relief reached কৰিব পৰা নাই, সেইটোও সঁচা কথা। কিন্তু আমি এয়াৰলিফ্ট কৰিবলৈ মানুহক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছো। আমি হেলিকপ্টাৰৰ পৰা মানুহক খাদ্য সামগ্ৰী দিবলৈ চেষ্টা কৰিছো । আমাৰ সকলো দলৰ বিধায়কে দিনে ৰাতিয়ে চেষ্টা কৰিছে । মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে গৈ দুদিন তাত বাহৰ পাতিছে । গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমি গুৰুত্ব সহকাৰে কৰিছো । সেইখিনি অসমৰ মানুহ, অসমৰ খিলঞ্জীয়া মানুহ, সেই মানুহখিনিৰ কাৰণে অতি গুৰুত্বপূৰ্ণ দায়িত্ব বোধ আছে আৰু তেখেতসকলে বিপদত পৰিছে, কিন্তু বিপদৰ পৰা উদ্ধাৰ কৰিমেই, এই সদনক মই প্ৰতিশ্ৰুতি দিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কেন্দ্ৰীয় পৰিদৰ্শনকাৰী দল আহিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ফোন কৰি আছে, মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ফোন কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, মই কৰবাত কৰবাত কোনোবা কোনোবা সাধাৰণ মানুহে কোৱা শুনিছোঁ যে হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আছে যেতিয়া আমাৰ আৰু ভয় নাই, হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া যেতিয়া আহিছে, সাহস বাঢ়িছে। গতিকে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আছে, কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দল আহিছে। নিশ্চয়কৈ আমি rehabilitate কৰিম। নিশ্চয়কৈ আমি যিমান সুবিধা দিব লাগে, তেখেতলোকে চিন্তা চৰ্চা কৰি আছে, পৰ্যবেক্ষণ কৰি আছে,

rehabilitation ৰ কাৰণে আমাৰ সেই সহোদৰ সকলক সহায় কৰিবৰ কাৰণে আমাৰ চৰকাৰে যিমানখিনি কৰিব লাগিব, কৰি আছে। আজি দহ দিন ধৰি মন্ত্ৰী বিমল বৰা ডাঙৰীয়াই সদনত অহা নাই, তেখেত তাত আছে, কেশৱ মহন্ত ডাঙৰীয়া এদিনৰ কাৰণে আহিছিল, অজন্তা নেওগ ডাঙৰীয়ানী এদিনৰ কাৰণে আহিছিল, সুশান্ত বৰগোহাঁই ডাঙৰীয়াও এদিনো অহা নাই। আমি ইমান serious, সেইকাৰণে আমি আমাৰ বিধায়কসকলকো কৈছোঁ আপোনালোকে ইয়ালৈ আহিব নালাগে। মন্ত্ৰীসকলকো strictly কোৱা আছে, ইয়ালৈ আহিব নালাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, পানী কমিলে মন্ত্ৰীসকল এজনৰ পিছত এজন যাব লাগে। মানে গোটেইকেইজন মন্ত্ৰী যদি একেদিনাই যায়, তেন্তে কামো নহ'ব।

মাননীয় অধ্যক্ষ মহোদয়, অশোক সিংহল ডাঙৰীয়া গৈ আহিলে, আমাৰ নীলিমা বাইদেউ যাব, ময়ো যাম পৰহি বা পিছদিনা। ইতিমধ্যে কিমান মানুহক কঠীয়া দিব পাৰোঁ, তাৰ কাৰণে আমি চিন্তাচৰ্চা কৰি আছোঁ। বহুত ঠাইত পলস - পৰিছে, ৰাস্তাবিলাকতো পলস পৰিছে। ৰাস্তাবিলাক ইতিমধ্যে PWD বিভাগে চাফা কৰি ঠিক কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এনেকৈ আমি কাম কৰিছো। এই আমাৰ সহোদৰ সকল বিপদত পৰিছে, কিন্তু তেওঁলোকক বিপদত পৰি থাকিবলৈ নিদিওঁ। আমি তেওঁলোকক উদ্ধাৰ কৰিম। Rehabilitation ৰ কাৰণে যিমান অৰ্থৰ প্ৰয়োজন হয়, assessment হওক, আমি দিবলৈ সাজু আছোঁ। মানুহখিনিক সহায় কৰিবলৈ মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি সম্পূৰ্ণ সাজু আছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ:** ধন্যবাদ। ১৯৫০ চনটো ভূমিকম্পৰ ফলত অসমত যি দুৰ্যোগ হৈছিল। তাৰ পিছত অসম থিয় হৈছে। বৰপেটা, ধেমাজি, মাজুলীকে আদি কৰি অসমৰ বিভিন্ন প্ৰান্তত এনে পৰিস্থিতিৰ সৃষ্টি হৈছিল। তাৰ পিছতো অসম থিয় হৈছে । আমি সকলো আশাবাদী যে নিশ্চিতৰূপত চৰকাৰে যিমানখিনি কাম কৰিবলগীয়া আছে, সেয়া কৰি আছে। অসম পুনৰ থিয় হ'ব, শিৱসাগৰ আৰু চৰাইদেউ পুনৰ থিয় হ'ব। আমি দেখিছিলো ডিমা হাছাও একেবাৰে বিধ্বস্ত

হৈছিল, কিন্তু আজি ডিমা হাছাও পুনৰ থিয় হৈছে। গতিকে নিশ্চিতৰূপত চৰকাৰ এখন যিহেতু আছে, শিৱসাগৰ আৰু চৰাইদেউ নিশ্চয় পুনৰ থিয় হ'ব বুলি আমি আশাবাদী আৰু মই আপোনালোকক ধন্যবাদ জনাইছোঁ, বিশেষকৈ কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলক। কাৰণ বাজেটৰ যিদিনাখন কৰ্তন প্ৰস্তাৱৰ সময়ত আপোনালোকে সভা স্থগিতৰ প্ৰস্তাৱ আনিছিল। কৰ্তন প্ৰস্তাৱৰ সময়ত যদি মই সভা স্থগিত প্ৰস্তাৱ আনো, তেতিয়া হ'লে বাজেটখন পাছ নহয় আৰু বাজেটখন যদি পাছ নহয়, তেতিয়া আজি আমি ৰাইজক সকাহ দিব নোৱাৰিলোহেতেন। গতিকে আমাৰ যিহেতু মূল কাম আছিল সেইটো, যাৰ কাৰণে মই কৈছিলোঁ যে আপোনালোকে বেলেগ device ত আনক আৰু বেলেগ device ৰ জৰিয়তে আমি সেই বিষয়টো আলোচনা কৰিম। আপোনালোকক আজি আমি ভাল পাইছোঁ যে সকলোৱে আজি তিনিওটা দলৰে আপোনালোকে আজি শূন্যকালীনৰ ঘণ্টাৰ জৰিয়তে এই বিষয়টো আনি আপোনালোকৰ যিটো সদিচ্ছা আছিল এইটো আপোনালোকে উপস্থাপন কৰিলে। মোৰ যিটো ইচ্ছা আছিল যে এইটো আমি বেলেগ device ত আলোচনা কৰিম । গতিকে আজি আমি অন্ততঃ অসম বিধান সভাই এইটো গভীৰ উদ্বেগ প্ৰকাশ কৰিছোঁ। আৰু আপোনালোকে আজি সকলোৱে আলোচনা কৰাৰ বাবে মই ধন্যবাদ জনাইছোঁ।

এতিয়া মই মাননীয় সদস্য শ্ৰী নুৰুল হুদা ডাঙৰীয়াই ''পূৰ্বৰ MSDP বৰ্তমানৰ PMJVK আঁচনিৰ দ্বাৰা অনুমোদিত আচনি সমূহৰ কাম আধৰুৱা হৈ পৰি থকাৰ ৭/৮ বছৰৰ পাছতো চৰকাৰৰ কাণসাৰ নাই। আধৰুৱা কাম সম্পূৰ্ণ হ'ব কেতিয়া '' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী নুৰুল হুডা, ৰূপহীহাট** ঃমাননীয় অধ্যক্ষ মহোদয় :, আজি শূন্য কালীন ঘণ্টাত ''পূৰ্বৰ MSDP বৰ্তমানৰ PMJVK আঁচনিৰ দ্বাৰা অনুমোদিত আচনি সমূহৰ কাম আধৰুৱা হৈ পৰি থকাৰ ৭/৮ বছৰৰ পাছতো চৰকাৰৰ কাণ সাৰ নাই । আধৰুৱা কাম সম্পূৰ্ণ হ'ব কেতিয়া '' শীৰ্ষক বিষয়টো উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়,  ২০০৬ চনত জাষ্টিছ ৰাজেন্দ্ৰ সিং সাচাৰ কমিটীয়ে গোটেই ভাৰতবৰ্ষৰ যিবিলাক সামাজিক দিশত পিছপৰা যেনে  খ্ৰীষ্টান, মুচলমান, জৈন, বৌদ্ধ আৰু পাৰ্চী, এই লোকসকলৰ আৰ্থ সামাজিক, শৈক্ষিক দিশবিলাক উন্নত কৰাৰ বাবে, জাষ্টিছ ৰাজেন্দ্ৰ সিং সাচাৰ কমিটীয়ে এখন পৰামৰ্শ দিলে। সেই সাচাৰ কমিটীৰ পৰামৰ্শমতে সেই সময়ত চৰকাৰে এটা আঁচনি ললে MSDP । এই MSDP আঁচনিৰ জৰিয়তে বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ নিৰ্মাণ, ছাত্ৰাবাস নিৰ্মাণ, ছাত্ৰীবাস নিৰ্মাণ, শৌচাগাৰ বনোৱা, বিশুদ্ধ খোৱাপানীৰ যোগান, ৰাজহুৱা প্ৰস্ৰাৱগাৰ আদি বিভিন্ন আঁচনি বিলাক লৈছিল আৰু এই আঁচনিবিলাকৰ লোৱাৰ পিছত কিছুমান আঁচনিৰ ৬০সম্পূৰ্ণ কাম হৈছে আৰু  % প্ৰায় চল্লিশ শতাংশ আঁচনিৰ  এতিয়াও কাম অসম্পূৰ্ণ হৈ আছে। গতিকে এইবোৰ সাতআঠ বছৰ ধৰি আধৰুৱা হৈ পৰি আছে- । আজি যিবিলাক বিদ্যালয়ৰ, মোৰ সমষ্টিৰ Udmari High School, তাত 3 টা Additional Classroom দিয়া হৈছিল। আজি 7-8 বছৰ ধৰি পৰি আছে আধৰুৱা অৱস্থাত, প্ৰায় শ্ৰেণীকোঠা নাই, Class কৰিব পৰা নাই। ঠিক সুতিৰপাৰ হাই স্কুল তাতো 3 টা Additional Classroom, মাকলি বিল পাৰ এল পি স্কুল, Basarigaon Public, Block মোৰ তাত, Paschim Garaimari High School, Paschim Garaimari Haji Zakaria Balika Maktab, Baheripara Adarsha LP School, Community Toilet Block, Melakani, Kalibazar, Toilet at junior GP Office, Toilet Kanari Bazar এনেকৈ বহুত কাম  কৰিববলৈ অসম্পূৰ্ণ হৈ আছে। গতিকে মই বেছি সময় নলওঁ। মই এইটো ক'ব বিচাৰোঁ যে, এই আঁচনিখনৰ যিটো উদ্দেশ্য আছিল যে আৰ্থ-সামাজিকভাৱে পিছপৰা এই জনগোষ্ঠীটোক শিক্ষা আৰু অন্যান্য ক্ষেত্ৰত উন্নতি কৰাৰ কাৰণে এই আঁচনিবোৰ লোৱা হৈছিল ।  এই আঁচনিৰ প্ৰায় 40% কাম এতিয়াও অসম্পূৰ্ণ হৈ আছে। এই কামসমূহ কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰি উলিয়াই দিব, এই কথাটো মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ** :- Thank you. Minister Please.

**শ্ৰীঅশ্বিনী ৰায় সৰকাৰ, (মন্ত্ৰী)** :- অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই শূণ্যকালীন ঘন্টাত যি বিষয়টো উত্থাপন কৰিলে এই বিষয়টো অতি প্ৰয়োজনীয় আৰু সময়োপযোগী। কাৰণ মই যোৱা কেইদিনমানৰ ভিতৰত প্ৰশ্নোত্তৰ কালত একেটা বিষয়তে আমাৰ কেইবাজনো বিধায়কে প্ৰশ্ন উত্থাপন কৰিছিল যে MSDPৰ অধীনত আন্তঃগাঁথনি নিৰ্মাণ কৰা কামখিনি আধৰুৱা হৈ আছে আৰু কিছুমান নিৰ্মাণ কাম সম্পূৰ্ণ হৈছে, আমাৰ Handover হোৱা নাই। গতিকে এই MSDPৰ কামখিনি, অধ্যক্ষ মহোদয়, MSDPৰ সংখ্যালঘু কল্যাণ বিভাগে কাম নকৰে। এই বিভাগটোৰ কাম কৰাৰ কাৰণে আমাৰ পুঁজি আৱন্টন হোৱাৰ পিছত আমি কাম কৰাৰ কাৰণে PWD Building বিভাগক আমি excision কৰাৰ কাৰণে আৱন্টন দিও পুঁজি আৰু কিছু কাম আমাৰ Hospitalৰ অধীনতো কৰা হয়। কিন্তু দেখা গৈছে যে এই কামখিনি বহুদিন ধৰি কিছু কাম 90% হৈছে, কিছু কাম 100% হৈছে, কিন্তু কিছু Bill বাকী থকা কাৰণে আমাৰ বিভাগীয় ঠিকাদাৰবিলাকে বিভাগত Handover কৰা নাই। কিন্তু ইতিমধ্যে মই বিভাগটোত, আপোনালোকে জানে যে মই নতুনকৈ বিভাগটো লাভ কৰিছোঁ। বিভাগটো লাভ কৰাৰ পিছত বিভাগীয় বিষয়াসকলৰ লগত আলোচনা মৰ্মে আমাৰ কেন্দ্ৰৰ পৰা আৱণ্টিত পুঁজিৰ প্ৰায় 30 কোটি টকা মোকলাই দিয়া হয় আৰু মাৰ্চ মাহত আমি প্ৰতিখন জিলাৰ যি আমাৰ আয়ুক্ত আছে তেখেতসকলক আমি এখনকৈ চিঠি দিম। সেই চিঠি দিয়াত যে আমাৰ এই কামখিনি তদাৰক কৰি Final Bill খিনি দি আমাৰ আৱণ্টিত পুঁজি Disburse কৰি, যাতে আমাৰ কামখিনি সম্পূৰ্ণ কৰাৰ Utilization Certificate আমি লাভ কৰোঁ। আৰু আপোনালোকে জানে যে কেন্দ্ৰীয় পুঁজিৰ ক্ষেত্ৰত যদি আমি Utilization Certificate দিব নোৱাৰো পৰৱৰ্তী পুঁজি পোৱাত আমাৰ অসুবিধা হয়। গতিকে আমি এই বিষয়টো গুৰুত্বসহকাৰে লৈ ইতিমধ্যে প্ৰতিখন জিলাত আমাৰ যিকেইখন জিলাত আমাৰ ইতিমধ্যে কাম চলি আছে, যেনে Barpeta, Dhubri, Nalbari, Cachar, Hojai, Nagaon, Chirang আৰু Kokorajhar এই জিলাসমূহৰ আমি জিলা আয়ুক্তলৈ চিঠি লিখিছোঁ। তাৰোপৰি, আমাৰ যিহেতুকে এই বিভাগটোৱে কাম চোৱা-চিতা কৰে আমাৰ

PWD Building বিভাগত, আমি PWD Building বিভাগত Commissioner লৈও চিঠি লিখিছোঁ যে আপোনালোকে Bill সমূহ সোনকালে দাখিল কৰক আৰু Final Bill লৈ Utilization, কাৰণ আমি Utilization দিব নোৱাৰিলে কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি অনাত অসুবিধা হৈছে, অধ্যক্ষ মহোদয় এই পবিত্ৰ সদনত সন্মানীয় বিধায়কসকলক মই অনুৰোধ কৰিছোঁ যে আপোনালোকে নিজে জিলাত জিলা আয়ুক্তৰ লগত বহক আৰু কত আপোনালোকৰ কাম সম্পূৰ্ণ হোৱা নাই, আপোনালোকে তদাৰক কৰক, মোলৈ চিঠি লিখক। বানপানীৰ সমস্যাটো যেতিয়া আহি গ'ল যিহেতু মোৰ কেইদিনমান আৰু অলপ পলম হ'ব বানপানীৰ পিছত মই জিলাত যাম, প্ৰতিখন জিলাত মই আমাৰ Deputy Commissioner, Contractor আৰু বিভাগীয় বিষয়াসকলৰ লগত বহি অতি সোনকালে কামখিনি সম্পূৰ্ণ কৰিম। কাৰণ Utilization Certificate দিব নোৱাৰিলে আমি পৰৱৰ্তী দিনত টকা অনাত অসুবিধা হ'ব, আমি এনে কেন্দ্ৰৰ পুঁজিৰ পৰা আমি বঞ্চিত হৈ থাকিম মই আশা ৰাখিছোঁ, এই 2 মাহৰ ভিতৰত এই কামখিনি সম্পূৰ্ণ কৰি বিভাগক যাতে আমি হস্তান্তৰ কৰিব পাৰো জনকল্যাণৰ কাৰণে যাতে আমাৰ উচিত যিটো হয় তাৰ কাৰণে মই নিশ্চয় ব্যৱস্থা কৰিম আৰু সদনত এই বিষয়টো উত্থাপন কৰাৰ কাৰণে সন্মানীয় বিধায়ক ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ। এতিয়া মই মাননীয় সদস্য পৰমানন্দ ৰাজবংশীক "নিয়মীয়া বাৰ্তা" বাতৰি কাকতত প্ৰকাশিতঃ- "ব্ৰহ্মপুত্ৰৰ নিৰন্তৰ খহনীয়া: পাৰ্কু পাইন লগাই অস্থায়ী সুৰক্ষাৰ দিহা - দৰঙৰ ধলপুৰ শিৱমন্দিৰ-গৰুখুঁটি প্ৰকল্পলৈ ভাবুকি' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো। ৩ মিনিটৰ ভিতৰত।

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ)** :- সন্মানীয় অধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ বিষয়টো আজি ইয়াত উত্থাপন কৰিবৰ বাবে আপুনি অনুমতি দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছোঁ। আজিৰ পৰা প্ৰায় ডেৰ মাহমান আগতে

কুৰুৱাৰ যিটো মথাউৰি ৰিং মথাউৰী, ৰিং বান্ধৰ আৰু এই গৰুখুঁটি প্ৰকল্পৰ নিচেই কাষতে থকা ঐতিহ্য মণ্ডিত, ধলপুৰ যিটো মন্দিৰ, এই মন্দিৰটিত, কাষতে আপোনালোকে জানে যে ব্ৰহ্মপুত্ৰৰ সুঁতি বৈ গৈছে আৰু তাতে এই দুয়োখন ঠাইতেই এক প্ৰবল গৰাখহনীয়াই ভাবুকিৰ সৃষ্টি কৰিছিল আৰু তেতিয়াই প্ৰায় 15 মিটাৰ বাকী আছিল ধলপুৰ আৰু কুৰুৱাৰ মথাউৰীটোলৈ। আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ মই দৃষ্টি আকৰ্ষন কৰিছিলোঁ আৰু লগে লগে তেখেতে সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিছিল। সেই নিৰ্দেশমতে কুৰুৱাৰ যিটো আমাৰ মথাউৰি, সেই মথাউৰীৰ কামখিনি যুদ্ধকালীনভাৱে আৰম্ভ হ'ল। আৰু সম্প্ৰতি কিছু পৰিমাণে আমাৰ এই গৰাখহনীয়াই যিধৰণে মথাউৰীটো ভাঙি নিয়াৰ এটা প্ৰৱনতা সেইটো অকমান আশ্বস্ত আমি হৈছো । কিন্তু ধলপুৰ শিৱ মন্দিৰ এই গৰুখুঁটি প্ৰকল্পলৈ ভাবুকি স্বৰূপ এই এখন ঠাই যিখন ঠাইত নেকি আমাৰ পূৰ্বৰ জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই আটাইখিনি কথা জানে যে, যোৱা 2021 চনৰ 7 জুন তাৰিখে সেই ধলপুৰ ঐতিহ্য মন্দিত, ধলপুৰৰ যিটো মন্দিৰৰ সৈতে মা কামাখ্যা মন্দিৰৰ এক বিশেষ সম্পৰ্ক আছে। আৰু নাথযোগীসকলৰ সভ্যতা আৰু এটা অত্যন্ত গুৰুত্বপূৰ্ণ সেইখন তীৰ্থস্থান। আৰু সেই মন্দিৰটোৰ যেতিয়া জৰাজীৰ্ণ অৱস্থাত এক অচিনাকী মানুহৰ দ্বাৰা এই কি হৈছিল যে তাত এটা নতুন পৰিৱেশৰ সৃষ্টি হৈছিল, এক অনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি হৈছিল, আৰু তেতিয়াই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গম পাই, সেই ২০২১ চনৰ 7 জুন তাৰিখে, যি প্ৰতিকূল বতৰ নেওচিও তেখেতে গৈ যেতিয়া দেখিলে যে সেই ঐতিহ্য মণ্ডিত মন্দিৰটো ধ্বংসপ্ৰাপ্ত বুলিতো আমি কব পাৰো ঠিকেই, কিন্তু ব্যক্তিবিশেষৰ দ্বাৰা আক্ৰান্ত হৈছিল । লগে লগে তেখেতে ঘোষণা কৰিছিল যে এই মন্দিৰটো আমি পুনৰ নিৰ্মাণ কৰিম আৰু যিসমূহ ঠাই আমাৰ বিভিন্ন ধৰণৰ বেদখলকাৰীসকলে যিধৰণে তাত পৰিৱেশৰ সৃষ্টি কৰিছে, সেইবোৰ আমি উচ্ছেদ কৰিম। সেইমতে ধলপুৰ মন্দিৰ পুনৰ নিৰ্মাণ তেখেতে কৰিলে বিভিন্ন ধৰণে। একেধৰণে আজি আপোনালোকে জানে যে আমাৰ অসম তথা ভাৰতৰ এটা গুৰুত্বপূৰ্ণ যিটো নেকি আত্মনিৰ্ভৰশীল আমাৰ সকলোৰে আদৰ্শস্বৰূপ গৰুখুঁটি বহুমূখী কৃষি

প্ৰকল্প আজি সুন্দৰভাৱে তাত ঠন ধৰি উঠিছে । কিন্তু এই যে আজি প্ৰায় এমাহমান আগতে যিটো ঘটনা ঘটিছিল, সেই ঘটনাটোত আজি মই লক্ষ্য কৰিছোঁ যে আমাৰ ধলপুৰ শিৱ মন্দিৰৰ যিটো কাম-কাজ, ততাতয়াকৈ আমি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰামৰ্শ মতে বিভাগীয় দিহা পৰামৰ্শ লৈ কামখিনি কৰা হৈছে ঠিকেই। কাৰণ Porcupine বা অস্থায়ী সুৰক্ষাৰ দিহা কৰি পেলাই গোটেইখিনি কাম কৰা হ'ল ঠিকেই। কিন্তু সমস্যাটো আহিছে কি যে, তাত যদি স্থায়ীভাৱে সেই কুৰুৱাৰ সেই যিটো মথাউৰি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আমাৰ মাননীয়  জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই গোটেইখিনি কথা জানে।  এই কথাখিনিও তেখেতে জানে যিটো নেকি আমাৰ শিৱ মন্দিৰৰ ঘটনা সেইটোও জানে। সেইকাৰণে আজি মই আপোনাৰ জৰিয়তে বিভাগক অনুৰোধ কৰিছোঁ যে, স্থায়ীভাৱে এই সমস্যাটোৰ সমাধান যদি কৰা নহয়, তেতিয়াহ'লে এই ঐতিহ্য মণ্ডিত মন্দিৰটোলৈ যেনেকৈ ভাবুকি আহি পৰিছে লগে লগে কিন্তু গৰুখুঁটি প্ৰকল্পলৈও  ভাবুকি আহিছে আৰু এই ক্ষেত্ৰত যি নিয়ম-কানুন আছে, সেই নিয়ম-কানুনখিনি কৰাৰ বাবে কি হৈছে যে আজি যি সকলক লৈ পেলাই কাম খিনি কৰা হৈছিল তেওঁলোকৰ মনত এনেকুৱা এটা ভাৱ হৈছে যে আমি কামখিনি কৰিলো ঠিকেই, কিন্তু বিভাগীয়ভাৱে তাত যিমান ধনৰ প্ৰয়োজনৰ, ভৱিষ্যতত যিটো ধনৰ প্ৰয়োজন হয় দিহা কৰিব লাগিব সেই দিহা কৰাৰ ক্ষেত্ৰত কিছু বাধাৰ সৃষ্টি হৈছে। মই সেই কাৰণে আপোনাৰ জৰিয়তে আমাৰ এই বিভাগক আৰু বিশেষকৈ আমাৰ পূৰ্বৰ মন্ত্ৰী ডাঙৰীয়াকো মই দৃষ্টি আকৰ্ষণ কৰিছো । আৰু আশা ৰাখিছো যে স্থায়ীভাৱে যদি কুৰুৱা আৰু ধলপুৰ শিৱ মন্দিৰৰ ৰক্ষণাবেক্ষণৰ কাৰণে যদি কাম কৰা নহয়, তেতিয়াহ’লে কিন্তু সাংঘাতিক ঘটনা ঘটিব যিটো ঘটনা উজনি অসমত হৈছে। তেনেকুৱা এটা ঘটনা তাতো হোৱাৰ সম্ভাৱনা মই দেখিছো। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি গৰুখুটি প্ৰকল্পৰ গুৰুত্ব উপলব্ধি কৰি বা আমাৰ মন্দিৰটোৰ গুৰুত্ব  উপলব্ধি কৰি তাত প্ৰায় ১৯ কিঃমিঃ মথাউৰি নিৰ্মাণ কৰিছিলো । ব্ৰহ্মপুত্ৰত গৰাখহনীয়া হয় আৰু আমি

গৰাখহনীয়া ৰোধৰ বাবে কাম কৰো। বহু ক্ষেত্ৰত বহু ঠাইত আমি ব্ৰহ্মপুত্ৰৰ per manent protection ৰ আমি কৰিছো। কিছু অঞ্চলত যেতিয়া গৰাখহনীয়া হয়, তেতিয়া আমি working session ত কাম কৰো। কিন্তু যেতিয়া বানপানী হৈ থাকে বা বাৰিষা দিনত আমি temporary measure লৈ মথাউৰিৰ কাম কৰো বা নদীৰ পাৰ protection কৰো । মই যেতিয়া মন্ত্ৰী আছিলো সেইকাৰণে মই এই বিভাগটোৰ কথা জানো । অধ্যক্ষ ডাঙৰীয়া, আমি দুটা নিয়মেৰে কৰো - permanent protection আৰু এটা হৈছে temporary protection. মে' মাহৰ পৰা অক্টোৱৰ মাহলৈকে যিখিনি কাম জলসম্পদ বিভাগে কৰিব, সেইখিনি temporary measure ৰ কাম আৰু নৱেম্বৰ মাহৰ পৰা মে' মাহৰ মাজভাগলৈকে যিখিনি কাম কৰিব সেইখিনি permanent measure ৰ কাম । গতিকে এতিয়া তাত temporary measure ৰ কাম চলি আছে। অধ্যক্ষ ডাঙৰীয়া, এতিয়া জিলা সমূহলৈ mega bag গৈছে ১১,০০০ টা, EC bag গৈছে ১০,০০০ টা, Sand bag ৫,০০০ টা, Type-A Geo bag গৈছে ৬,৫০০, Geo Sip গৈছে ১৮,০০০ square mtr.,PAC porcupine গৈছে ৩৬,০০০ members. আমি temporary measure ৰ কাৰণে যথেষ্ট বস্তু দৰং জিলালৈ পঠাইছো। তাত এতিয়া temporary measure ৰ কাম চলি আছে। আমি পুঁজি সাপেক্ষে যেতিয়া permanent measure ৰ কাম কৰাৰ সময় হয়, এই কামখিনি কৰিবলৈ যত্ন কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া মই শ্ৰী ভূপেন ৰয়ক কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষা, কলা-সংস্কৃতি, গীত-মাত আদিৰ গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়, বঙাইগাওঁ বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ত চৰকাৰে পুঁজি আবন্টনৰ বাবে শীৰ্ষক বিষয়টো উপস্থাপন কৰাৰ বাবে আহ্বান জনালো। আপোনাক ৩ মিনিট সময় দিয়া হ'ল।

**শ্ৰী ভূপেন ৰয়, অভয়াপুৰীঃ** ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া। পুৰণা গোৱালপাৰা জিলা তথা অসমৰ বিভিন্ন প্ৰান্তত বসবাস কৰা কোচ ৰাজবংশী জনগোষ্ঠীৰ বিষয়ে আপোনাৰ লগতে অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীয়ে নিশ্চয় অৱগত। এই জনগোষ্ঠীটো অসমতে নহয়, উত্তৰ বঙ্গ, দাৰ্জিলিং, বিহাৰ আৰু

মেঘালয়ৰ কিছু এলেকাত বসবাস কৰাৰ লগতে  আন্তঃৰাষ্ট্ৰীয়ভাৱে নেপাল তথা বাংলাদেশৰো কিছু এলেকাত এই জনগোষ্ঠীটোৱে বসবাস কৰি আছে। অসমত বিশেষকৈ পুৰণা গোৱালপাৰা জিলাত আজিৰ যি ৬ খন জিলা হৈছে, এই জিলাবিলাকত বেছিভাগতেই কোচ ৰাজবংশী জনগোষ্ঠীৰ লোক বসবাস কৰি আছে। নতুনকৈ এই জনগোষ্ঠীটোৱে বিভিন্ন ধৰণৰ আন্দোলন কৰি আছে। বিশেষকৈ স্বকীয় পৰিচয় আৰু ভাষা, কলা-সংস্কৃতি, গীত-মাত ইত্যাদি এইবিলাকৰ ওপৰত গৱেষণা হোৱাটো তেওঁলোকে বিচাৰে আৰু এই গৱেষণাৰ কাৰণে আমি ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু বঙাইগাওঁ বিশ্ববিদ্যালয়ত কিছু পুঁজি আবন্টন দি ইয়াৰ তেনেকুৱা কিবা পাঠ্যক্ৰম বা গৱেষণাৰ centre আমি কৰিব পাৰো নেকি, এই দাবীটো মই উত্থাপন কৰিছো। আপোনালোকে নিশ্চয় জানে যে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যেনেকৈ বাগৰুম্বা নৃত্য, ঝুমইৰ নৃত্য আৰু বিহু নৃত্য আজি বিশ্ব দৰবাৰ নিবলৈ সক্ষম হৈছে ঠিক তেনেধৰণে আমাৰ কোচ ৰাজবংশী সকলৰ যি গোৱালিনী নৃত্য আৰু কুষাণ নৃত্যকো যদি তেনে পৰ্য্যায়লৈ নিব পৰা যায় আৰু যি মহাবীৰ চিলাৰায় দিৱস, তেখেতৰ জন্ম তিথি, আৱিৰ্ভাব বা তিৰোভাৱ তিথি কোনোবা এটা তিথি দিল্লীত যাতে উৎযাপন কৰিব পৰা যায়, ঠিক তেনেকুৱা ধৰণৰ এটা ব্যৱস্থা ল’বৰ কাৰণে আৰু বিশেষকৈ এই জনগোষ্ঠীটোৰ যি স্বকীয় পৰিচয়, ইয়াক আমি অধ্যয়ণ কেন্দ্ৰলৈকে নিব পৰা যায় নেকি, তাৰকাৰণে মই বিশেষকৈ এই তিনিখন বিশ্ববিদ্যালয়ত পুঁজি আবন্টন দিয়াৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি দৃষ্টি আকৰ্ষণ কৰিছো। এইবাৰৰ  বাজেটখন যিহেতু এখন সৰ্ব্বাঙ্গসুন্দৰ বাজেট ইয়াত উত্থাপন হৈছে, গতিকে এই বিষয়টো বৈ গ’লে আমাৰ বাবে দুখ লাগিব। কোচ ৰাজবংশী জনগোষ্ঠীক দুখ দি যাতে এই বাজেটখন পাচ হৈ নাযায়, তাৰকাৰণে মই অনুৰোধ ৰাখি মোৰ বক্তব্য এইখিনিতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় উচ্চ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই উত্তৰ দিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, কোচ ৰাজবংশীসকল অসমৰ এক প্ৰাচীন খিলঞ্জীয়া আৰু ঐতিহ্যমণ্ডিত জনগোষ্ঠী। কোচ ৰাজ্যৰ সম্পৰ্কে বা কমতাপুৰ সম্পৰ্কে আমি সকলোৱে অৱগত । আমাৰ যি বিশ্ববিদ্যালয় সমূহ থাকে, তাৰ mandate ৰ ভিতৰত এইটোও পৰে যে তেওঁলোকে কলা, বিজ্ঞান, বাণিজ্যৰ মূল বিষয়সমূহৰ ওপৰত গৱেষণা কৰা আৰু ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত তেওঁলোকে গৱেষণা কোচ ৰাজবংশীৰ ওপৰত কিমান কৰিছে, ইয়াত মই ১০ খনৰো অধিক গৱেষণাৰ thesis মই দেখা পাইছো যে এইখিনি কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষা, সাহিত্য-সংস্কৃতি বিভিন্ন বিষয়ৰ ওপৰত গুৱাহাটী বিশ্ববিদ্যালয়ে গৱেষণা কৰিছে । বড়োলেণ্ড বিশ্ববিদ্যালয়তো ইয়াৰ ওপৰত যথেষ্টখিনি গৱেষণা হৈছে। নতুনকৈ বঙাইগাওঁ বিশ্ববিদ্যালয় স্থাপন হৈছে নামনি অসমত বা ভট্টদেৱ বিশ্ববিদ্যালয় স্থাপন হৈছে আৰু এই বিশ্ববিদ্যালয় কেইখনেও এই জনগোষ্ঠীটোৰ ওপৰত গৱেষণা কৰাৰ কাৰণে তেখেতসকলক মই অনুৰোধ জনাম। ইয়াৰ উপৰিও আমাৰ এটা ডাঙৰ প্ৰতিষ্ঠান আছে – Anandaram Baruah Instititute of Language, Art and Culture আৰু এই Instititute টোৱেও অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী, তেওঁলোকৰ ভাষা, কলা-সংস্কৃতি এইবিলাকৰ ওপৰত গৱেষণা কৰে । এই প্ৰতিষ্ঠানটোৰ জৰিয়তেও আমি কোচ ৰাজবংশী সকলৰ ওপৰত কেনেধৰণে গৱেষণা আগবঢ়াই নিব পৰা যায়, এই কথাখিনি আমি নিশ্চিতভাৱে পদক্ষেপ গ্ৰহণ কৰিম, কাৰণ এই প্ৰতিষ্ঠানটো উচ্চ শিক্ষা বিভাগৰ অধীনতেই আছে। তাৰোপৰি, আজিতো কৈছেই যে কোচ ৰাজবংশীসকলৰ যি কৃষ্টি-সংস্কৃতি আছে, গোৱালিনী নৃত্য, কুষাণ নৃত্য তাক ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্য্যায়ত বিহু বাগৰুম্বাৰ নিচিনাকৈ প্ৰদৰ্শন কৰোৱাৰ পৰামৰ্শ এখেতে আগবঢ়াইছে । এই পৰামৰ্শটো মই সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি কেনেদৰে ইয়াক আগবঢ়াই নিব পৰা যায়, সেই বিষয়ে মই আলোচনা কৰিম বুলি প্ৰতিশ্ৰুতি দিছো। আচুতীয়া যি পুঁজি দিয়াৰ কথা কৈছে, বিশ্ববিদ্যালয় সমূহলৈ আমাৰ grant দিয়াই থাকে। গতিকে বিশ্ববিদ্যালয় সমূহত ইয়াৰ বাবে কোনো

আচুতীয়া পুঁজিৰ প্ৰয়োজন নাই। তেওঁলোকৰ যি normal পুঁজি থাকে বা normal curriculum থাকে, তাৰ ভিতৰতে তেওঁলোকে গৱেষণাখিনি আগবঢ়াই নিব পাৰে। তথাপিটো নিৰ্দিষ্ট কোনো বিষয়ৰ ওপৰত কোনো প্ৰত্নতাত্বিক বিষয় বা কোনো ভাাষাৰ বিষয়ৰ ওপৰত যদি কোনো নিৰ্দিষ্ট গৱেষণা কৰিব লগা থাকে, মই মাননীয় বিধায়ক গৰাকীক আলোচনালৈ নিমন্ত্ৰণ জনাইছো। তেওঁ বাকী সকল কোঁচৰাজবংশী বিধায়কৰ লগতো আলোচনা কৰি কোনো নিৰ্দিষ্ট বিষয়ত যদি তেওঁলোকে গৱেষণা প্ৰয়োজনীয় উপলব্ধি কৰিছে , তেনেহ'লে এইখিনি আমাক জনালে সেইখিনি গৱেষণা কৰাৰ কাৰণে আমি সময় সাপেক্ষে তাক আগুৱাই লৈ যাম ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া মই মাননীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ ক, ''মোৰ সমষ্টিবাসী ৰাইজৰ পৰা পোৱা অভিযোগ অনুসৰি বৰ্তমানলৈকে ''বসুন্ধৰা ০৩ '' শেষ হোৱাৰ পাছতো এতিয়াও এনে বহু লোক আছে যি আজিও কিন্তু মাটিৰ অনুমোদন নাপালে। সেই সকলো লোকে আজি যুগ যুগ ধৰি গ্ৰেজিংভুমি, বনভূমি (বনগাঁও)ৰায়তী খতিয়ান মাটিত বস-বাস কৰি আহিছে। ৫০ ৰ পৰা ৬০ বছৰ পাৰ কৰিছে। কিন্তু আৱেদন কৰিও খিলঞ্জীয়া সকলে মাটিৰ অনুমোদন নোপোৱাতো চিন্তনীয় বিষয় হৈ পৰিছে।'' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো। আপুনি ৩ মিনিটত শেষ কৰিব।

**শ্ৰী চক্ৰধৰ গগৈ, ( খোৱাং ):** ধন্যবাদ, অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কৃষক সকলৰ এটা খুব গুৰুত্বপূৰ্ণ সমস্যা তুলি ধৰিবৰ কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো, লগতে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো। মই ভাৱো যে কেৱল এই বিষয়টো মোৰ সমষ্টিৰ লগতে confined হ'ব নোৱাৰে কাৰণ গোটেই অসমখনে কৃষি ভূমি, কৃষকৰ দেশ, ৰাজ্য। গতিকে ইয়াত প্ৰায় সমষ্টিৰ মানুহৰ এই সমস্যাখিনিয়ে চুই যাব বুলি মই ভাবিছো। কথাটো হ'ল যে আমাৰ অসম চৰকাৰে প্ৰায় ২০১৬ চনৰ পৰাই এটা বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে বসুন্ধৰা নামৰ আঁচনিৰ যোগেদি অসমৰ খিলঞ্জীয়া কৃষক সকলক মাটিৰ পট্টা দিবৰ কাৰণে ভূমিৰ অধিকাৰ প্ৰদান কৰিবৰ কাৰণে

ব্যৱস্থা গ্ৰহণ কৰি আহিছে। চাওঁতে চাওঁতে সময়ৰ লেখেৰে আমি দেখিলো যোৱা দুটা কাৰ্য্যকালৰ ভিতৰত বসুন্ধৰা নামৰ আঁচনিখন তিনিবাৰ, তিনিটা পৰ্য্যায় ইতিমধ্যে পাৰ হৈ গৈছে, আৰু যাৰ যোগেদি  প্ৰায় ২ লাখতকৈ অধিক খিলঞ্জীয়া মানুহলৈ মাটিৰ পট্টা বিতৰণ কৰা হৈছে, তেওঁলোকক ভূমিৰ অধিকাৰ প্ৰদান কৰা হ'ল। তাৰ বাবে নিশ্চিত ভাৱে চৰকাৰখন ধন্যবাদৰ পাত্ৰ আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি উদ্যোগ সেইখিনি শলাগ লবলগীয়া। কিন্তু তাৰ মাজতে অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কেইবাটাওঁ অঞ্চলত কিছু কিছু বিশেষ শ্ৰেণীত বাস কৰা খিলঞ্জীয়া মানুহে আজিও মাটিৰ পট্টা পোৱা নাই  বা মাটিৰ অনুমোদন পোৱা নাই। এইটোও নহয় যে তেওঁলোকে আবেদন কৰা নাই, তেওঁলোকে আবেদন কৰিছে , বসুন্ধৰা -১ ত কৰিছে, -২ ত কৰিছে , -৩ ত কৰিছে  আশাৰ অন্ত নাথাকে  গতিকে মানুহে এটাৰ পিছত এটাকৈ আবেদন কৰি থাকে । কিন্তু তেওঁলোকে পোৱা নাই। নোপোৱাৰ কাৰণ খিনি মই অধ্যয়ন কৰিবলৈ যেতিয়া তেওঁলোকৰ ওচৰলৈ যাওঁ তেতিয়া তেওঁলোকে মোক জনায় যে আমি Grazing ভূমিত বাস কৰি আছো । হয়, চুপ্ৰিম কোৰ্টৰ এটা বিশেষ নিৰ্দেশনা অনুসৰি Grazing ভূমিত বাস কৰা মানুহক মাটিৰ পট্টা বৰ্তমান দিব নোৱাৰে। কিন্তু মই যিসকল মানুহৰ কথা ক'ব গৈ আছো সেই মানুহ বিলাক আজি বা কালি বহা মানুহ নহয়। সেই বিলাক মানুহৰ বয়স ১০ বছৰ বা ২০ বছৰ বস-বাস কৰা গাওঁৰ মানুহ নহয়। এই অঞ্চলৰ  মানুহ বিলাকক অসম চৰকাৰে তাহানিতে তেওঁলোক দুৰ্য্যোগ ব্যৱস্থাপনাৰ যোগেদিয়েই হয়তো NREP নামৰ আঁচনিৰ যোগেদি তেওঁলোকক দিয়া হৈছিল । কেতিয়াবা চৰকাৰে মৌখিক বা লিখিত পৰামৰ্শৰ যোগেদিও তেওঁলোকক বিপদসংকুল ঠাইৰ পৰা আনি তাত বহুৱা হৈছে। সেই Grazing ভূমিত বাস কৰা আজি তেওঁলোকৰ বয়স ৫০,৬০ বছৰ হৈ গ'ল । তাতকৈ বেছিও হ'ল কোনো গাৱত। তেওঁলোকে কিন্তু আজি মাটিৰ পট্টা পোৱা নাই । তাৰ ভিতৰত মই দেৱানবাৰী, ইটাখুলি, শিহৰী ইত্যাদি গাৱঁৰ কথা ক'ৱ লাগিব । এই বিলাক গাওঁ তাত যুগ যুগ ধৰি এচ চি লোক সকলে  বাস কৰে, আমাৰ অনুসূচীত জাতিৰ লোক সকলে বাস কৰে । কিন্তু আজিলৈকে

তেওঁলোকক আমি মাটিৰ পট্টা দিব পৰা নাই। তাৰ পাছত মই আহিব খুজিছো অধ্যক্ষ মহোদয় বনগাও বিলাকলৈ , বনগাও বুলি ক'লে সাধাৰণতে আজি কালি যিবিলাক বনগাও উচ্ছেদ কৰি থকা হৈছে, তেনেকুৱা ধৰণৰ বনগাও নহয়। এই বনগাও বিলাক আমাৰ খিলঞ্জীয়া মানুহৰ বনগাও। তাত SC ৰ লোক আছে, তাত ST ৰ লোক আছে, OBC ৰ লোক আছে। after all they all are indegenious people, আটাইখিনিয়ে খিলঞ্জীয়া মানুহ। কিন্তু তেওঁলোকক আমি আজি মাটিৰ পট্টা দিব পৰা নাই কেৱল বনগাও বুলি। অথচ বনগাও আমিয়েই পাতি দিয়া। অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি তেওঁলোকক বনগাও বুলি মাটি দিয়া হ'ল। কিন্তু তেওঁলোকক মাটিটো আজিলৈকে নিজৰ নামত কৰি দিয়া নাই। আজিও বন বিভাগক তেওঁলোকে খাজানা দি মাটি খাই থাকিবলগীয়া হৈছে আৰু তাৰ কাৰণে তেওঁলোক বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। কৃষকৰ নামত আজি যিটো কৃষকৰ পঞ্জীয়ন চলি আছে, সেইটোও আজি তেওঁলোকে কৰিব পৰা নাই। এই ক্ষেত্ৰত মই উল্লেখ কৰিব লাগিব যে মোৰ অঞ্চলত থকা জকাই ২৬ ঘৰীয়া, ২৭ ঘৰীয়া, ৯ ঘৰীয়া, ১০ ঘৰীয়া এই বনগাও বিলাক মধুপুৰ তিনিচুকীয়া পাওলিগুৰি এই বিলাকত গোটেইবিলাক খিলঞ্জীয়া মানুহ বাস কৰিছে। তাতে SC, ST লোক সকল বাস কৰিছে। তাত মটক, নেপালী, আহোম, চুতীয়া, মিচিং, দেউৰী এই মানুহ বিলাক আছে যাক আজি আমি মাটি দিব পৰা নাই কেৱল বনগাওৰ সুবাদত। গতিকে ইয়াৰ এটা আমি স্থায়ী সমাধান বিচাৰো। অধ্যক্ষ মহোদয় গুৰুত্বপূৰ্ণ বিষয় কাৰণে মই ক'ব খুজিছো যে আমাৰ তাতে NC গাওঁ প্ৰায় ১১ খন মান আছিল। ১১ খন NC গাওঁ চৰকাৰে বিগত দিন বিলাকত, মই সদনত বহুতবাৰ তুলিলো। তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰীয়ে সেই সময়ত উদ্যোগ ল'লে, NC গাওঁ ৰ জৰীপ চলিল, কেইখন মান গাৱত তেওঁলোকক ভূমি পট্টা দিয়া হ'ল। কিন্তু বহুত কেইখন গাৱত এতিয়াওঁ ছাৰ্ভে কৰি থৈ দিছে। তেওঁলোকক মাটিৰ পট্টা এতিয়ালৈকে দিয়া নাই আৰু এই মানুহ বিলাকক ভূমিৰ অধিকাৰ দিব নোৱাৰাৰ কাৰণে কৃষক পঞ্জীয়ণ কৰাৰ পৰা আৰম্ভ কৰি পি এম কিষাণৰ লৈকে তেওঁলোকক কোনো ধৰণৰ

সুবিধা আমি দিব পৰা নাই। অধ্যক্ষ মহোদয় আৰু এটা বিষয় মই ক'ৰ খুজিছো যে আমাৰ তাত কেইখনমান গাওঁ আছে ৰায়তি খতিয়ান। তেওঁলোকে বহুত পুৰণি। কোনোবা এটা অঞ্চলত সেই সময়ত ৰায়তী ব্যৱস্থা আছিল। আজিৰ পৰা ৬০ – ৭০ বছৰ আগৰ তেওঁলোকৰ হাতত কাগজ আছে ৰায়তী হোৱা। পইচা দি থকা ৰচিদ আছে। কিন্তু আজি পৰ্য্যন্ত এই মানুহ বিলাকক আমি মাটিৰ পট্টা দিব পৰা নাই আৰু এই মানুহ বিলাকক কেতিয়া আমি খিলঞ্জীয়া কৰি কেতিয়া আমি অসমৰ অসমীয়া কৰি ল'ম। কাৰণ ইয়াত কোচৰাজবংশী, কলিতা আৰু অন্যান্য আমাৰ কৈৱৰ্ত লোকসকল আছে, এই মানুহখিনিক আমি কেতিয়া খিলঞ্জীয়া কৰিম, ভূমিৰ পট্টা বা ভূমিৰ ঠিকনা আমি কেতিয়া দিম এই কথা বিলাক আজি ভবাৰ সময় হৈছে। নহলে আমি ঘৰতে অঘৰী হ'ম। আমি বহুত কামেই কৰি আছো কিন্তু খিলঞ্জীয়া মানুহখিনিক নিজৰ কৰি ল'বৰ কাৰণে সাধাৰণ যি ২ বিঘা,৩ বিঘা,৪ বিঘা,৫ বিঘা যি মাটি আছে তেওঁলোকক আজি আমি মাটি দিব পৰা নাই। গোৱালাঘাটৰ কথা ক'ব লাগিব, কলাখোৱা থান গাৱঁৰ কথা ক'ব লাগিব। এই বিলাক গাৱঁৰ মানুহে তেনেধৰণে ভুগি আছে। অধ্যক্ষ মহোদয় মই আজি অসম চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিছো, মন্ত্ৰী মহোদয় হয়তু নাই সদনত, তেখেতে বানপানীৰ লগত যুঁজি আছে, আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয় আছে তেখেতৰ পৰা মই নিশ্চয় এটা ভাল উত্তৰ বিচাৰিম ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই উত্তৰ প্ৰদান কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে অতি গুৰুত্বপূৰ্ণ বিষয় এই বিধান সভাত উপস্থাপন কৰিছে। অধ্যক্ষ ডাঙৰীয়া, হয়, Forest area ত বহু খিলঞ্জীয়া ব্যক্তিয়ে মাটিৰ পট্টা নথকাকৈ বসবাস কৰি আছে। তাৰ কিছু গাইড লাইন আছে, Forest dwellers বা যি সকল ট্ৰাইবেল সেই সকল লোকেহে Forest ৰ মাটিত পট্টা পাব

পাৰে। অধ্যক্ষ ডাঙৰীয়া কিন্তু মই যিমানখিনি জানো আমাৰ বন ভূমিৰ ক্ষেত্ৰত অধি নিয়ম ১৯৮০ The Scheduled Tribes and other Traditional Forest Dwellers (Recognition of Forest Rights ) Act, 2006 ৰ অধীনত প্ৰনিত বিধি সমূহ আৰু অন্যান্য প্ৰযোজ্য আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অধ্যক্ষ ডাঙৰীয়া Forest Right Act 2006 ৰ অধীনত কেৱল অনুসূচীত জন জাতি আৰু আইনত সংগৃহীত other traditional Forest dwellers সকলৰ দাবী সমূহ গ্ৰাম সভা, Sub-Divisional Level Committee, মানে SDLAC আৰু District Level Committee মানে DLC ৰ জৰিয়তে পৰীক্ষা কৰি আইন অনুসৰি যোগ্য বিবেচিত হ'লেহে বন অধিকাৰ স্বীকৃতি প্ৰদান কৰিব পাৰি। অধ্যক্ষ ডাঙৰীয়া, যদি কোনো খিলঞ্জীয়া ব্যক্তি, তেখেত যেনেকৈ কোচৰাজবংশী সকলৰ কথা কৈছে, Schedule Caste সকলৰ কথা কৈছে, কলিতা সকলৰ কথা কৈছে, আহোম সকলৰ কথা কৈছে , নেপালী সকলৰ কথা কৈছে। তেওঁলোক যিহেতু খিলঞ্জীয়া ব্যক্তি আৰু তেওঁলোকে যদি ৭৫ বছৰ তাত বসবাস কৰিছে আৰু যদি গ্ৰাম সভাই বা গাওঁবুঢ়াই স্বীকৃতি দিয়ে বা লিখি দিয়ে যে তেওঁলোক ৭৫ বছৰ Forest মাটিত বসবাস কৰিছে, তেতিয়া অধ্যক্ষ ডাঙৰীয়া আমাৰ চৰকাৰে তেখেত সকলকো forest dweller হিচাবে পট্টা দিবলৈ সাজু আছে বা দিব পৰা যাব। অধ্যক্ষ ডাঙৰীয়া, VGR, PGR টো তেনেকৈ নীতি নিয়ম আছে। কিন্তু মই ক'ব খুজিছো, মহামান্য উচ্চতম ন্যায়ালয়ে Jogpal Singh and others vs State of Punjab and others, Civil appeal No. 1132/2001 judgement dated 28-01-2011 গোচৰত ৰায়দান কৰি স্পষ্টভাৱে উল্লেখ কৰিছে যে গাওঁ সভা, গাওঁ পঞ্চায়ত অথবা গাওঁবাসীৰ উমৈহতীয়া ব্যৱহাৰৰ বাবে সংৰক্ষিত ভূমি যাৰ ভিতৰ গোপচাৰ বা চৰণীয়া ভূমি অন্তৰ্ভুক্ত। সেই সমূহ ভূমি উমৈহতীয়া ব্যৱহাৰৰ বাবে সংৰক্ষিত হৈ থাকিব লগিব। এনে ভূমিত হোৱা অবৈধ দখল সাধাৰণতে নিয়মীয়াকৰণ কৰিব নোৱাৰি। অধ্যক্ষ ডাঙৰীয়া, কেৱল ব্যতিক্ৰমী পৰিস্থিতিত যেনে চৰকাৰী আঁচনিৰ অধীনত ভূমিহীন শ্ৰমিক কেইটামান বিশেষ পৰিৱেশত যেনে চৰকাৰী আঁচনিৰ অধীনত ভূমিহীন শ্ৰমিক, অনুসূচীত জাতি বা

জনজাতিৰ সদস্য সকলক lease প্ৰদান কৰা হোৱা হ'লে বা থাকিলে বা ইতিমধ্যে বিদ্যালয়, চিকিৎসালয় বা অন্য কোনো জনস্বাৰ্থমূলক প্ৰতিষ্ঠান স্থাপিত হৈ থাকিলে তেনে ক্ষেত্ৰতহে নিয়মীয়াকৰণৰ ব্যৱস্থা কৰিব পৰা যায়। কিন্তু অধ্যক্ষ ডাঙৰীয়া, এইটো VGR, PGR ৰ ক্ষেত্ৰত। মই ইতিমধ্যে বন বিভাগৰ কথাখিনি ক'লো যে যিসকল খিলঞ্জীয়া ব্যক্তিয়ে ৭৫ বছৰ বসবাস কৰিছে আৰু যদি গাঁওবুঢ়া বা গাওঁসভাই তেওঁলোকক স্বীকৃতি দিয়ে তেতিয়া তেওঁলোকে নিশ্চয়কৈ মাটিৰ পট্টা লাভ কৰিব। অধ্যক্ষ ডাঙৰীয়া সন্মানীয় সদস্য গৰাকীয়ে Non-cadastral ভূমিৰ জৰীপৰ কথা কৈছে। এই ক্ষেত্ৰত বিভাগে নিশ্চিতভাৱে ক্ষীপ্ৰতাৰে কাম কৰিব বুলি আশ্বাস দিছো।

**মাননীয় অধ্যক্ষ :** এতিয়া মই মাননীয় সদস্য ডাঃ আচিফ মহম্মদ নাজাৰক দৈনন্দিন বাৰ্তা বাতৰি কাকতত প্ৰকাশিত ''ভূৰাগাওঁ আৰক্ষীৰ জালত চাইবাৰ অপৰাধী চামিম আহমেদ'' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) :** মাননীয় অধ্যক্ষ মহোদয়, ড্ৰাগছ আৰু চাইবৰ দুয়োটা হ'ল সামাজিক ব্যাধি। এই ড্ৰাগছ আৰু চাইবাৰে এজন ব্যক্তিৰ মানসিক স্বাস্থ্য আৰু সামাজিক শান্তি দুয়োটা শেষ কৰি দিয়ে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ লাহৰীঘাট সমষ্টিটোত ড্ৰাগছ আৰু চাইবাৰে বহু পৰিয়াল, বহু যুৱপ্ৰজন্মক শেষ কৰি দিলে। কিছুদিন আগতে বাতৰি কাকতত প্ৰকাশ পাইছিল ভূৰাগাঁও আৰক্ষীৰ জালত চাইবাৰ অপৰাধী চামীম আহমেদ। মাননীয় অধ্যক্ষ মহোদয়, ভূৰাগাঁও আৰক্ষীয়ে তেখেতক ধৰাৰ পিছত সেই অপৰাধীজনৰ পৰা দহটা ATM, বাৰটা পাছবুক, নটা swipe মেচিন, ছটা মোবাইল, Jio ফাইভাৰ ৪ টা আৰু হাৰ্ডৱেৰ হাৰ্ড disc তিনিটা জব্দ কৰিবলৈ সক্ষম হৈছিল। কোটি কোটি টকাৰ সম্পত্তি তেখেতে বনাইছে আৰু উল্লেখ কৰিছে যে এই চাইবাৰ অপৰাধীজন আগতো ২-৩ বাৰ ধৰা পৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, মৰিগাঁও জিলাত ২০২৫ চনৰ পৰা প্ৰায় এহেজাৰৰো অধিক চাইবাৰ অপৰাধী ধৰা পৰিছে। এই মৰিগাঁও জিলাৰ আৰক্ষীয়ে আপোনাৰ আইনৰ জৰিয়তে

গোটেই অসমৰ ভিতৰত প্ৰথম বাৰৰ বাবে প্ৰায় দুই তিনি কোটি টকাৰ মাটি সম্পত্তি জব্দ কৰিছে এজন চাইবাৰ অপাৰাধীৰ পৰা আৰু সেইটো মোৰ সমষ্টি। মাননীয় অধ্যক্ষ মহোদয়, ২০১৮ চনৰ পৰা ৰঘুমালাৰ দৰে আৰৰি ধৰি মৰিগাঁও জিলাত ২০২৩, ২০২৪ আৰু ২০২৫ বৰ্ষৰ ভিতৰত ৩০৫ টা চাইবাৰ অপৰাধীৰ কেচ গোচৰ ৰুজু হৈছে, চাইবাৰ অপৰাধীক ধৰিছে। এই সকলো অভিযান চলিছিল সেই সময়ৰ SP হেমন্ত দাস আৰু চাইবাৰ crime ৰ Additional SP তেখেতৰ নাম আছিল সমীৰণ বৈশ্যৰ নেতৃত্বত আৰু সেই সময়ত প্ৰায় ৫০ টা কেচ ৰুজু হৈছিল আৰু একে সময়তে মৰিগাঁও জিলাৰ পৰা ৫০ কোটি এই চাইবাৰ অপৰাধীসকলে পঞ্চাছ কোটি টকাৰ বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ভূৰাভাৱে লুটপাট কৰি লুন্ঠন কৰিছিল আৰু তাৰ পৰা ১ কোটি ২০ লাখ টকা আমাৰ মৰিগাঁও আৰক্ষীয়ে উদ্ধাৰ কৰি বিভিন্ন প্ৰতিষ্ঠানক ঘূৰাই দিছিল , কিন্তু কথা হ'ল তেখেতসকল ওলাই যোৱাৰ পিছত জেলৰ পৰা এতিয়া লাহে লাহে ওলাই আছে। তাৰ পিছত দেখা যায়, তেখেতসকলে ৰাজহুৱা জীৱন-যাপন কৰে, বিলাসী জীৱন, ডাঙৰ ডাঙৰ ব্যৱসায় খুলিছে । আমাৰ মৰিগাওঁ জিলাত যেতিয়ালৈকে সমীৰণ বৈশ্য, হেমন্ত দাস ডাঙৰীয়া আছিল, তেতিয়ালৈ এই চাইবাৰ অপৰাধীৰ ওপৰত অভিযান চলিছিল। কিন্তু হঠাতে এই অভিযান এতিয়া বন্ধ হৈ গ'ল। এতিয়া প্ৰশ্ন হৈছে যে, চাইবাৰ অপৰাধীসকলে জেলৰ পৰা ওলাই অহাৰ পিছত অপৰাধ কৰা বন্ধ কৰি দিলে নে আৰক্ষীৰ অদক্ষতাৰ কাৰণে পুনৰ তলে তলে সেই চাইবাৰ চলি আছে। মাননীয় অধ্যক্ষ মহোদয়, এই চাইবাৰ অপৰাধীয়ে যেতিয়া অপৰাধ কৰিছিল তেতিয়া আৰক্ষীয়ে জব্দ কৰা মাটি সম্পত্তি, মোৰ সমষ্টিৰ গোৱালগুৰি ছবিফুল ইছলাম, তাৰ ঘৰৰ ওচৰৰে চিৰাজুল, আজাহাৰুল, মৌৰাবাৰীৰ তাতিকটাৰ, মুচাদ্দিক হুচেইন, মোস্তাফিজুৰ, লেংৰিগুৰিৰ চাইফুল ইছলাম, ইক্ৰামুল চহৰীয়া, লালিঘাটৰ মফিদুল ইচলাম, এই বিভিন্ন চাইবাৰ অপৰাধী অকল এবাৰ নহয়, এবাৰ জেললৈ যায় আৰু বিভিন্ন ছল-ছাতুৰি কৰি ওলাই আহে আকৌ সেই একেইজন মানুহকে তিনি চাৰিবাৰ এই যিকেইটাৰ নাম কৈছো, মিনিমাম ৪-৫ বাৰ জেললৈ লৈ গৈছে। এতিয়া মই সুধিব

বিচাৰো তেখেতসকলে  কি ধৰণে বাৰে বাৰে ওলাই আহে আৰু তেখেতসকলে জেলৰ পৰা ওলাই পেলাই যি ধৰণে বিলাসী জীৱন-যাপন কৰি আছে তাৰ উৎস কি ? এই উৎসৰ কাৰণে আমি CID বা ED ৰ দৰে কোনো ব্যৱস্থা কৰি, কাৰণ যিসকল চাইবাৰ অপৰাধী আছে তেখেতসকল দৰিদ্ৰ ঘৰৰ থাকে বা তেখেতসকল ভালদৰে চলিব নোৱাৰে, কিন্তু জেলৰ পৰা ওলোৱাৰ পিছত তেখেতসকলৰ ভাল ভাল গাড়ী, আইফোন বা বহুত ভাল ভাল মোবাইল  লৈ  ঘূৰি থাকে। বিভিন্ন সা-সম্পত্তি কৰিছে, কোটি কোটি টকাৰ সম্পত্তি। গতিকে মই ভাবো যে, এই চৰকাৰে যি ধৰণে বাল্য বিবাহ, বহু বিবাহৰ ওপৰত যি ব্যাধী আছিলে সামাজিক ব্যাধী সেইবোৰ যি ধৰণে নিৰ্মূল কৰিবৰ বাবে ব্যৱস্থা লৈছে, আইন বনাইছে, তেনেকুৱা এটা আইন বনাব নোৱাৰে নে ? এনেকুৱা এটা আইন বনাব লাগে যি আইনে আপোনাৰ এবাৰ চাইবাৰ অপৰাধ কৰাৰ পিছত  দ্বিতীয় বাৰ কৰিলে যাতে ৫-৬ বছৰ জেল হয়, তেতিয়াহে এই চাইবাৰ অপৰাধ নিৰ্মূল কৰিব পাৰিম কাৰণ এই চাইবাৰ অপৰাধীসকলে আপোনাৰ easy money কোনো কাম নকৰাকৈ পইচা অৰ্জন কৰিব পাৰে কাৰণে তেখেতসকলে লাহে লাহে এতিয়া ড্ৰাগছৰ ব্যৱসায়ত লিপ্ত হৈছে। এইটো অকল মৰিগাঁও জিলাৰ কথা নহয়, গোটেই অসমতে এইটো অৱস্থা। গতিকে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিম এখন আইন আনক, আইন আনি  যাতে এবাৰ চাইবাৰ অপৰাধত ধৰা পৰাৰ পিছত, দ্বিতীয়বাৰ  ধৰা পৰিলে ৫-৬ বছৰৰ কাৰাদণ্ড হয়, তেতিয়াহে আমি এই চাইবাৰ অপৰাধ নিৰ্মূল কৰিব পাৰিম।

**माननीय अध्यक्षः**  এতিয়া গৃহ বিভাগৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই উত্তৰ দিব। উক্ত বিষয়টোৰ ওপৰত  আইন এখন অনাৰ কথা কৈছে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী ):**  অধ্যক্ষ ডাঙৰীয়া, তেখেতৰ সমষ্টি লাহৰীঘাট জামতাৰা হৈ গ'ল। আমি সকলোৱে জানো যে ঝাৰখণ্ডত এখন জামতাৰা বুলি ঠাই আছে। সেই জামতাৰা ঠাইখন অধ্যক্ষ ডাঙৰীয়া অনাকাংক্ষিতভাৱে কুখ্যাত ঠাইলৈ ৰূপান্তৰ হৈছিল। এই জামতাৰাত

আজিৰ পৰা ৭-৮ বছৰ আগত ভাৰতৰ সকলোতকৈ বেছি চাইবাৰ ক্ৰাইম কৰা ঠাইলৈ ৰূপান্তৰ হৈছিল। সেই অঞ্চলৰ গোটেই মানুহ চাইবাৰ ক্ৰাইমত লিপ্ত হৈছিল অধ্যক্ষ ডাঙৰীয়া , তাৰ ওপৰত ভিত্তি কৰি চিনেমা, web series আদি বনোৱা হৈছে। তাত এতিয়াও চলি আছে কিন্তু কঠোৰ হৈছে। মই উপলব্ধি কৰো কাৰণ ময়ো মৰিগাওঁ জিলাৰ ব্যক্তি। আমাৰ ফালে হোৱা নাই, তেখেতসকলৰ ফালে হৈছে এই চাইবাৰ ক্ৰাইমবোৰ । অধ্যক্ষ ডাঙৰীয়া, Lahorighat has become Jamtara of Assam. সন্মানীয় সদস্য গৰাকীয়ে এটা ভাল কথা কৈছে যে কঠোৰ অত্যন্ত হ'ব লাগে বুলি অধ্যক্ষ ডাঙৰীয়া। বিল অনাৰ কথা কৈছে আমি বিল আনিবলৈ যত্ন কৰিম অধ্যক্ষ ডাঙৰীয়া । কিন্তু বেছি কঠোৰ হ'লেও আপোনালোকে আকৌ বেয়া পায় যায় নহয়। অধ্যক্ষ ডাঙৰীয়া, বেছি কঠোৰ হ'লে পুলিচে Crime Scene ত লৈ যাব, তাৰ পৰা পলাব, পুলিচক গতিয়াব, তেতিয়া পুলিচে কিবা এটা কৰিলে আপোনালোকে জাঙুৰ খাই উঠিব, হয় নে নহয় ?

**মাননীয় অধ্যক্ষঃ** নাই, সদনত কথা দিছে তেওঁলোকে জাঙুৰ খাই নুঠো বুলি।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী):** চাইবাৰ অপৰাধীয়ে যদি পুলিচক খেদি, মাৰি পলায় যায় তেতিয়া পুলিচে যিকোনো কাম কৰিব পাৰে আপোনালোকে কথা দিছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা )ঃ** আমি আপোনাৰ লগত থাকিম কিন্তু সকলো ঠাইতে একে থাকিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী):** সকলো ঠাইতে একে হ'ব, গোটেই অসমতে হ'ব। আজি অধ্যক্ষ ডাঙৰীয়া ভাল কথা, positive কথা এটা কৈছে তেখেতসকলে। অধ্যক্ষ ডাঙৰীয়া গড় হত্যাকাৰী যদি পলাই যায়, ড্ৰাগছ সৰবৰাহকাৰী যদি পলাই যায়, Smugglar যদি পলাই যায় পুলিচক মাৰি, পুলিচে যদি অলপ কিবা এটা কৰে নিজক বচাবলৈ তেতিয়া তেওঁলোকে হুলস্থুল কৰে। অধ্যক্ষ মহোদয়, আজি মই বিৰোধীক ধন্যবাদ জ্ঞাপন কৰিছো,

তেখেতসকলে সমস্বৰে কথা দিছে, দিছে নে নাই ? গড় হত্যাকাৰীৰ ক্ষেত্ৰত দিছে নে নাই, ড্ৰাগছ্ সৰবৰাহকাৰীৰ ক্ষেত্ৰত দিছে নে নাই ?

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা )ঃ** Any অপৰাধ ৰোধৰ ক্ষেত্ৰত আমি আছো আপোনালোকৰ লগত।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** যিকোনো অপৰাধ, sure ? অধ্যক্ষ মহোদয়, পুলিচক মাৰিব লাগিব, পুলিচক খেদিব লাগিব, আগতে আপোনালোকে বেয়া পায়...

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** আপোনালোকে encounter ক উৎসাহিত নকৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** নাই, নাই, particular case হ'ব লাগিব। অধ্যক্ষ মহোদয়, এইখিনিতেই ৰহিম ডাঙৰীয়াই কথাৰ পাকটো লগাই দিলে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** আপোনালোকে criminal ক কৰক, তাত আমাৰ কোনো আপত্তি নাই।

**মাননীয় অধ্যক্ষ :** তেনেহ'লে হাত-চাপৰি মাৰক সকলোৱে।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** Yes, হাত-চাপৰি মাৰক। চাইবাৰ অপৰাধী, ধৰ্ষণকাৰী...

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** এইখিনিতে মোৰ এটা objection আছে। Power misuse কৰে, অতীতত দেখিবলৈ পাইছো যে power ৰ বহুত misuse কৰা হৈছে, misuse নকৰিব। দোষীয়ে শাস্তি পাব লাগে।

**মাননীয় অধ্যক্ষ :** ঠিক আছে, হ'ব।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** Misuse নহয়। অধ্যক্ষ মহোদয়, Power ৰ misuse শ্বেৰমান আলী ডাঙৰীয়াতকৈ আন কোনোবাই বেছিকৈ কৰে জানো ! তই-তই কৰি ধমকি দিয়ে...

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** এনেকুৱা ঘটনাও আছে যে পুলিচে অপৰাধীক গাড়ীৰ পৰা নামিবলৈ দি কয়-"দৌৰ", তাৰপিছত....

**माननीय অধ্যক্ষ :** Please, পায়স বনাই আছে, তাত কেৰাচিন ঢালি নিদিব, গোটেই পায়সখিনি বেয়া হৈ যাব।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** ছাৰ, আমাৰ ১২৬ জন বিধায়কৰ ভিতৰত misuse of power শ্বেৰমান আলী ডাঙৰীয়াতকৈ কোনোবাই বেছিকৈ কৰে নেকি?

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ছাৰ, তেখেতে একেবাৰে  অসত্য কথা কৈ আছে।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** ভিডিঅ'টো আমি চাই থাকো, বহুত ভাইৰেল হৈছে। তাত তেখেতে কিছুমান শব্দও ব্যৱহাৰ কৰে যিবোৰ আমি ব্যৱহাৰ কৰিব পৰা বিধৰ নহয়।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** তেনেদৰে যদি কিছু অপৰাধ ৰোধ কৰিব পৰা যায় তেনেহ'লে সেয়া বেয়াতো নহয়।

**माननीय অধ্যক্ষ :** মন্ত্ৰী ডাঙৰীয়া, তেখেতে সেইবোৰ কৰিয়ে জয়ী হৈ আহিছে।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** অধ্যক্ষ ডাঙৰীয়া, অলপ ধেমালী কৰিলো, কিমান নো আৰু আমি চিৰিয়াচ হৈ থাকিম !

**माननीय অধ্যক্ষ :** ময়ো অলপ ধেমালী কৰিলো।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** অধ্যক্ষ ডাঙৰীয়া, গুৰুত্বপূৰ্ণ বিষয়টোলৈ পুনৰ ঘূৰি আহিছো। আজি বিধান সভাৰ বিৰোধী সদস্যসকলে কৈছে যে অপৰাধীৰ ক্ষেত্ৰত দয়া, মায়া বা মমতা নাই, যদি পুলিচক আক্ৰমণ কৰে বা পুলিচৰ পৰা যদি পলাবলৈ চেষ্টা কৰে, চাইবাৰ অপৰাধী, ধৰ্ষণকাৰী, গড় হত্যাকাৰী, drug peddlers আদি সকলোৰে ক্ষেত্ৰত পুলিচে যিকোনো action ল'ব পাৰিব বুলি এটা ইতিবাচক proposal দিছে আৰু ইয়াৰ বাবে মই তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াক অৱগত কৰি বিৰোধী দলৰ সদস্যসকলক পুনৰবাৰ কৈছো যে drug peddlers, drug smugglers, ধৰ্ষণকাৰী আৰু অতি নৃসংশভাৱে হত্যা কৰা হত্যাকাৰী, চাইবাৰ অপৰাধী আদি সকলে যদি crime scene লৈ যাওঁতে পুলিচৰ পৰা পলাবলৈ চেষ্টা

কৰে, পুলিচক আক্ৰমণ কৰিবলৈ চেষ্টা কৰে, আজি বিৰোধী পক্ষই সমস্বৰে কৈছে যে তেওঁলোকৰ ওপৰত পুলিচে যিকোনো action ল'ব পাৰে। গতিকে আমি action ল'ম। আজি মই ম: আচিফ নাজাৰ ডাঙৰীয়াক ক'ব বিচাৰিছো যে যিহেতু মই মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী সেয়ে মৰিগাঁও জিলাৰ SP গৰাকীক এইক্ষেত্ৰত অতি কঠোৰ হ'বলৈ ক'ম, লাহৰিঘাট জামতৰা হ'ব নোৱাৰে। লাহৰিঘাট মানে মৰিগাঁও, মৰিগাঁও মানে অসম, গতিকে অসমত বেয়া পৰিৱেশ আৰু অসমৰ বেয়া নাম হ'ব নোৱাৰে। আজি মই DGP ডাঙৰীয়া, মৰিগাঁৱৰ SSP ডাঙৰীয়া, আৰু লাহৰিঘাটৰ CDSP ডাঙৰীয়াক মোৰ চেম্বাৰলৈ আহিবলৈ ক'ম আৰু এই বিষয়ত অতি কঠোৰ হ'বলৈ আহ্বান জনাম আৰু নিৰ্দেশ দিম।

**মাননীয় অধ্যক্ষ :** Thank you, everybody. আপোনালোকৰ সহযোগীতাৰ কাৰণে আজিও শূন্যকালীন ঘণ্টাত আমি ৮ টা বিষয় উত্থাপন কৰিবলৈ সক্ষম হৈছো আৰু বিষয়সমূহৰ ওপৰত মন্ত্ৰীসকলেও ইতিমধ্যে উত্তৰ প্ৰদান কৰিছে। সকলোকে মই ধন্যবাদ জনাইছো।

Now, I request Shri Bikan Chandra Deka, MLA to call attention of the Hon'ble Minister, Housing and Urban Development Department Under the Rule 54 of the Rule of Procedure and Conduct of Business in Assam Legislative Assembly relating to "গুৱাহাটীত বৰষুণৰ বতৰত হোৱা আকস্মিক নগৰীয়া বান (Flash Flood)ৰ সমস্যা সমাধানৰ বাবে চৰকাৰে বিভিন্ন উন্নয়ণমূলক পদক্ষেপ গ্ৰহণ কৰি আছে। কিন্তু দ্ৰুত নগৰীকৰণ, অত্যাধিক কংক্ৰীটীকৰণ আৰু বৰষুণৰ পানী মাটিৰ তললৈ শোষিত হোৱাৰ সুযোগ হ্ৰাস পোৱাৰ ফলত আকস্মিক বানপানীৰ সমস্যা আৰু ভূগৰ্ভস্থ জলস্তৰ (Groundwater Level) হ্ৰাস পোৱাৰ বিষয়টোও একেলগে গুৰুত্ব লাভ কৰিছে" আৰু এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিবলৈ শ্ৰী বিকন চন্দ্ৰ ডেকাক আহ্বান জনাইছো।

**শ্ৰী বিকন চন্দ্ৰ ডেকা (টংলা) :** ৫৪ নং নিয়মৰ অধীনত এই বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ বাবে অধ্যক্ষ মহোদয়, মই আপোনাক আন্তৰিক ধন্যবাদ জ্ঞাপন

কৰিছো। আমি সকলোৱে জানো যে গুৱাহাটী উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ, কিন্তু বৰ্তমান যি flash flood বা আকস্মিক বান, সেই আকস্মিক বানে গুৱাহাটীত বিভিন্ন সময়ত বিভিন্ন ঠাইত অসুবিধাৰ সৃষ্টি কৰি আহিছে আৰু গুৱাহাটীখনৰ যি এক সৌন্দৰ্য্য বা গুৱাহাটীলৈ মানুহে যি এটা আশা লৈ আহে সেই আশা ভংগ হোৱা পৰিলক্ষিত হয়। এইক্ষেত্ৰত চৰকাৰে বহুখিনি পদক্ষেপ লৈছে, কিন্তু কৰণীয় বহুখিনি আছে। কেৱল চৰকাৰৰে নহয় ইয়াত ৰাইজৰো কৰণীয় আছে। কাৰণ এই বিষয়ত সকলোৱে responsibility ল'ব লাগিব। আমি যদি অসমৰ বানপানীলৈ চাবলৈ যাঁও তেনেহ'লে ১৯৫০ চনলৈ চাব লাগিব। ১৯৫০ চনত যি বৰ ভূইকঁপ হৈছিল তাৰফলত ব্ৰহ্মপুত্ৰ নদীৰ যি topographical change হ'ল তাৰবাবে পৰৱৰ্তী সময়ত বহুতবাৰ বানপানীৰ সন্মুখীন হ'বলগীয়া হৈ আহিছে। তাৰ ফলশ্ৰুতিত ১৯৫৪ চনত অসমত আটাইতকৈ ডাঙৰ বানপানী হৈছিল আৰু সেই বানপানীত অসমত প্ৰায় ৪০ লাখ মানুহ আক্ৰান্ত হৈছিল। এতিয়া গুৱাহাটীক কেন্দ্ৰকৰি গোটেই কথাখিনি যদি আমি অধ্যয়ণ কৰিবলৈ যাওঁ তেনেহ'লে দেখিবলৈ পাম যে গুৱাহাটীত আটাইতকৈ বেছি rainfall হৈছিল ১৯৫৬ চনৰ জুন মাহত আৰু সেইদিনাখন 194 mm rainfall হৈছিল। তাৰ পৰৱৰ্তী কালত ১৯৭৯ চনত highest 139 mm আৰু ১৯৮৫ চনত 179 mm rainfall হৈছিল। ২০২৬ চনত এতিয়ালৈকে highest recorded rainfall হৈছে যোৱা জুলাই মাহৰ ২০ তাৰিখে 137.8 mm. ইয়াৰ ফলত flash flood বা আকস্মিক বান পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু ইয়াৰ মূল কাৰণটো চাবলৈ গ'লে আমি দেখিম যে গুৱাহাটীত এটা সময়ত বহুত drainage basin আছিল, যেনে- ভৰলু বেচিন, দীপৰ বিল বেচিন, শিলসাঁকো বেচিন, বৰচলা বেচিন, নৰ্থ-গুৱাহাটী বেচিন আৰু কালমণি বেচিন। এই গোটেইখিনি বেচিনৰ অৱস্থা পৰৱৰ্তী কালত তথৈবচ হৈ পৰিল। ইয়াৰ উপৰিও সমগ্ৰ গুৱাহাটীতে মুঠ ৪৫০ টা বিভিন্ন ধৰণৰ পুখুৰী বা বিল আছে, কিন্তু ২টা মানৰ বাহিৰে বাকী এই পুখুৰী বা বিলসমূহৰ অস্তিত্ব এতিয়া পাবলৈ নাই, যাৰবাবে গুৱাহাটীত বৰষুণৰ পানী জমা হয় আৰু সেই পানীখিনি ওলাই যাবলৈ বাট নাথাকে। এতিয়া কথাটো হ'লে যে গুৱাহাটীত

বৰষুণৰ এই পৰিমাণে কেনেকৈ আমাক অতিষ্ঠ কৰি তুলিছে, আমি যদি চাওঁ যিখিনি বৰষুণ হয় সেই বৰষুণেই run-up water হৈ বানপানীৰ সৃষ্টি কৰে। কাৰণ আমাৰ গাঁৱত ৩ দিন ধৰি যদি নেৰা-নেপেৰাকৈ বৰষুণ হ'লেও বানপানী নহয়, কাৰণ তাত বৰষুণৰ পানীখিনি মাটীৰ তললৈ সোমাই যায় বা percolate down হয়। এটা সময়ত আমি  যি জলভাণ্ডাৰ তাক ৰিচাৰ্জো কৰিব লাগিব আৰু এই জলভাণ্ডাৰ ৰিচাৰ্জ কৰাৰ দুটাই উপায় আছে, এটা হ'ল natural recharging আৰু আনটো artificial recharging. Natural recharging ত যিখিনি বৰষুণ হয় সেইখিনি permeable স্তৰৰ জৰিয়তে যেতিয়া percolate down হয় তেতিয়া বানপানীৰ পৰিমাণ ক্ৰমাগতভাৱে কমি যায়। কিন্তু সেই অঞ্চলবোৰত যেতিয়া আমি pavement, concrete আদি ব্যৱহাৰ কৰো তেতিয়া বৰষুণৰ পানী percolate down নহয়, আৰু সেই পানীখিনি লাহে –লাহে run-up হিচাপে আহি আকস্মিক বানপানীৰ সৃষ্টি কৰে, যিটো গুৱাহাটীত বৰ্তমান হৈ আছে। গতিকে আমাৰো responsibility আছে, আজিও বাৰে-বাৰে চৰকাৰক গালি পাৰি থকা হয় যে চৰকাৰে কি কৰি আছে, disaster management বিভাগে কি কৰি আছে ? কিন্তু মই ক'ব বিচাৰো যে এই দায়িত্ব প্ৰত্যেক ৰাইজৰ, প্ৰতিজন ব্যক্তিৰে আছে। কাৰণ যেতিয়া আমি ঘৰ বনাঁও ঘৰৰ চৌহদটোত concrete ৰে pavement নিৰ্মাণ কৰো আৰু বৰষুণৰ পানীখিনি বাহিৰলৈ উলিয়াই দিওঁ। সেই পানীয়ে ৰাস্তাত বানপানীৰ সৃষ্টি কৰে আৰু তাৰপিছত ৰাইজে চৰকাৰক গালি পাৰে যে বানপানী হৈছে, ৰাস্তা-পদূলী পানীৰে সম্পূৰ্ণ ভৰি পৰিছে। ইয়াৰ বাবে proper rain water harvesting structure নিৰ্মাণ কৰিবলৈ চৰকাৰে কিছুমান by law বনাব লাগিব। মই জনাত এতিয়ালৈকে তেনেকুৱা ধৰণৰ by law বনোৱা হোৱা নাই। Rain Harvesting Structure মানে এটা চিনটেক্স ড্ৰাম লগাই ঘৰৰ ওপৰৰ পানীখিনি সংগ্ৰহ কৰাটো নুবুজায়। আমি কিছুমান উন্নত চহৰৰ কথা আলোচনা কৰিব লাগিব। আমি চাব লাগিব যে Orange Country কেলিফ'ৰ্ণিয়াত এটা Rain Harvesting Structure ৰ পৰা প্ৰায় ১০০ মিলিয়ন গেলেন filter water মাটিৰ তললৈ inject কৰে আৰু ১০০ মিলিয়ন গেলেন পানী প্ৰায় ৩৮ কোটি লিটাৰৰ

সমান। গোটেই বছৰটোত এটা চিষ্টেমেই প্ৰায় ৯০ বিলিয়ন গেলেন পানী inject কৰে, যি প্ৰায় ৩৪০৬ কোটি লিটাৰৰ সমান। আমি যদি গুৱাহাটী চহৰখন চাওঁ, আমাৰ গুৱাহাটীত বৰষুণ কিমান হয় ? যোৱা ২০ জুলাই তাৰিখে গুৱাহাটীত হোৱা বৰষুণৰ মুঠ পৰিমাণ হৈছে প্ৰায় ৪৫১৪ কোটি লিটাৰ পানী জমা হৈছিল। গুৱাহাটীৰ পানীৰ বাবে drainage system লাগিব বুলি ৰাইজে কৈ থাকে। কিন্তু গুৱাহাটীৰ গোটেই GS road টো খান্দিও যদি drain বনোৱা হয়, তেতিয়াও এই পানীখিনি উলিয়াই নিব নোৱাৰি। কাৰণ drainage system দ্বাৰা এই পানীখিনি উলিওৱা সম্ভৱ নহয় যেতিয়ালৈকে পানীখিনি percolate down নহয়। আমি যদি হিচাপ কৰি চাওঁ যে ৬ ফুট বহল আৰু ৬ ফুট দ এটা ড্ৰেইন খান্দো আৰু ৩ কিলোমিটাৰৰ যদি ড্ৰেইন বনাওঁ সেই ড্ৰেইনটোৱে মাত্ৰ ৬৬ লাখ লিটাৰ পানী বহন কৰিব পাৰিব। কিন্তু আমাৰ বৰষুণ পৰি ৪৫১৪ কোটি লিটাৰ পানী জমা হৈছিল। সেয়েহে এই গোটেইখিনি কাম কৰিবলৈ হ'লে আমাক Rain Harvesting Structure লাগিব। ইয়াৰ বাবে আমি by law বনাব লাগিব। আমাৰ যিবোৰ ফ্লেট আছে বা আমাৰ প্ৰতিটো ঘৰৰ চৌহদত কংক্ৰিট কিছুমান চিষ্টেম বনাব লাগিব আৰু তাত Rain Harvesting Structure বনাবৰ বাবে তেখেতসকলক ক'ব লাগিব। Rain Harvesting Structure ৰ কাৰণে এটা হিচাপ থাকিব। যেনেকৈ আমি যদি ভাৱো আমাৰ এক কঠা মাটিত এটা ঘৰ আছে আৰু তাত বৰষুণৰ গড় হিচাপ কৰি আমি কম যে এটা নিৰ্দ্দিষ্ট সময়ত ৩৫ হাজাৰ লিটাৰ বৰষুণৰ পানী সংগ্ৰহ কৰিব পাৰিম। সেই পানীখিনি কেনেকৈ inject কৰিব পৰা যাব তাৰ বাবে এটা চিষ্টেম আছে। এই বিষয়ে মই খুব চুটিকৈ ক'ম। আমি ground water খিনি নষ্ট কৰিব নোৱাৰো। গতিকে তাত filtration plant থাকিব আৰু সেই filtration plant ৰ দ্বাৰা reverse pumping system ৰ দ্বাৰা পানীখিনি push কৰি দিব। এইটোৱেই হৈছে চিষ্টেম আৰু আজিকালি এনেকুৱা চিষ্টেম পৰ্য্যাপ্ত পৰিমাণে আছ। গতিকে মই চৰকাৰৰ পৰা জানিব বিচাৰিছো যে Rain Harvesting Structure ৰ ক্ষেত্ৰত বা Rain Harvesting ৰ ক্ষেত্ৰত আমি কিমানখিনি কৰিছো। আমি যদি সদায় চৰকাৰে বদনাম পাই থাকিব নালাগে,

তেন্তে Rain Harvesting Structure ঠিকমতে ডিজাইন কৰিব লাগে, যাতে আমি আমাৰ এই পানী জমা হোৱাৰ সমস্যাটো সমাধান কৰিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী ডাঙীয়াই উত্তৰ দিব।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী বিকন চন্দ্ৰ ডেকা ডাঙৰীয়াই Rule-54 ৰ অধীনত এটা গুৰুত্বপূৰ্ণ বিষয় ইয়াত উত্থাপন কৰিছে আৰু সেই বিষয়ৰ মাজত আমাৰ গুৱাহাটীৰ যি আকস্মিক বানপানীৰ সমসা হৈ আছে, Flash Flood, Ground Water Level, Rain Water Harvesting এই গোটেই কথাখিনি তেখেতে উত্থাপন কৰিছে । ইয়াৰ লগতে বহু গুৰুত্বপূৰ্ণ পৰামৰ্শ তেখেতে আগবঢ়াইছে । এই ক্ষেত্ৰত মই কিছু কথা ক'ব বিচাৰিছো । গুৱাহাটী পৌৰ নিগমে flood free Guwahati কৰাৰ বাবে মিশ্যন গ্ৰহণ কৰিছে। নগৰীয়া বান নিয়ন্ত্ৰণৰ বাবে বিস্তৃত কাৰ্য্যসূচী গ্ৰহণ কৰি কাম কৰিছে। গুৱাহাটী চহৰত ৫৫৩ টা নলা আৰু ৫ খন মুখ্য নদী আছে। সেইবোৰৰ আৱৰ্জনা নিষ্কাষণৰ কাম প্ৰতি বছৰে চলি আছে। গুৱাহাটী চহৰত ভৰলু, মৰা ভৰলু, বাহিনী, বশিষ্ঠ আৰু লক্ষ্মীজান এই ৫ খন নদী আছে। প্ৰতি বছৰে বৰষুণ আহাৰ বহু আগৰে পৰা প্ৰায় ২-৩ মাহ আগৰে পৰা এই ৫ খন নদী খনন আৰু আৱৰ্জনা নিষ্কাষণৰ কাম আমি কৰি থাকো। মই আজি ক'ব বিচাৰিছো যে গুৱাহাটী পৌৰ নিগমৰ অধীনত ১০ খন Super Sucker Machine ৰ জৰিয়তে আৰু ৭ খন Mini Super Sucker Machine ৰ জৰিয়তে গুৱাহাটী পৰিষ্কাৰৰ কাম আমি কৰি আছো। গুৱাহাটীৰ চাৰিওফালে পাহাৰীয়া অঞ্চলৰ পৰা যি শিল আহে আমি সেয়েহে আমি শিল ট্ৰেপৰ ব্যৱস্থা কৰিছো। বিশেষকৈ পশু চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত থকা শিল ট্ৰেপটো নিয়মিত ভাৱে পলিমুক্ত কৰি মেঘালয়ৰ পৰা নামি অহা অধিক পলিমুক্ত পানী ধৰি ৰাখে। ফলত নামনি অঞ্চলত পলি জমাটো আমি কমাব পাৰো এনেকুৱা ব্যৱস্থা আমি গ্ৰহণ কৰিছো। আমাক বৰষুণৰ ডাটা এটাও দিছে। আমাৰ যেতিয়া তীব্ৰ বৰষুণ হয় তেতিয়া আমি De watering Pump আৰু Mobile Pumping Unit ৰ

জৰিয়তে পানীসমূহ উলিওৱাৰ ব্যৱস্থা কৰিছো। ইয়াৰ লগতে মই সদনত ক'ব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ প্ৰথম কাৰ্য্যকালত আমি শিল সাঁকো বিলত এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিলো যাতে আমি তাত পানী সংৰক্ষণ কৰিব পাৰো। আমি তাত বেদখলমুক্ত কৰিছিলো আৰু আজিৰ দিনত শিল সাঁকো বিল পুনৰ উজ্জীৱিত কৰাৰ কাৰণে ২৩৭ কোটি টকাৰ অনুমোদন সাপেক্ষে কাম চলি আছে। ইয়াৰ লগে লগে গুৱাহাটী পৌৰ নিগমৰ ফালৰ পৰা এই কাম আমি আগবঢ়াই লৈ গৈ আছো। এই কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। ভাৰত চৰকাৰে NDMF ৰ অধীনত গুৱাহাটী মহানগৰৰ কৃত্ৰিম বান বিপদ ব্যৱস্থাপনাৰ কাৰ্য্যসূচীৰ অধীনত ২০০ কোটি টকাৰ পুঁজিৰ অনুমোদন জনাইছে যাৰ দ্বাৰা আমি এই কামখিনি আগুৱাই লৈ যাব পাৰিম। Urban Flood Risk Mitigation Program ৰ অধীনত আমি গুৱাহাটীৰ প্ৰায় ১১ টা ডাঙৰ কাম হাতত লৈছো। মই এইকেইটা গুৰুত্বপূৰ্ণ কামৰ কথা ইয়াত উল্লেখ কৰিব বিচাৰিছো যে আমাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ এপল' এক্সেলকেয়াৰ হস্পিতালৰ পৰা পশ্চিম বৰাগাওঁৰ দীপৰ বিললৈ Strom Water Drain ৰ এটা কাম আমি কৰিবলৈ গৈ আছো। ইয়াৰ লগে লগে খানাপাৰাৰ পৰা বশিষ্ঠ চাৰিআলিলৈ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দক্ষিণ দিশত বৰষুণৰ পানী নিষ্কাষণৰ বাবে নলা নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ গৈ আছো। আমাৰ জুৰি পাৰত বহু বেছি বানপানী হৈ আছে। যোৱা কেইদিনমান আগতে বহু বেছি বানপানী হৈছিল। সেয়েহে জুৰি পাৰৰ পৰা শিল সাঁকো লৈ grand chamber ৰ সৈতে বৰষুণৰ পানী, Strom Water Drainage ৰ কাম ইতিমধ্যে চলি আছে আৰু মই ভাৱো যে অহা ২-৩ মাহৰ ভিতৰত আমি এইখিনি সম্পূৰ্ণ কৰিব পাৰিম। কাৰণ বাৰিষাৰ বাবে আমাৰ কামখিনি কৰাত অলপ অসুবিধা হৈ আছে। এইখিনি কৰিব পাৰিলে মই ভাৱো যে এই অঞ্চলটোৰ বৰষুণৰ পানী জমা হোৱাৰ সমস্যা সমাধান হ'ব। শিলসাঁকো ৰিটেনশ্যন পুখুৰীলৈ চেনেল সংযোগৰ জৰিয়তে সৰুমটৰীয়া অঞ্চলৰ বান নিয়ন্ত্ৰণৰ ব্যৱস্থাৰ কাম আমি হাতত লৈছো। ৰুক্মিণীগাওঁ পিপকো পইণ্টৰ বাহিনী নদীৰ কাষৰ পৰা জনতা ভৱনলৈ বান

সুৰক্ষা দেৱাল নিৰ্মাণৰ কাম চলি আছে। এনেকুৱাকৈ আমি ১১ টা ডাঙৰ কাম হাতত লৈছো। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানী প্ৰতিৰোধৰ বাবে ADB অৰ্থ সাহাৰ্য্যত Assam Urban Infrastructure Financial Corporation, আমাৰ অসম চৰকাৰ Limited ৰ AUIFC ৰ অধীনত গুৱাহাটী Metropolitan GMDA আৰু আমি GIS based Comprehensive Drainage Master Plan ইতিমধ্যে হাতত লৈছো। Detailed Project Report বা DPR বনোৱাৰ কাম ইতিমধ্যে চলি আছে। আমাৰ GMDA ৰ ফালৰ পৰা যেতিয়া গুৱাহাটীতে পানী হয়, গুৱাহাটীতে বৰষুণ হোৱাৰ পিছত যেতিয়া পানী হয়, তেতিয়া আমি শিলসাঁকো, বোন্দাজান, নুনমাটি, সৰুমটৰিয়া এই এলেকাত আমাৰ GMDA ৰ পাম্প আছে। GMDA ৰ যি উচ্চ ক্ষমতা সম্পন্ন পাম্প আছে, যাৰ জৰিয়তে আমাৰ চেষ্টা থাকে যে পানীটো আমি যিমান পাৰি সোনকালে উলিয়াই দিও । লগতে আমাৰ Water Resource Department ৰ ফালৰ পৰাও প্ৰায় ২৬ খন পাম্প আমাৰ গুৱাহাটীৰ বহুত ঠাইতে আছে আৰু একো একোটা পাম্প প্ৰায় 1700 LPS Capacity ৰ পাম্প আমি লগাইছোঁ, যাতে আমি পানী বিলাক সোনকালে উলিয়াই দিব পাৰোঁ। লগতে আমাৰ যোৰাবাট অঞ্চলত যি পানীৰ সমস্যা হৈছে, এই পানীৰ কাৰণে আমি ৪ কোটি ৯৫ লাখ টকা দি Improvement of Drainage Channel from Jorabat to Digaru River এটা আঁচনি আমি ইতিমধ্যে হাতত লৈছো, যাতে আমি কামটো কৰি আগবাঢ়ি যাব পাৰো। লগতে মই ক'ব বিচাৰোঁ যে AMRUT 2.0 আঁচনিৰ অধীনতে Shallow Aquifer Management ৰ ব্যৱস্থা কৰিছো। আমাৰ বিধায়ক ডাঙৰীয়াই যে আমাৰ Rainwater Harvesting ৰ কথা কৈছে, তাৰ ওপৰত মই ক'ব বিচাৰিছোঁ যে AMRUT 2.0 ৰ আঁচনিৰ অধীনত Shallow Aquifer Management 2.0 প্ৰকল্পৰ জৰিয়তে গুৱাহাটী পৌৰ নিগমৰ পানী যোগান বিভাগে ভূগৰ্ভস্থ পানীৰ পুনৰ ভৰ্তিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ উদ্দেশ্য হৈছে যে উপযুক্ত স্থানত Ground Water Recharge গাঁথনি নিৰ্মাণ কৰি বৰষুণৰ পানী অ-গভীৰ জলাধাৰত Shallow Aquifer ত প্ৰৱেশ কৰে, ভূগৰ্ভত পানীৰ স্তৰ পুনৰ ভৰ্তি কৰা, এনেকে ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। ইয়াৰ সমান্তৰালভাৱে

গুৱাহাটী পৌৰ নিগমে সাম্প্ৰতিক Building Byelaws আমাৰ যি Rainwater Harvesting Structure আৰু Percolation Pit সকলো অট্টালিকাৰ বাবে বাধ্যতামূলক কৰা হৈছে। এই ব্যৱস্থাৰ মূল লক্ষ্য হৈছে যে বৰষুণৰ পানী সংৰক্ষণ, পৃষ্ঠীয় পানীৰ প্ৰবাহ হ্ৰাস কৰা আৰু ভূগৰ্ভৰ পানী পুনৰ ভৰ্তি নিশ্চিত কৰা, এনেকে ব্যৱস্থা আমি গ্ৰহণ কৰিছোঁ। তদুপৰি Recharge Well, Permeable Pavement, Infiltration Tank আৰু বিজ্ঞান সন্মত ব্যৱস্থা নগৰ উন্নয়ন আৰু আন্তঃগাথনি নিৰ্মাণৰ উপযুক্ত ক্ষেত্ৰত প্ৰয়োগৰ ব্যৱস্থা বিবেচনা কৰা হৈছে, যাতে বৰষুণৰ পানী মাটিৰ তললৈ সহজে প্ৰৱেশ কৰি ভূগৰ্ভস্থ পানীৰ ভৰাল পুনৰ ভৰ্তি কৰিব পাৰে, এনেকে ব্যৱস্থা আমি গ্ৰহণ কৰিছোঁ। লগতে Rainwater Harvesting ৰ পদ্ধতিক নগৰ পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে ইতিমধ্যে Assam Unified Building Construction Regulation Byelaw 2022 ৰ অন্তৰ্ভুক্ত কৰা হৈছে। উক্ত নিয়মৰ আধাৰত Building Permit Permission ৰ বাবে আবেদন কৰা সকলো প্ৰকাৰৰ ঘৰৰ বাবে Rainwater Harvesting ৰ ব্যৱস্থা কৰাটো বাধ্যতামূলক কৰা হৈছে। আমি ইয়াতে আৰু কব বিচাৰিছোঁ যে গুৱাহাটী পৌৰ নিগম সাম্প্ৰতিকভাৱে Building Byelaws অনুসৰি সকলো নতুন অট্টালিকাৰ ক্ষেত্ৰত Rainwater Harvesting Structure আৰু Percolation Pit ব্যৱস্থা কৰা বাধ্যতামূলক কৰা হৈছে। ইয়াৰ জৰিয়তে বৰষুণৰ পানী সংৰক্ষণৰ আৰু ভূগৰ্ভস্থ পানীৰ পুনৰ ভৰ্তি নিশ্চিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চৰকাৰী ভৱন, বহুমহলীয়া আবাস, ব্যক্তিগত প্ৰতিষ্ঠান, ব্যৱসায়ী ভৱন, উপৰোক্ত নিয়মৰ অধীনত Rainwater Harvesting কৰাটো বাধ্যতামূলক ইতিমধ্যে কৰা হৈছে। সকলো নতুন অট্টালিকা Building Plan অনুমোদনৰ সময়তে Percolation Pit তথা Rainwater Harvesting ৰ ব্যৱস্থাৰ অৱস্থান নক্সাত দেখুৱাটো বাধ্যতামূলক কৰা হৈছে, যাতে আমি যেতিয়া Permission ৰ কাৰণে Apply কৰিম, নক্সাতো আমাক এইটো দেখাব লাগিব। Building Permit ৰ জৰিয়তে জাৰি কৰা সময়তে এই বিষয়টো পৰীক্ষা কৰা হয় আৰু Occupancy Certificate প্ৰদানৰ পূৰ্বে, যেতিয়া আমাৰ GMC য়ে Occupancy Certificate

দিয়ে, তাৰ আগতে পৰিদৰ্শন কৰি উক্ত ব্যৱস্থা গ্ৰহণ কৰা নিশ্চিত কৰা হৈছে। এইদৰে Building Byelaw বিধানসমূহ ধাৰাবাহিকভাৱে কাৰ্যকৰী কৰিবলৈ গৈ আছে। অধ্যক্ষ মহোদয়, মই কব বিচাৰিছোঁ যে আমি ২০২৪ ৰ আমাৰ Building Byelaw আছে, এইটো আমি Amendment কৰিছিলোঁ। Amendment কৰি যি Apartment বা আমি Construction ৰ Permission আমি দি আছোঁ, তাতে 60% যি খালি ঠাই আমাৰ থাকে, এই খালি ঠাইৰ 60% টোতে আমি এটা সিদ্ধান্ত লৈছোঁ যে তাতে Landscaping কৰি ৰাখিব লাগিব। তাৰ মাজতে আমি যাতে কোনো প্ৰকাৰে Parking ৰ ব্যৱস্থা এইটো আমি নকৰোঁ আৰু তাতে বাকী থকা যি ঠাইটো থাকিব, তাতে Permissible Permeable যি Tiles আছে, Paver Block এইটোও লগাব লাগিব, যাতে আমি বৰষুণৰ পানী মাটিত যাব পাৰে, এনেকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমি গৈ আছোঁ। মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক ডাঙৰীয়া বিশেষভাৱে যে তেওঁৰ Concern, তেওঁৰ Seriousness এইটোৰ ওপৰত দেখুৱাইছে, অহা দিনত আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি আৰু বিশেষ ব্যৱস্থা গ্ৰহণ কৰিম, যাতে আমি Rainwater Harvesting ৰ ব্যৱস্থা, গুৱাহাটীৰ বানপানীৰ যি সমস্যা, এই সমস্যা যাতে আমি সমাধান কৰিব পাৰোঁ। এইটো আমি সকলোৱে জানোঁ যে বানপানী হ'লে ৰাইজৰ কিমান অসুবিধা হয় আৰু আমি যি ব্যৱস্থা কৰিব লাগে, ব্যৱস্থাটো কৰি আছোঁ, এটা Long Term Solution ৰ ফালে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো লৈ যাব বিচাৰিছে আৰু বিধায়ক ডাঙৰীয়াই নিজেও কৈছে যে আমাৰ ৰাইজৰো ইয়াতো দায়িত্ব আছে। কিন্তু যোৱা এক মাহ হৈছে মই এই বিভাগৰ দায়িত্ব লৈছোঁ, কিন্তু যেতিয়া আমি নলা-নৰ্দমা পৰিষ্কাৰ কৰাই থাকোঁ, তেতিয়া আমি দেখোঁ যে যিবোৰ বস্তু নলাত পেলাব নালাগে, এনেকুৱা বস্তুবোৰ পেলাই ভৰ্তি হৈ আছে। সেইকাৰণে এইবোৰ বস্তু আমাৰ কাৰণে বহুত সময়ত এটা challenge হৈ পৰে, এইকাৰণে drains বোৰ block হৈ থাকে। সেইকাৰণে মোৰ অনুৰোধ থাকিব যে ৰাইজো এইটোত অলপ সংবেদনশীল হ'ব লাগিব। তেওঁলোকে ৰাইজে যথেষ্ট সহযোগিতা কৰি আছে, বানপানীৰ সময়ত গুৱাহাটীক এটা সুন্দৰ কৰি লৈ যোৱাৰ কাৰণে

আৰু সহযোগিতাৰ প্ৰয়োজন আছে। বিধায়ক ডাঙৰীয়াৰ পৰা মই ব্যক্তিগতভাৱে তেওঁৰ পৰামৰ্শখিনি গ্ৰহণ কৰি অহা দিনত যাতে আমি কৰিব পাৰোঁ, চেষ্টা কৰিম, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank you, মন্ত্ৰী ডাঙৰীয়া, বিপন ডেকা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, খুব ভাল বিষয়। এইটো মই ভাবোঁ, এইটো বিষয়ত আচলতে গুৱাহাটীৰ সাংসদ, গুৱাহাটীৰ বিধায়কসকল আৰু আমাৰ GMC ৰ corporator সকলৰ লগত এখন সভাপতিৰ লাগে rain water harvesting ৰ ওপৰত সাধাৰণতে মানুহৰ ধাৰণা এটা আছে, rain water harvesting মানে tank এটা লগাই থৈ দিলে আৰু সদায় বৰষুণ হৈ থাকে। সেইখিনি পানী তাতে জমা হৈ থাকে। যিটো বিপন ডেকাই ডাঙৰীয়াই কৈছে যে পানীটো inject কৰা, যিটো ভূগৰ্ভত যেতিয়ালৈকে পানীটো নিব নোৱাৰি, তেতিয়ালৈকে আমি এই সমস্যাৰ পৰা আমি সমাধান নাপাম। মই ভাবোঁ এইটো এটা awareness create কৰাৰ কাৰণে প্ৰথমতে আপুনি সাংসদ, বিধায়ক সকল আৰু corporator-সকলক লৈ এখন সভাপাতি আপোনালোকৰ department টোৰ কি কি strategy আছে, সেইখিনি তেওঁলোকক aware কৰিলে তেতিয়া তেওঁলোকে জনসাধাৰণক aware কৰিব পাৰিব। যদি মই সাধাৰণ এটা example দিওঁ, বহুত ঠাইত এনেকুৱাও আছে যে মানে drain ৰ মানে তলটো মানে ঢালাই নকৰে, খোলা ৰাখি থয়। বহুতে কয় যে তাতে খোলা ৰাখি দিলে পানীটো তাতে ভূগৰ্ভত যায়। এতিয়া concept টো কিমান দূৰ মই সেয়া নাজানোঁ। তেনেকুৱা কৰি যদি আমি পানীটো যদি তললৈ নিব পাৰোঁ, তেতিয়া হলে আগন্তুক দিনত, কাৰণ প্ৰতি বছৰে এই সমস্যা হৈ আছে আৰু হৈয়ে থাকিব, হৈ থাকিলেও অন্ততঃ যাতে পানীটো তললৈ নিব পৰা যায়, তাৰ কাৰণে আপোনালোকে এখন মানে সভা পাতিলে ভাল হয়। আৰু তাৰ পিছত public awareness হবগৈ মই ভাবোঁ। Thank you very much. Now Agenda number four. Under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I now request Shri Abdur Rahim Ahmed, MLA, to draw the attention of the Hon'ble

Minister, Veterinary and Animal Husbandry, relating to the matter under the caption, "অসমত স্থানীয় কণী উৎপাদনকাৰীৰ মুৰ্গীৰ খাদ্যবস্তু অধিক দামত বহিঃৰাজ্যৰ পৰা ক্ৰয় কৰিবলগীয়া হোৱা কাৰণে স্থানীয় কণীৰ মূল্য হ্ৰাস কৰাত বাধাৰ সৃষ্টি হৈছে আৰু যাৰ সুবিধা লবলৈ সক্ষম হৈছে একাংশ বহিঃৰাজ্যৰ বেপাৰীসকলে।" এই বিষয়টো মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব। এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল ৰহিম আহমেদ। আপোনাক ৭ মিনিট দিয়া হৈছে। ৭ মিনিটৰ ভিতৰত শেষ কৰিব৷

**শ্ৰী আব্দুল ৰহিম আহমেদ, চেঙাঃ** ধন্যবাদ, অধ্যক্ষ ডাঙৰীয়া। আমি জানোঁ যে আমাৰ অত্যাৱশ্যকীয় যিখিনি  সামগ্ৰী যেনে আলু, পিঁয়াজ, দালি এইবোৰৰ ওপৰত আমাৰ অসমত যিমানখিনি আমি উৎপাদন কৰিবলৈ সক্ষম হওঁ, তাতকৈ আমাৰ চাহিদা অধিক বেছি। আমি বহিঃৰাজ্যৰ পৰা এই অত্যাৱশ্যকীয় সামগ্ৰীসমূহ  ৰপ্তানি কৰিবলগীয়া হয়। ঠিক সেই ধৰণে কেৱল অত্যাৱশ্যকীয় সামগ্ৰীয়েই নহয়, আমাৰ কণী, মাছ এই খাদ্যবোৰো আমি বহিঃৰাজ্যৰ ওপৰত প্ৰায় সম্পূৰ্ণৰূপে আমি নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছে। আজি এটা তথ্য জানিলে আপোনালোক আচৰিত হ'ব যে আমাৰ বছৰি প্ৰায় অসমত কণীৰ দৰকাৰ হয়, প্ৰায় ৫৬০ কোটি টা। কিন্তু আমি production কৰোঁ মাত্ৰ ৬২ ৰ পৰা ৬৬ কোটি। গতিকে এক তৃতীয়া অংশও নহয়। গতিকে এই ধৰণে আমি যদি চাওঁ যে মাছ আমাৰ যিমান প্ৰয়োজন হয়, সেই আধা মাছো আমাৰ production কৰাৰ ক্ষমতা আমাৰ নাই। আমি বেংগল, অন্ধ্ৰপ্ৰদেশৰ চালানী মাছৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়, ঠিক তেনেদৰে আমি যদি হিচাপ কৰো তেনেহ'লে এজন সুস্থ ব্যক্তিৰ কাৰণে ২৮০ মিলিলিটাৰ গাখীৰৰ প্ৰয়োজন, কিন্তু ৩.৫০ কোটি মানুহৰ যদি হিচাপ কৰো তেনেহ'লে বছৰি প্ৰায় ৩০০ কোটি লিটাৰ গাখীৰৰ প্ৰয়োজন। কিন্তু আমি ১০০ লিটাৰ গাখীৰৰ production কৰিবলৈহে সক্ষম হও। এইয়া হৈছে আমাৰ অসমৰ production ৰ ক্ষমতা। সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিধানসভাতে কৈছিলে যে, বহিঃৰাজ্যৰ পৰা কণী আনোতে ৰাস্তাত টেক্স দিব লাগে, গুণ্ডাকৰ দিব লাগে, ৩ টকাকৈ দিব লাগে।

আমি অসমত কিয় নিজে কণী উৎপাদন নকৰো ? যাৰ দ্বাৰা বাহিৰা কণীৰ আমদানি বন্ধ হৈ যায় , কিন্তু দুখৰ কথা যে, আমাৰ বছৰি প্ৰয়োজন হ'ল ৫৬০ কোটি কণীৰ কিন্তু আমাৰ production  হৈছে ৬২ ৰ পৰা ৬৬ কোটি কণীৰ। গতিকে এটা বৃহৎ পৰিমাণৰ কণীৰ কাৰণে আমি বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰো। ঠিক তেনেকৈ মাছৰ উৎপাদনৰ কাৰণেও আমাৰ ইমান সম্ভাৱনীয়তা আছে, কিন্তু সেই সম্ভাৱনাখিনি চৰকাৰে যেনেকৈ গঠনমূলকভাৱে গোটেইখিনি মীন পালক সকলক উৎসাহিত কৰি চাহিদা পূৰণ কৰাৰ কাৰণে উদ্যোগ ল'ব লাগিছিল, কিন্তু সেই ধৰণে পৰা নাই। সেইকাৰণে আমি বহিঃৰাজ্যৰ মাছৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হৈছে। ইয়াৰ মুখ্য কাৰণ হৈছে যে, যিখিনি মাছ পালন কৰাৰ কাৰণে মাছৰ খাদ্য দৰকাৰ, ঠিক তেনেকৈ poultry farm ৰ কাৰণে হাঁহ মুৰ্গীৰ দানাৰ বা poultry farm যি feed বা খাদ্য প্ৰয়োজন, দুখৰ কথাটো যে, সেই raw production টো আমি কৰো যেনে ঘেঁহু মাকৈ ইত্যাদি অসমত উৎপাদন কৰা হয় আৰু available ও আছে, কিন্তু যি অনুপাতে ইয়াতে উদ্যোগ থকাৰ দৰকাৰ আছিল, যাতে এইখিনি utilise কৰি জন্তু, মাছৰ বা poultry feed উৎপাদন কৰিব পাৰিলো হেতেন, হাঁহ-কুকুৰাৰ খাদ্য, মাছৰ খাদ্য, গৰু-ছাগলীৰ খাদ্য, সেই খাদ্যখিনি আমি ইয়াতে চাহিদা অনুপাতে উৎপাদন কৰিব পৰা নাই। তাৰ কাৰণে মই কাকো দোষাৰোপ কৰা নাই। হয়তো আমাৰ চৰকাৰে বিশেষ দৃষ্টিত সেইখিনি ভবা নাই। আমাৰ নৱপ্ৰজন্মও কেৱল চাকৰি সৰ্বস্ব, মানে চাকৰিৰ ওপৰত নিৰ্ভৰশীল হ'ব খোজে। কিন্তু এইবিলাক প্ৰচুৰ সম্ভাৱনীয়তা থকা উদ্যোগ ইয়াতে গঢ়ি ল'ব পাৰো, আৰু চৰকাৰে যদি অলপ ভাল দৃষ্টি দিয়ে, subsidy ত loan দিয়ে আৰু উৎসাহিত কৰে,  উদাহৰণ স্বৰূপে মোৰ চেঙা সমষ্টিৰ কথা মই ক'ব পাৰো, মোৰ entire চৰ অঞ্চলত গোৱালপাৰা, ধুবুৰী লৈকে এইধৰণে মাকৈ উৎপাদন হয় যে, আমি যদি ইয়াতে ইথানলৰ কাৰণে লও এটা অংশ মাকৈ, কিন্তু বাকী এইবাৰ পৰিতাপৰ বিষয়, ২৪০০ টকা rate থকাৰ পিছতো আজি ৰাইজে মাত্ৰ ১৮০০ টকা, ১৪০০ টকা, ১৬০০ টকাত মাকৈ বিক্ৰী কৰিবলগীয়া হৈছে, MSP পোৱা নাই। আজি যদি আমি মাছৰ খাদ্য, পশুৰ খাদ্য,

হাঁহ-মুৰ্গীৰ Poultry farm ৰ খাদ্য প্ৰস্তুত কৰা ইয়াতে যদি industry গঢ়ি দিব পাৰোঁ, মই ভাবো যে, আজি যেনেকৈ এই খাদ্যৰ কাৰণে আমি বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰোঁ, কিন্তু আমাৰ Production কৰা raw ঘেঁহু, মাকৈ Andhra Pradesh, Bengal, Punjab ত গুছি যায়। আৰু তাতে মাছৰ খাদ্য, পশুৰ খাদ্য, poultry খাদ্য প্ৰস্তুত হয় আৰু সেই খাদ্যখিনি অধিক দামত আকৌ অসমলৈ আহে। আমাৰ এই local production কাৰীসকলে, আমাৰ হাঁহ-মুৰ্গীৰ ব্যৱসায় কৰিব খোজা, poultry farm কৰিব খোজা, মাছ পালন কৰিব খোজা বা গৰুৰ গাখীৰ উৎপাদন কৰিব খোজা ব্যক্তিসকলে অধিক দামত এইবোৰ খাদ্যশস্য, খাদ্যসামগ্ৰী কিনিবলগীয়া কাৰণে আজি তেওঁলোকে সেই খৰচটো বহন কৰিব নোৱাৰে আৰু business ত লাভ কৰিব নোৱাৰে। ফলত আজি আমাৰ এই লোকেল উদ্যোগ প্ৰতিষ্ঠা কৰাসকল লাভান্বিত হ'ব নোৱাৰে। সেইকাৰণে চালানি কণী যদি ৩ টকা গুণ্ডা tax দিয়াৰ পিছতো যদি ১০ টকা হয় আমাৰ local production, যিসকলে কৰি আছে, ২-৪ টা উদ্যোগ গঢ় লৈ উঠিছে, কিন্তু তেওঁলোকেও এই চাহিদা পূৰণ কৰিব নোৱাৰাৰ কাৰণে আজি আৰু অধিক দামত এই poultry ৰ খাদ্য সামগ্ৰীসমূহ, কিনাৰ কাৰণে তেওঁলোকেও দাম কমাব পৰা নাই। সেইকাৰণে মই আপোনাৰ জৰিয়তে বিভাগক অনুৰোধ জনাম, মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে, আমাৰ প্ৰচুৰ সম্ভাৱনা আছে মাছৰ উৎপাদনত, poultry farm কৰাত আৰু গাখীৰ উৎপাদনত। আজি গাখীৰৰ সঠিক বজাৰ নাই, সংগঠিত কৰাৰ কাৰণে, যদিও co-operative society য়ে কৰিছে কিন্তু সংগঠিত বজাৰ নাই। আমাৰ উন্নত মানৰ গৰু নাই, পশু চিকিৎসা আমি কৰিব পৰা নাই। Green vegetable, মানে green ঘাঁহ, যিটো সেউজীয়া ঘাঁহ আৰু গৰুৰ উন্নত মানৰ খাদ্য বা উন্নত জাতৰ প্ৰজনন ক্ষমতা থকা গৰু বা veterinary ৰ যিখিনি facility, এইবোৰ আমি ভালকৈ পোৱা নাই কাৰণেই আজি মাত্ৰ ৩,৩৫০ কোটি লিটাৰ গাখীৰৰ বছৰি দৰকাৰ, কিন্তু আমি ১,১০০ কোটি লিটাৰো আমি উৎপাদন কৰিব পৰা নাই। সেইকাৰণে কৈছো মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো আমাৰ চৰকাৰে বিশেষ গুৰুত্ব

সহকাৰে ল'ব লাগে। আজি এই raw material যেনে ঘেঁহু, গোমধান আদি আমি উৎপাদন কৰো । আজি যদি আমি শিক্ষিত নিবনুৱাসকলক উৎসাহিত কৰি তেওঁলোকক যদি চৰকাৰে এটা ভাল subsidy দি ইয়াতে যদি উদ্যোগ স্থাপন কৰিব পাৰে, তাৰ কাৰণে যদি উৎসাহিত কৰিব পাৰো তেনেহ'লে দেখিব অধিক মূল্যত সেই মাছৰ খাদ্য, গৰু ছাগলীৰ খাদ্য বা হাঁহ, মুৰ্গীৰ খাদ্য অধিক দামত বহিঃৰাজ্যৰ পৰা ক্ৰয় কৰিব নালাগিব আৰু এই খাদ্যবোৰ আহোতেও আকৌ ৰাস্তাত গাড়ীসমূহ টেক্স দি পাৰ কৰাই আনিব লগা হয়। যদি ইয়াতে উদ্যোগবোৰ গঢ় দিব পাৰো তেতিয়া হ'লে অধিক উৎসাহিত কৰিব পাৰিম। যিবিলাক লোকেল poultry farm গঢ় লৈ উঠিছে, গৰু গাখীৰ উৎপাদনৰ কাৰণে যিসকলে মনোনিবেশ কৰিছে বা মাছ পালনৰ লগত যিসকল জড়িত হৈছে, তেওঁলোকক খুব কম খৰচৰ বিনিময়ত খাদ্য যোগান ধৰিব পাৰিলে দেখিব production ও বাঢ়িব আৰু বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰশীলও হ'ব লগীয়া নহ'ব । গতিকে এই বিষয়টো চৰকাৰে গুৰুত্ব সহকাৰে লৈ শিক্ষিত নিৰনুৱা সকলক এই sector টোত উৎসাহিত কৰিবলৈ নতুন নতুন উদ্যোগ যাতে গঢ় দিব পাৰে, নতুন নতুন poultry farm, গৰুৰ গাখীৰ production ৰ কামত বা মাছ পালনৰ কাৰণে প্ৰচুৰ সম্ভাৱনীয়তা যিহেতু অসমত আছে, গতিকে এই sector টোত উৎসাহিত কৰাৰ কাৰণে চৰকাৰে এটা ভাল পৰিকল্পনা প্ৰস্তুত কৰে, তাৰ কাৰণে মই অনুৰোধ জনাই মই এই বিষয়টো আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next Hon'ble Minister, Animal Husbandry and Veterinary.

**শ্ৰীমতী নিলীমা দেৱী, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয় আৰু সন্মানীয় সদন, ইতিমধ্যে যিটো বিষয়ৰ ওপৰত মাননীয় বিধায়ক আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াই দৃষ্টি গোচৰ কৰিছে, তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে অসম বিধানসভাৰ কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়ম অনুসৰি অসমত স্থানীয় কণী উৎপাদনকাৰী মুৰ্গীৰ খাদ্যবস্তু অধিক দামত বহিঃৰাজ্যৰ

পৰা ক্ৰয় কৰিবলগীয়া হোৱা কাৰণে স্থানীয় কণীৰ মূল্য হ্ৰাস কৰাত বাধাৰ সৃষ্টি হৈছে আৰু যাৰ সুবিধা ল'বলৈ সক্ষম হৈছে একাংশ বহিঃৰাজ্যৰ ব্যৱসায়ীসকলে। এই বিষয়টো আচলতে অতি গুৰুত্বপূৰ্ণ। আমি যদি চাবলৈ যাওঁ মাছ, মাংস, গাখীৰ, কণী সকলোবোৰ আমাৰ পুষ্টিকৰ খাদ্য। তাতকৈও যদি চাবলৈ যাওঁ, কণীটো অতি সহজতে পুষ্টিকৰ খাদ্য হিচাপে খাব পাৰো । কম সময়ত ইয়াক আমি ভাতৰ লগত খাব পাৰো। দৌৰাদৌৰি হ'লে এটা omelette বনাই লৈ খাব পাৰো, boil কৰিও খাব পাৰো। গতিকে সেই হিচাপে আমাক বছৰত যিমানখিনি কণী লাগে, বিশেষভাৱে ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ পৰামৰ্শ অনুসৰি, বছৰি প্ৰতিজন ব্যক্তিৰ বাবে ১৮০ টাকৈ কণী লাগে। গতিকে সেই অনুপাতে আমাৰ উৎপাদন হ'ব লাগে আৰু তেখেতে সেইভাৱে এইখিনি বিশ্লেষণ কৰাতো, দৃষ্টিগোচৰ কৰাতো তেওঁৰ বিষয় আৰু তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। আমি দৃষ্টি গোচৰ কৰাই নহয়, লগতে বিশ্লেষণ কৰাই নহয়, আমি ইয়াক হাতে-কামে লাগি কেনেকৈ আগুৱাই লৈ যাব পাৰো, তাৰ বাবে চেষ্টা কৰিব লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্বনিৰ্ভৰশীল অসম, আত্মনিৰ্ভৰশীল অসম, প্ৰত্যেকজন ব্যক্তিক আত্মনিৰ্ভৰশীল কৰাৰ কাৰণে যিবিলাক আঁচনি বা পদক্ষেপ লৈছে, তেখেতকো ধন্যবাদ জ্ঞাপন কৰিব লাগিব। মই প্ৰত্যেকজন বিধায়কক আজিৰ এই বিষয়টোৰ যোগেদি অনুৰোধ জনাওঁ যে, যাতে প্ৰত্যেকজন বিধায়কৰ যিবিলাক Self-Help Group আছে বা CM-AAA ৰ জৰিয়তে যিসকল নিবনুৱা যুৱক-যুৱতীয়ে সুবিধা পাইছে, বিধায়কসকলে যাতে গুৰুত্ব সহকাৰে লয়, তেওঁলোকে নিজৰ নিজৰ সমষ্টিত তেওলোকক হাতে কামে লগাই যাতে এই বিষয়টো আমি আগুৱাই লৈ যাব পাৰো তাৰ বাবে মই সকলো বিধায়কক আহ্বান জনাইছো। এই বিষয়টোৰ ওপৰত মই এটি প্ৰতিবেদন  প্ৰস্তুত কৰিছো , এই বিষয়টো মই অলপ কৈ দিছো – কুকুৰা পালন  অসমৰ কৃষি আৰু পশুপালন অৰ্থনীতিৰ সম্ভাৱনাময় খণ্ড । পুষ্টি সুৰক্ষা , গ্ৰাম্য কৰ্ম সংস্থাপন ,মহিলা আৰু যুৱ উদ্যমিতা বিকাশৰ লগতে কৃষকৰ আয় বৃদ্ধিত এই খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । অধ্যক্ষ মহোদয়, কিন্তু ৰাজ্যত কণী

উৎপাদন আৰু চাহিদাৰ মাজত এতিয়াও যথেষ্ট ব্যৱধান আছে। দুই নম্বৰ বৰ্তমান অসমত দৈনিক কণী উৎপাদন প্ৰায় ২৬.৮৪ লাখ। আনহাতে বৰ্তমান উপভোক্তা অনুসৰি দৈনিক চাহিদা ৫৭.০৬ লাখ অৰ্থাৎ দৈনিক ৩০.২২ লাখ কণীৰ ঘাটি আছে। চৰকাৰে দৈনিক কণী উৎপাদন ৬০ লাখলৈ উন্নীত কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি লৈছে। এই লক্ষ্যত যদি আমি উপনীত হ'ব লাগে আমাৰ যিসকল নিৱনুৱা ল'ৰা - ছোৱালী আছে তেওঁলোকৰ বাবে চৰকাৰে যি আঁচনি লৈছে সেইটো যাতে সদ ব্যৱহাৰ হয়, চৰকাৰে দিয়া ধনখিনি যাতে অপব্যৱহাৰ নহয় তাৰ প্ৰতিও আমি বিশেষভাৱে গুৰুত্ব আৰোপ কৰিব লাগিব। ৰাজ্যে চৰকাৰে অসমত কুকুৰা পালন খণ্ডৰ বাণিজ্যকৰণ নীতি, মূলধনী ব্যয়ৰ ওপৰত ৩৩ শতাংশ ৰাজসাহায্য যুক্ত তথা অন্যান্য আঁচনি ৰূপায়ণ কৰাৰ ফলত অসমত প্ৰতিদিনে ২০২৩ চনৰ পৰাই পৰাই বৃদ্ধি পাইছে। আৰু অসমৰ কণী উৎপাদন ২০২০ চনৰ পৰা ২০২১ চনৰ তুলনাত যোৱা ৫ বছৰত ৫১ পাৰ্চেন্ট লৈ বৃদ্ধি পাইছে। তিনি নম্বৰ, কণী উৎপাদন মুঠ ব্যয়ৰ প্ৰায় ৮০ শতাংশ পশু খাদ্যৰ ওপৰত ব্যয় হয়। বৈজ্ঞানিকভাৱে কুকুৰাৰ খাদ্য প্ৰস্তুতকৰণ বিষয়টোৱে গুৰুত্ব পূৰ্ণ বিষয়। ইয়াৰ মুখ্য উৎপাদন মাকৈ ,ছয়াবিন, আৰু De-oiled rice bran হোৱাৰ উপৰিও খনিজ পদাৰ্থ আৰু অন্যন্য পৰিপূৰক এক নিৰ্দিষ্ট অনুপাতত মিহলোৱাৰ প্ৰয়োজন। অসমত মাকৈ আৰু De-oiled rice bran উৎপাদন হয় যদিও ছয়াবিনৰ উৎপাদন প্ৰায় নহয় বুলিয়েই ক'ব পাৰি। ইতিমধ্যে মাননীয় বিধায়ক মহোদয়ে কৈছে , খাদ্যৰ ক্ষেত্ৰত যথেষ্টখিনি ঘাটি আছে। ইতিমধ্যে আমি তাৰ ওপৰত চৰকাৰৰ লগতে আমাৰ ডিপাৰ্টমেন্টে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে আমি সৌ সিদিনা বৰপেটা আৰু যোৰহাটত জুলাই মাহত দুটা তেনেকুৱা কেন্দ্ৰ শিলান্যাস কৰা হৈছে। সেইখিনি কাম সম্পূৰ্ণ হোৱাৰ পিচত হয়তো নিশ্চয় আমি ইয়াৰ কিছু সমস্যা সমাধান কৰিববলৈ সক্ষম হ'ম। ৪ নম্বৰ ইয়াৰ উপৰিও অসমৰ অধিকাংশ বাণিজ্যিক লেয়াৰ পাম আৰু পশু খাদ্য উদ্যোগ, সৰু আৰু মধ্যম পৰিসৰত পৰিচালিত হোৱাৰ বাবে বৃহৎ পৰিসৰত উৎপাদনৰ সুবিধা লাভ কৰিব নোৱাৰে, আনহাতে অন্য ৰাজ্যই বৃহৎ

উদ্যোগসমূহে উৎপাদন ব্যয় যথেষ্ট হ্ৰাস কৰিবলৈ সক্ষম হৈছে। সেয়েহে বৃহৎ বাণিজ্যিক লেয়াৰ উদ্যোগৰ বিকাশ অসমৰ বাবে অতি প্ৰয়োজনীয় তাৰ মাজতে মই দেখিবলৈ পাইছো , মন্ত্ৰী হোৱাৰ পিচত যেতিয়া মই ঘূৰিছো, দেখিছিলো এনেকুৱা কিছুমান ফাৰ্ম আছে য'ত ২০০-৩০০ কুকুৰাৰে ফাৰ্ম খন চলি আছে এই বিষয়ৰ ওপৰত আমি গুৰুত্ব দি আছো আমাৰ বিভাগৰ ফালৰ পৰা , প্ৰায় ৫ হাজাৰ কুকুৰা বা হাঁহ পালন কৰি যাতে এই কণী উৎপাদনটো বৃদ্ধি কৰিব পাৰো। তাৰ বাবে ইতিমধ্যে ব্যৱস্থা হাতত লোৱা হৈছে। ৰাজ্যত পশু খাদ্য উৎপাদন বৃদ্ধি কৰাৰ উদ্দেশ্যে বিভাগে দুই – তিনি টন প্ৰতি ঘন্টাত ক্ষমতা সম্পন্ন আৰু কলিয়াবৰত ৪-৬ টন প্ৰতি ঘন্টাত ক্ষমতা সম্পন্ন আধুনিক পশু খাদ্য প্ৰস্তুতকৰণ প্ৰকল্পৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই পশুখাদ্য প্ৰস্তুতকৰণ প্ৰকল্প সমূহ কাৰ্যক্ষম হ'লে ৰাজ্যৰ ভিতৰতে পশু খাদ্য উৎপাদন বৃদ্ধি পাব। স্থানীয়ভাৱে উৎপাদিত মাকৈ আৰু অন্যান্য কেঁচামালৰ বাবে স্থায়ী বজাৰ সৃষ্টি হ'ব আৰু বাহিৰৰ ৰাজ্যৰ ওপৰত নিৰ্ভশীলতা যথেষ্ট পৰিমানে হ্ৰাস পাব। আৰু এটা কথা উপাধ্যক্ষ মহোদয়, ইতিমধ্যে এই কথাখিনি মই উল্লেখ কৰিছোৱেই কিন্তু চৰকাৰীভাৱে যিবিলাক উদ্যোগ আৰম্ভ কৰিব লাগে, কিন্তু প্ৰাইভেট হিচাপে আমাৰ কিছুমান সৰু সৰু উদ্যোগ চলি আছে , যিখিনি আমাৰ কেঁচা সামগ্ৰী মাকৈ যৰৰ পৰা আৰম্ভ কৰি এই যিবিলাক প্ৰাইভেট কোম্পানী তেখেতসকলে কিন্তু ইতিমধ্যে লৈ আছে , যেতিয়া আমি চৰকাৰীভাৱে আৰম্ভ কৰিব পাৰিম তেতিয়া এই কেঁচা সামগ্ৰী বাহিৰলৈ নপঠিয়াই ইয়াতে ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ম। চৰকাৰে ইতিমধ্যে কুকুৰা পালন খণ্ডত জৈৱ সুৰক্ষা পৰিচালনা পদ্ধতি আৰম্ভ কৰিছে যাতে ৰোগ নিয়ন্ত্ৰণ উৎপাদন , সুদক্ষতা বৃদ্ধি আৰু উদ্যোগৰ স্থায়িত্ব নিশ্চিত কৰিব পৰা যাব। বাণিজ্যিক লেয়াৰ উদ্যোগিক সম্প্ৰসাৰণ , বিভিন্ন ধৰণৰ পশুখাদ্য প্ৰস্তুত কৰণ প্ৰকল্প স্থাপন , মাকৈ আৰু অন্যান্য সমূহৰ উৎপাদন বিধি আদি চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। এই প্ৰস্তাৱসমূহ সংশ্লিষ্ট বিভাগসমূহৰ সৈতে নীতিগত আৰু আৰ্থিকভাৱে আলোচনা কৰি পৰ্যালোচনা কৰা হ'ব। চৰকাৰৰ লক্ষ্য হৈছে যে, অসমক কণী

উৎপাদন ক্ষেত্ৰ খনক আত্ম নিৰ্ভৰশীল কৰি তোলা আৰু লেয়াৰ উদ্যোগৰ সম্পসাৰণ , পশু খাদ্য উৎপাদন ক্ষমতা বৃদ্ধি , মাকৈ আৰু ছয়াবিনৰ স্থায়ী উৎপাদন বৈজ্ঞানিক সংৰক্ষণৰ ব্যৱস্থা , ব্যক্তিগত বিনিয়োগৰ প্ৰসাৰ আৰু কৃষকসকলৰ আয় বৃদ্ধিৰ জৰিয়তে এই লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। আমি কেৱল পশু পুহিলে নহ'ব বা হাঁহ কুকুৰা পুহিলেই নহ'ব আমি খাদ্যৰ কাৰণে উদ্যোগ স্থাপন কৰিলে আমাৰ কেঁচা সামগ্ৰীৰ প্ৰয়োজন হ'ব। গতিকে, আমি কৃষকৰ লগতে এগ্ৰিকালচাৰ ডিৰ্পাটমেন্টকো গুৰুত্ব দিব লাগিব। আমাৰ যিসকল বিধায়ক আছে , তেওলোককো অনুৰোধ জনাও যে আমি দুয়োটা দিশ সামৰি অসমখনক আগবঢ়াই লৈ যাব পাৰিম আৰু আমাৰ যিবিলাক সমস্যা আছে সেই বিলাকো আমি সমাধান কৰিব পাৰো। ৰাজ্য চৰকাৰে অসমত কুকুৰা পালন খণ্ডত বাণিজ্যকৰণ নীতি ২০২৪ আঁচনিৰ অধীনত এক আকৰ্ষণীয় উৎসমূলক পেকেজ প্ৰৱৰ্তন কৰিছে, ইয়াৰ অধীনত মূলধনী ব্যয়ৰ ওপৰত ৩৩ শতাংশ ৰাজ সাহায্য, ব্যয় নিৰিখৰ ওপৰত তিনি শতাংশ সুতৰ ওপৰত ৰাজ সাহায্য কাৰ্য্যকৰী মূলধনী ঋণৰ ওপৰত তিনি শতাংশ সুতৰ ওপৰত ৰাজ সাহায্য, ব্যৱহাৰ কৰা প্ৰতি ইউনিট বিদ্যুতৰ বিপৰীতে দুই টকা হাৰত বিদ্যুত ৰেহাই দিয়াৰ ব্যৱস্থা আছে। বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীক প্ৰদান কৰা সাহায্যৰ পৰিমান তলত উল্লেখ কৰা হ'ল, আঁচনিৰ নাম – Special programme for existing Entrepreneurs ইয়াৰ হিতাধিকাৰীৰ সংখ্যা ৭ আৰু সাহায্যৰ পৰিমাণ এক কোটি পইষত্তৰ লাখ টকা। Special programme for existing Entrepreneurs development for Duckery , 2024-25 আৰু 2025-26 ভিতৰত হিতাধিকাৰীৰ সংখ্যা হ'ল – ৮৪ জন আৰু সাহায্যৰ পৰিমান ৯৭ লাখ টকা। চীফ মিনিষ্টাৰ-ফ্লেগশ্বীপ ২০২৪-২৫ বৰ্ষৰ ভিতৰত হিতাধিকাৰীৰ সংখ্যা দুই জন আৰু ১ কোটি ১৬.১৯ লাখ টকা আগবঢ়াইছে। এতিয়া যদি আমি চাবলৈ যাও চৰকাৰে যথেষ্টখিনি সাহায্য আগবঢ়াইছে। সেই অনুপাতে হাতে কামে লাগি আগবঢ়াই নিয়া সংখ্যা কিন্তু আমি ক'ম দেখিছো।

সেয়েহে সকলো বিধায়কক মই পুনৰবাৰ অনুৰোধ জনাইছো যে, আমি সকলো বিধায়কে নিজৰ নিজৰ সমষ্টিত যাতে এই বিষয়টো আগবঢ়াই লৈ যাব পাৰো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা)** : উপাধ্যক্ষ ডাঙৰীয়া, বাইদেউয়ে ইতিমধ্যে কথাখিনি স্পষ্টভাৱে কৈছে কিন্তু মই মাত্ৰ আপোনাক এটা তথ্য দিব বিচাৰো যে, আমাৰ পশু খাদ্যৰ কাৰণে ১০ পৰা ১৩ লাখ মেট্ৰিক টন লাগে কিন্তু আমি অসমে উৎপাদন কৰি আছো প্ৰতি বছৰে হায়লী মাত্ৰ ১ লাখ মেট্ৰিকটনহে। গতিকে বাকীখিনি পশু খাদ্যৰ বাবে আমি বহি ৰাজ্যৰ ওপৰত নিৰ্ভশীল। তেনেদৰে মাছৰ খাদ্য যিটো ৬০ পৰা ৭০ শতাংশ আমি বাহিৰা ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল হৈ আছো। উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়া যদি আছে, এই বিষয়টো অলপ গুৰুত্বসহকাৰে ল'বৰ বাবে অনুৰোধ জনালো। আমাৰ এই চেক্টৰটোত ৰ মেটেৰিয়েল আছে। ঘেহুঁ –মাকৈ আছে কেৰল ইউটিলাইজ কৰিব লাগে উদ্যোগ স্থাপন কৰিব লাগে, এই বিষয়টো মন্ত্ৰী ডাঙৰীয়ানীয়ে গুৰত্ব দিব বুলি অনুৰোধ জনালো।

**শ্ৰীমতী নিলিমা দেৱী, ( মন্ত্ৰী,পশুপাল ও পশু চিকিৎসা বিভাগ ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, চাবলৈ গ'লে আমাৰ সকলো বিভাগ ইটোৰ লগত সিটো জড়িত, গতিকে আমি সকলোৰে গুৰুত্ব সহকাৰে ল'ব লাগিব। তেখেতে যি পশু খাদ্যৰ কথা ক'লে চৰকাৰী খণ্ডত অসমত পশু খাদ্য প্ৰস্তুতকৰণ প্ৰকল্পসমূহ আৰু সেইবোৰৰ উৎপাদন ক্ষমতাৰ এটা সৰু নোট দাঙি ধৰিব বিচাৰিছো। Assam Live Stock Poultry Development Corporation Feed Mil সোনাপুৰত আছে। কেপাচিটি ৭০ মেট্ৰিকটন। Assam Livestock Poultry Development গোলাঘাটত ১০ মেট্ৰিকটন, Assam Livestock Poultry Development Corporation Birubari গুৱাহাটীত ১২ মেট্ৰিকটন। যদি আমি চাবলৈ যাও ৯২ মেট্ৰিকটন পাৰ দে' আমাৰ উৎপাদন হৈ আছে। Total Monthly installed capacity 1104 MT per month. গতিকে আমাৰ সম্পূৰ্ণ বছৰেকীয়া যদি চাবলৈ যাও installed capacity ১৩,২৪৮ মেট্ৰিকটন। গতিকে ইয়াত যদি আমি চাবলৈ যাও যথেষ্ট খিনি কমি আছে এই ক্ষেত্ৰত আমি যথেষ্ট গুৰুত্ব

সহকাৰে ল'ম। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত গুৰুত্ব দিছে, এই ক্ষেত্ৰত তেওঁ আমাক নিৰ্দেশ দিছে যাতে আমাৰ অসমত যিবিলাক সম্ভাৱনাপুৰ্ণ বিষয়ৰ ওপৰত গুৰুত্ব সহকাৰে লৈ বিশেষকৈ মৎস্য পালন আৰু পশু পালন এই বিষয়ত গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ দিছে যাতে আমাৰ কাৰ্য্যকালৰ এই ক্ষেত্ৰত আমি যিখিনি পাৰো আগুৱাই লৈ যাব পাৰো আৰু এইক্ষেত্ৰত আমি আপোনালোক আটাইৰে সহয় সহযোগিতা কামনা কৰিছো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড়ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এক মিনিট। ইয়াত ৩০১ ত অংশগ্ৰহণ কৰিব পাৰে গতিকে এটা কথা মই আপোনাৰ জৰিয়তে আজি সকলোকে এটা অনুৰোধ কৰিছে যে আমাৰ বৰ্তমান অসমত এতিয়া কণী উৎপাদনৰ ক্ষেত্ৰত বাহুবলী নামৰ যিটো কণী উৎপাদন প্ৰতিষ্ঠান যোৰহাটত আৰু গোলাঘাটত আছে, এইক্ষেত্ৰত আমি ভাবিছো যে আমাৰ এইটো অতি গুৰুত্বপূৰ্ণ কথা কণী উৎপাদনৰ ক্ষেত্ৰত আমি এটা বিশদভাৱে চিন্তা চৰ্চা কৰিব লাগিব। তাৰ কাৰণে মই আজি আপোনাৰ জৰিয়তে এখন সদন কমিটি বা আমাৰ বিধায়কসকলক লৈ যদি আমি সেই বাহুবলী য'ত আছে, য'ত উৎপাদন হৈ আছে তাত যদি আমি যাব পাৰো আমাৰ এই সদনৰ পৰা তেতিয়া আমি বহুত অনুপ্ৰেৰণা পাম আৰু তাৰ চিষ্টেমটো চাই অহাৰ আজিৰ তাৰিখত প্ৰাসংগিকতা আছে। সেইকাৰণে মই ইয়াৰ লগত সংযোজিত কৰিছো যাতে আগন্তুক দিনত আপুনি যদি এটা ব্যৱস্থা কৰি দিয়ে আমি গৈ চাই আহিব লাগে য'ত ১ লাখ কণীৰ উৎপাদন হয় আজিৰ তাৰিখত। ১ লাখ কণী তেনেকুৱাকে আমাৰ যদি নামনি অসমত হয়, উজনি অসমত হয় বিভিন্ন ঠাইটো কৰিব পাৰো। সেই ব্যৱস্থাটোৰ কাৰণে আমি এটা অনুপ্ৰেৰণা পাম আৰু আমাৰ সন্মানীয় বিধায়কসকলে তালৈ গলে নিশ্চয় যথেষ্ট ভাল হ'ব। মোৰ ফালৰপৰা এইটো এটা আপোনাক অনুৰোধ থাকিল যাতে আপোনালোকে সোনকালে বিধায়কসকলক তালৈ পঠোৱাৰ ব্যৱস্থা কৰে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী মতী নিলিমা দেৱী, মন্ত্ৰীঃ** উপাধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো বাহুবলীৰ কথা ক'লে তাত মই নিজেই যোৱা সপ্তাহত গৈ আহিছো বানপানীৰ আগে আগে। তাত বাহুবলীৰ যিটো প্ৰজেক্ট প্ৰায় ৬০,০০০ কুকুৰা তাত পালন কৰা হয় আৰু যিখিনি কণী উৎপাদন হয়  এইটো সঁচাকৈ চাবলগীয়া। ডেৰ বছৰ কুকুৰা কণী পৰাৰ পিছত দুবছৰ যেতিয়া হ'ব তেতিয়া কুকুৰাবিলাক তেখেতসকলে বিক্ৰী কৰি দিয়ে। গতিকে তেওঁলোকে মাংস, কণী দুয়োটা হিচাপে তাত ব্যৱহাৰ হৈছে। গতিকে মই সঁচাকৈয়ে সন্মানীয় বিধায়ক মহোদয়ে কথাখিনি কওতে মই ভাল পাইছো, মই নিজেই চাই আহিছো । তেওঁলোকে তাৰ পৰা পোৱালী উৎপাদন কৰি সেই পোৱালী আত্ম সহায়ক গোটবিলাকক তেওঁলোকে যোগানো ধৰিছে। এই ব্যৱস্থাটো কিন্তু আমিও ইতিমধ্যে আৰম্ভ কৰিছো। য'ত য'ত প্ৰজেক্ট আৰম্ভ হৈছে আমি তাত কৰিম বুলি ভাবিছো। কুকুৰা পোৱালীটো বাহিৰা খাদ্য যেতিয়া খাব পৰা হ'ব ধান, চাউল তেনেকুৱা ধৰণৰ খাদ্য তেতিয়া আত্ম সহায়ক গোটবিলাকক দি দিয়ে । ৫০-১০০ টা লৈ তেওঁলোকে আত্ম সহায়ক গোটবিলাকক দি দিয়ে । তাত তেওঁলোকে সেইখিনি পুঁহি তাৰ পিছত আকৌ কণীখিনি আমাৰ বাহুবলীক তেওঁলোকে যোগান ধৰে। এইটো এটা বৰ ডাঙৰ পদক্ষেপ। গতিকে তেনেকুৱা যদি কেইবাটাও প্ৰজেক্ট আমাৰ যদি লব পৰা যায় অসমত সঁচাকৈ কিন্তু অসমত আমাৰ যিটো অভাৱ সেই অভাৱখিনি আমাৰ সম্পূৰ্ণ হ'ব।

**ড° জয় প্ৰকাশ দাস, নাওঁবৈচাঃ**  মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক মই এটাই অনুৰোধ কৰিব খুজিছো বাইদেউৱে Assam Livestock Poultry Development Corporation কথা কলে, তিনিটা ফিড মি্লৰ কথা ক'লে, এটা সোণাপুৰৰ কথা ক'লে, এটা গোলাঘাটৰ কথা ক'লে আৰু এটা গুৱাহাটী মহানগৰৰ ভিতৰত ক'লে। কিন্তু বাইদেউ এইকেইটা ফিড মিল বহু পুৰণি ২০০১-২০০২ চন মানত এইকেইটা হৈছে আৰু সংযোজন কৰিব নোৱাৰে নেকি? যেতিয়ালৈকে আপোনালোকে ফিড মিল available নকৰিব, জিলাই জিলাই যদি ফিড মিল available নহয় তেতিয়া কিন্তু cost of production টো বাঢ়ি থাকিব । কাৰণ

গোটেই কথাটো হয় কেতিয়া, যেতিয়া ফিডৰ availability আমাৰ কম হয়। ইয়াত বাহিৰৰ কণীত কিয় পইছা কম পইছা হয়? কাৰণ, ফিড availability ৰ বাবে তেওঁলোকৰ কষ্টিংটো কম হয়, যত মাকৈ টো ইয়াৰ পৰাই যায় বেছিভাগ। যদি আপোনালোকে অসমৰ বিভিন্ন প্ৰান্তত যদি নিজৰ ALCO বা বিভাগৰে হওক যদি নিজৰ ফিড মিল বনাই তাত যদি availability কৰে low cost কৰে তেতিয়াহ'লে মই ভাবো কণী উৎপাদনটো আৰু বাঢ়িব আৰু কৃষকসকলেও ইয়াৰ পৰা উপকৃত হ'ব। সেইকাৰণে অকল এই তিনিটা ফিড মিলতে আমি ALCO সীমিত কৰি ৰাখিব নালাগে। ফিড মিলৰ সংখ্যাটো প্ৰত্যেক জিলাতে যদি এটা এটা হয় নিশ্চিতভাৱে ভাল হ'ব বুলি মই অনুভৱ কৰো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী পদ্ম হাজৰিকা, নদুৱাৰঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই ইয়াত এটা সংযোজন কৰিব বিচাৰিছো যে যিটো বাহুবলীৰ কথা মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই কৈছে সেইটো আমি শলাগ ল'বলগীয়া। কিন্তু ইয়াত আমি আৰু শলাগ লবলগীয়া আছে আপোনাৰ জিলাতে আমাৰ মাননীয় বিধায়ক শ্ৰী তুলিৰাম ৰংহাং ডাঙৰীয়াই প্ৰতিদিনে ২ লাখ কণী উৎপাদন কৰিছে। ১ লাখ বাহুবলীয়ে কৰিছে কিন্তু মাননীয় বিধায়ক শ্ৰী তুলিৰাম ৰংহাং ডাঙৰীয়াই সিদিনা মই নিজেই গৈ চাই আহিছো গোটেইটো অটমেটিক মেকানাইজ কৰিছে গোটেইখিনি । মই নিজে চাই আহিছো আৰু কণী এই ব্যৱসায়টোত বা উৎপাদনটোত মই ২০২২ চনৰ পৰা লাগি আছো । এতিয়া প্ৰতিদিনে মোৰ উৎপাদন ২৫ হাজাৰ। এতিয়া আমি এই যে ফিড মিলৰ কথা যিটো কৈছে এই গৰু দানা মই নিজে APART পৰা লৈ পেলাই গৰু দানা উৎপাদন কৰিছো আৰু মুৰ্গীও হয়তো আমি কম দিনতে তেনেকৈ ফিড মিল বহুৱাই কৰিম। কিন্তু লগতে উপাধ্যক্ষ ডাঙৰীয়া এটা কথা মই আজি সদনৰ দৃষ্টিগোচৰ কৰিব ওলাইছো যে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে বাৰে বাৰে বিধায়কসকলক অনুৰোধ কৰিছে যে আমাৰ সন্মানীয় বিধায়ক সকলেও কণী উৎপাদনৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। কণীৰ বজাৰখন আছে ৬০ লাখৰ প্ৰত্যেক দিনা কণীৰ বজাৰখন। কিন্তু কণী

আহি আছে অন্ধপ্ৰদেশৰ পৰা। আহি থকাটো আমি ইয়াত উৎপাদন কৰিলে অহাটো বন্ধ হ'ব। কিন্তু অন্ধপ্ৰদেশৰ ব্যৱসায়ীয়ে যদি ইয়াত আহি পেলাই তেওঁলোকে এই উদ্যোগটো ইয়াত পাতে আৰু ইয়াত যদি পাঁচ লাখকৈ ১০ টা ঠাইত ১০ খন জিলাত তেওঁলোকে ৫০ লাখ কণী উৎপাদন কৰে তেতিয়াহ'লে এই ব্যৱসায়টো কিন্তু আমাৰ হাতৰ পৰা আমাৰ থলুৱা মানুহৰ হাতৰ পৰা, আমাৰ অসমৰ মানুহৰ হাতৰ পৰা গুচি যাব। মই এইকাৰণে আজি দৃষ্টিগোচৰ কৰিছো যে শোণিতপুৰৰ থেলামাৰাত আপোনালোকে খবৰ ল'লে গম পাব যে প্ৰত্যেক দিনা ৫ লাখ কণী উৎপাদনৰ এটা উদ্যোগ অন্ধ্ৰপ্ৰদেশৰ পৰা এজন ব্যৱসায়ীয়ে আহি তেওঁ তেজপুৰৰে মাৰোৱাৰী সম্প্ৰদায়ৰ এজন ব্যক্তিৰ লগত জড়িত হৈ তেওঁ থেলামাৰাত প্ৰত্যেকদিনা ৫ লাখ কণী উৎপাদনৰ কাম আৰম্ভ কৰি আছে আৰু বজাৰত ইতিমধ্যে কণী আহিছে। গতিকে এই ব্যৱস্থাটোত আমি থলুৱা সকলক মন্ত্ৰী ডাঙৰীয়ানীয়ে যিটো আহ্বান জনাইছে আৰু এই ব্যৱস্থাটো যদি বন্ধ কৰা নাযায়, আজি যদি অন্ধ্ৰপ্ৰদেশৰ কণী ব্যৱসায়ী আহি অসমৰ মাটিত তেওঁলোকে মাটি লৈ , তেওঁলোকে ৰাজসাহাৰ্য্যও লৈ ইয়াত যদি কণী উৎপাদন কৰে তেতিয়াহলে আমি যিখিনি আলোচনা কৰি আছো সেই আলোচনা বা আমি যিটো গ্ৰাম্য অৰ্থনীতি টনকীয়াল কৰাৰ কথা কৈ, আমি যিহেতু থলুৱা যুৱক-যুৱতীক আমি সংস্থাপিত কৰিবৰ কাৰণে বা ব্যৱসায়টোত জড়িত কৰিবৰ কাৰণে যি বিলাক কথা বতৰা আলোচনা কৰি আছো, যদি অন্ধ্ৰপ্ৰদেশৰ ব্যৱসায়ী আহি ইয়াত ৫ লাখ ৫ লাখকৈ কণী উৎপাদন কৰে তেতিয়াহলে মাননীয় বিধায়ক শ্ৰী তুলিৰাম ৰংহাংৰ কণী উৎপাদন, বাহুবলী বা আমি যিখিনিয়ে কৰি আছো এই ব্যৱসায়টো মাৰ খাবলৈ কিন্তু বেছি দিন নাই। গতিকে কণীৰ বজাৰখন সুৰক্ষিত কৰিব লাগিব থলুৱা মানুহৰ স্বাৰ্থত, খিলঞ্জীয়া মানুহৰ স্বাৰ্থত আৰু মই এইটো আহ্বান জনাইছো মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক যে কণী যিমান উৎপাদন হৈ আছে আজি আপুনি সদনত দাঙি ধৰিছে, এই কথাটো আপোনাক আৰু এবাৰ মই ভালকৈ চাবলৈ মই আহ্বান জনাইছো। মোৰ হিচাপত মই এই ব্যৱসায়টোত লাগিও আছো, খবৰ খাটিও কৰি আছো,

উৎপাদনৰ ক্ষেত্ৰত মই যথেষ্ট খবৰ লৈ আছো যে মোৰ হিচাপত হয়তো ১২-১৪ লাখ হ'ব পাৰে। কিন্তু আপুনি যিটো হিচাপ দিছে এইটো পুনৰবাৰ চাবৰ কাৰণে মই অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী মতী নিলিমা দেৱী, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছো পৰামৰ্শ দিয়াৰ বাবে আৰু তেখেতে যিখিনি কৈছে আচলতে আমাৰ যিখিনি থলুৱা ব্যৱসায়ী এইখিনিক যদি আমি গুৰুত্ব দিব লাগে তেতিয়াহলে তেখেতে যিটো উত্থাপন কৰিলে অন্ধ্ৰপ্ৰদেশৰ পৰা ব্যৱসায়ী আহি ইতিমধ্যে তেজপুৰৰ পৰাই ব্যৱসায় আৰম্ভ কৰিছে এই ক্ষেত্ৰত আমি আলোচনা কৰিম। যিমান পাৰো আমাৰ যিবিলাক থলুৱা ব্যৱসায়ী বা উদ্যোগ আছে সেইবিলাক আমি এক্টিভ কৰিব পাৰো তাৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু তেখেতে যিখিনি তথ্য দিলে কণী উৎপাদনৰ ক্ষেত্ৰত যে মই কোৱা ধৰণে ঠিক নহয় আমাৰ বিভাগীয়ভাৱে হে এইখিনি কোৱা হৈছে। এই ক্ষেত্ৰত আমি চাম আৰু যিমান পাৰি এইখিনি বৃদ্ধি কৰিবৰ কাৰণে চেষ্টা কৰিম। ইতিমধ্যে উপাধ্যক্ষ মহোদয়, আমাৰ যিটো ফিড মিল বৰপেটাত আৰু কলিয়াবৰ এই দুই স্থানত আৰম্ভ কৰিছে মই অলপ আগতে কৈছো। কিন্তু সেই হিচাপে আমি যদি চাও অসমৰ বাণিজ্যিক লেয়াৰ পালনকাৰী সকলৰ তথ্য বিস্তীৰ্ণভাৱে ২০২৬-২৭ এইটো ক্ষেত্ৰটো মোৰ হাতত তথ্য এটা আছে। প্ৰয়োজন হলে মই কোনে ক'ত কি অৱস্থান কৰি আছে এই ক্ষেত্ৰত মই কবৰ কাৰণে ইয়াতে তথ্য আছে মোৰ হাতত।

**মাননীয় উপাধ্যক্ষঃ ধন্যবাদ।**

**শ্ৰী তুলিৰাম ৰংহাং, (ৰংখাং) :** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই মোৰ নাম কৈ আছে কিন্তু মই কৰা নাই মোৰ ল'ৰাই কৰিছে। আজি চাৰি বছৰ আগতে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কলে যে কণীৰ ব্যৱসায় আটাইতকৈ ভাল যে অসমত কণী মাহত ৫০ লাখ লাগে বুলি কৈছে তেখেতে। তাৰ পিছত ইয়াৰ বাহিৰে ইয়াত উৎপাদন হয়

মাত্ৰ ৫ লাখ আমাৰ অসমত। বাকী ৪৫ লাখ বাহিৰৰ পৰা আহে। সেইটো কথা লৈ মোৰ ল'ৰা যেতিয়া লণ্ডনৰ পৰা তেওঁ গ্ৰেজুৱেট পাছ কৰি আহে লগে লগে মই তেওঁক কৈছো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উপদেশ দিছে তুমি এইটো কাম কৰা । সেইটো কৰাৰ লগে লগে আজি তাৰিখলৈকে ২ লাখ ৫০ হাজাৰলৈকে কণী উৎপাদন হৈ আছে তেওঁ লাভটো পায়ে আছে। গতিকে এটা কণী গোটেই মাইনাচ কৰি গোটেইখিনি দিয়াৰ পিছত ১.৫০ টকা থাকে। যদি আমি ইয়াত ফিড দিব পাৰো তেনেহ'লে এইটো আকৌ তিনি টকামান পাব বুলি কৈছে। গতিকে উপাধ্যক্ষ মহোদয়, মই কৰা নাই মোৰ লৰাইহে কৰিছে। মই পৰামৰ্শহে দিছো। গতিকে মই পৰামৰ্শহে দিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Thank You. Hon'ble CEM, Karbi Anglong Autonomous Council য়ে ঠিক কথা কৈছে যে এই ফাৰ্মটো সঁচাকৈয়ে চাবলগীয়া, It is fully automated. গতিকে সকলো বিধায়কক মই কাৰ্বি আংলঙলৈ welcome কৰিছো আৰু আপোনালোকে চাই আহিব পাৰিব।

Next Hon'ble Member Shri Suruj Dehingia. He is absent.

Next Hon'ble Member Jakir Hussain Sikdar. He wants to draw the attention of Hon'ble Minister PWD relating to the matter- দলং নিৰ্মাণ সম্পৰ্কত।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী)ঃ** উপাধ্যক্ষ ডাঙৰীয়া, Rule 301ৰ অধীনত বেকী নদীৰ ওপৰত জৈনবাজাৰ আৰু গুইলাজাৰ সংযোগস্থলত এখন দলং নিৰ্মাণৰ বিষয়ে আলোচনা কৰিবলৈ সুবিধা দিয়াৰ বাবে অধ্যক্ষ ডাঙৰীয়াৰ লগতে আপোনাকো ধন্যবাদ জ্ঞাপন কৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, সমষ্টিৰ সীমা পুনৰ নিৰ্দ্ধাৰণ হ'ল। নতুনকৈ পাকাবেতবাৰী সমষ্টি নামাকৰণ হ'ল, তাৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হ'লো। এই পাকাবেতবাৰী সমষ্টিটো পূৰ্বৰ চেঙা সমষ্টি, সৰুক্ষেত্ৰী সমষ্টি, বৰপেটা সমষ্টি, সৰভোগ সমষ্টি আৰু জনিয়া সমষ্টিৰ এটা এটা অংশ লৈ গঠন হ'ল। ভৌগোলিকভাৱে ই যথেষ্ট দুৰ্গম অঞ্চল।

ইয়াৰ আগতেও মই বিধান সভাত উল্লেখ কৰিছো যে আমাৰ সমষ্টিৰ মাজেৰে ৫ খন নদী বৈ গৈছে। ই যথেষ্ট দ' অঞ্চল। ইয়াত ৫ টা বিল আছে, খাল আছে। বছৰত ৩-৪ বাৰ বানপানী হয়। যদিও বানপানী বুলি কোৱা নাযায় কিন্তু বানপানীৰ পৰিৱেশৰ মাজতে আমি থাকিবলগীয়া হয়। আমাৰ সমষ্টিত এতিয়াও ৩৩ খন কাঠৰ দলং আৰু ২০ খন বাঁহৰ দলং আছে কাৰণ খাল, বিল, নদী বেছিকৈ আছে। যোৱা ১০ টা বছৰে বহুখিনি কাম কৰিবলৈ সক্ষম হৈছো। ৰাজ্যৈ চৰকাৰৰ PWD ৰ পৰা fund ও পাইছো। বহু কৰিবলৈ সক্ষম হৈছো আৰু বহুখিনি কৰিবলৈ এতিয়াও বাকী আছে। তাৰ ভিতৰত অন্যতম আৰু স্বাধীনতা আন্দোলনৰ পিছৰ পৰাই দাবী কৰি অহা এখন দলং হ'ল বেকী নদীৰ ওপৰত জৈনবাজাৰ আৰু গুইলাজাৰৰ মাজত এখন দলং। এই দলং নিৰ্মাণৰ বাবে যুগে যুগে দাবী কৰি আহিছে। এই এলেকা পূৰ্বতে সৰুক্ষেত্ৰীত নাছিল, পূৰ্বৰ জনিয়া সমষ্টিতহে আছিল। পূৰ্বৰ বৰপেটা সমষ্টিৰ দাতিকাষৰীয়া এলেকাত আছিল আৰু নতুনকৈ পাকাবেতবাৰী সমষ্টিত সোমোৱাৰ পিছত মই প্ৰথমবাৰৰ বাবে সেই অঞ্চলৰ বিধায়ক হৈছো। এই অঞ্চলৰ বিধায়ক হিচাপে বেকী নদীৰ ওপৰত জৈনবাজাৰ আৰু গুইলাজাৰৰ সংযোগস্থলীত এখন দলং নিৰ্মাণৰ কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ইতিমধ্যে অৱগত কৰিছো আৰু আজি বিধান সভাতো এই কথাখিনি আপোনাৰ জৰিয়তে সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই যিহেতু উত্তৰ দিব, তেখেতকো দৃষ্টিগোচৰ কৰিছো। বেকী নদীয়ে বৰপেটা জিলাখনক দুটা ভাগত বিভক্ত কৰিছে। পাকাবেতবাৰী বিধান সভা সমষ্টিৰ কথা যদি ক'বলৈ যাওঁ তেন্তে এই নদীৰ বাবে তিনিটা পঞ্চায়তত ভাগ কৰি দিছে। এই ৩ টা পঞ্চায়তৰ লগত direct যোগাযোগ কৰিবলৈ কোনো দলং বা পথ নাই। আমি যোগাযোগ কৰিবলৈ হ'লে সৰভোগ-ভৱানীপুৰ সমষ্টি হৈ ৩০ কিঃমিঃ ঘূৰি এই এলেকাত প্ৰৱেশ কৰিব লাগে। ই এনেকুৱা এটা এলেকা য'ত বহু লাখ লাখ মানুহ বসবাস কৰে আৰু ইয়াত দলং হোৱাৰ লগে লগে বহুত মানুহৰ উপকাৰ হ'ব। সেই এলেকাত দলং নিৰ্মাণ নোহোৱাৰ বাবে, যাতায়ত ব্যৱস্থা ভাল নোহোৱাৰ বাবে বহু মানুহে কষ্ট খাবলগীয়া হৈছে। উপাধ্যক্ষ ডাঙৰীয়া, অধ্যক্ষ ডাঙৰীয়া

থকাহেঁতেন নিশ্চিতভাৱে বুজি পালেহেঁতেন কিয়নো সেই এলেকা তেওঁৰ ওচৰতেই । সেই দলংখনৰ বাবে বঙাইগাওঁ জিলাত দক্ষিণ-পূব এলেকাত, বৰ্তমানৰ মন্দিয়া সমষ্টিত কলগাছিয়াৰ যি বৃহত্তৰ অঞ্চল আছে বা মন্দিয়া সমষ্টিৰ যিটো উত্তৰ পাৰ অঞ্চল বুলি কওঁ, গোটেইখিনি অঞ্চল  সৰভোগ-ভৱানীপুৰ বিধান সভা সমষ্টিৰ দক্ষিণ-পশ্চিম এলেকা আৰু পাকাবেতবাৰী বিধান সভা সমষ্টি যিটো আমি পশ্চিম এলেকা বুলি কওঁ তাৰ লগত বাক্সা জিলা, হাউলী অঞ্চল, বৰপেটা অঞ্চল, কলগাছিয়া অঞ্চল, সৰভোগ অঞ্চল এই গোটেইখিনি এলেকা  এই দলঙৰ বাবে যোগাযোগ বিচ্ছিন্ন হৈ আছে। আমি বিভিন্ন ৰাস্তাৰ মাজেৰে গৈ ঘূৰি ঘূৰি যাব লাগে।  দলং নথকাৰ ফলত এনেকৈয়ে মানুহৰ দূৰত্ব বাঢ়ি যায় আৰু দূৰত্ব বঢ়াৰ লগে লগে গাড়ী-মটৰৰ ইন্ধনৰ খৰচ বেছিকৈ হয়, যাতায়তৰ খৰচ বেছিকৈ হয়। যাতায়ত ব্যৱস্থাৰ খৰচ বেছিকৈ হোৱাৰ কাৰণে, দূৰত্ব বেছি হোৱাৰ কাৰণে ইয়াত মূল্যবৃদ্ধি হৈছে। মানুহে ইয়াত গাড়ীৰ ভাড়া যথেষ্টখিনি বেছিকৈ দিবলগীয়া হয়। গাড়ীৰ ভাড়া বাঢ়ি যোৱাৰ লগে লগে মূল্যবৃদ্ধিৰ লগতে আমি সকলো ক্ষেত্ৰতে  বেছিকৈ টকা ভৰিব লগা হৈছে। যাৰ বাবে এই অঞ্চলৰ মানুহে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে।  আমি যদি এই দলংখন নিৰ্মাণ কৰিব পাৰো তেন্তে অৰ্থনৈতিক ক্ষেত্ৰখনতো আমাৰ যথেষ্টখিনি সুবিধা হ'ব। কাৰণ তাত যথেষ্ট কৃষিজাত সামগ্ৰী উপলব্ধ হয়। এই অঞ্চলত বেছিকৈ কৃষিজীৱি মানুহ বসবাস কৰে। তেওঁলোকে নিজৰ উৎপাদিত শস্য গোটেইখিনি সহজতে বিভিন্ন বজাৰলৈ লৈ যাব পাৰিব। অলপ আগতে ইয়াত কণীৰ কথা আলোচনা হ'ল । মাছৰ কথা আমি সদায় পাতি থাকো । এই অঞ্চলসমূহত কণীৰ উৎপাদনো কৰে। সৰু-সুৰাকৈ ব্যৱসায় বাণিজ্য কৰে। মাছৰ খেতিৰ বাবে যথেষ্ট পুখুৰী আছে। যথেষ্টখিনি বেপাৰ বাণিজ্য হয় কিন্তু যাতায়ত ব্যৱস্থা দূৰত্ব হোৱাৰ বাবে বা ভাল নথকাৰ বাবে, বেকী নদীৰ ওপৰত দলং নথকাৰ বাবে যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে । সেয়েহে, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে এই অঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে আৰু ভাৰতবৰ্ষ স্বাধীন হোৱা পিছৰ পৰাই এই অঞ্চলৰ ৰাইজে ইয়াৰ

ওপৰত যথেষ্ট গুৰুত্ব আৰু দাবী  জনাইছে। ইয়াৰ আগতে বিভিন্ন দাবী লৈ জিলা আয়ুক্তৰ পৰা আৰম্ভ কৰি মন্ত্ৰীসকলকো দাবী পত্ৰ দিছিল ।  এইবাৰ পাকাবেতবাৰী সমষ্টি নতুনকৈ গঠন হোৱাৰ পিছত এটা সমষ্টিকে বেকী নদীয়ে দুভাগ কৰি দিছে। যাতায়ত ব্যৱস্থা নথকাৰ বাবে এই দাবী আৰু ক্ষীপ্ৰতৰ হৈছে। এই দাবীৰ আৰু গুৰুত্ব বাঢ়িছে।  গতিকে এই দলংখন যথেষ্ট গুৰুত্বপূৰ্ণ।  এই দলংখন হোৱাৰ লগে লগে মই ভাৱো যে নামনি অসমৰ যাতায়তৰ ক্ষেত্ৰত যথেষ্টখিনি সুবিধা হ'ব। নামনি অসমৰ মানুহে যথেষ্টখিনি উপকৃত হ'ব। লাখ লাখ মানুহ দলঙৰ জৰিয়তে চলিব।  এটা কথা ইয়াত উল্লেখ কৰিব লাগিব যে ভাৰতবৰ্ষ যেতিয়া ব্ৰিটিছে শাসন কৰিছিল সেই শাসনকালত য'ত আমি দলং নিৰ্মাণৰ কথা কৈ আছো তাৰ ওচৰতেই সৰভোগৰ পৰা অলপ ভিতৰত ডেগাৰবাৰী অঞ্চলত তেওঁলোকে এটা সামৰিক বিমান বন্দৰ নিৰ্মাণ কৰিছিল যিটো এতিয়া পৰিত্যক্ত অৱস্থাত আছে। গতিকে সেই অঞ্চলৰ গুৰুত্ব আছিল। এই যিখন দলঙৰ কথা কৈছো যিখনে দুটা ৰাস্তা সংযোগ কৰিব, তাত ব্ৰিটিছৰ কালত এটা ৰাস্তা আছিল, যাৰ মাজেৰে যথেষ্টখিনি মানুহ অহা-যোৱা কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত আমাৰ National Highway হ'ল, সেই ৰাস্তাটোৰ গুৰুত্ব কমি গ'ল ।  সেই ৰাস্তাটোত কাম নকৰাৰ ফলত আজিৰ তাৰিখত ই পৰিত্যক্ত অৱস্থাত আছে।  গতিকে উপাধ্যক্ষ ডাঙৰীয়া, পাকাবেতবাৰী বিধান সভা সমষ্টিৰ লগতে বৰপেটা জিলা, বঙাইগাওঁ জিলাৰ একাংশ আৰু নামনি অসমৰ মানুহৰ উপকাৰ আৰু যাতায়তৰ ব্যৱস্থা ভাল হোৱাৰ বাবে আৰু বিধায়ক হিচাপে মই চৰকাৰক অনুৰোধ জনাওঁ যে এই দলংখন নিৰ্মাণ কৰি দিয়ে যাতে মানুহখিনিৰ সুবিধা হয়। পাকাবেতবাৰী সমষ্টিৰ বেকী নদীৰ ওপৰত জৈনবাজাৰ আৰু গুইলাজাৰৰ সংযোগস্থলীত এখন দলং যথেষ্ট গুৰুত্বপূৰ্ণ। এই দলং নিৰ্মাণ হোৱাৰ পাছত ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰ ভাল হ'ব।  মানুহৰ যথেষ্ট সহায় হ'ব, যাতায়তৰ ক্ষেত্ৰত মানুহৰ ইন্ধনৰ খৰচ কমি যাব গতিকে এই কথাখিনি উপলব্ধি কৰি ইয়াক গুৰুত্ব দি মই চৰকাৰক অনুৰোধ জনাইছো যে এই দলংখন যাতে অতি সোনকালে নিৰ্মাণ কৰি দিয়ে।  ধন্যবাদ।

**মাননীয় উপধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এক মিনিট ক'ব দিব নেকি? মোৰ সময়ত ৪-৫ জনে ক'লে। এই মাত্ৰ আমাৰ পাকাবেতবাৰী বিধান সভা সমষ্টিৰ বিধায়কে বক্তব্য দিলে। পূৰ্বতে মই এই অংশৰ বৰপেটা সমষ্টিৰ বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিছিলো। এতিয়া চেঙা সমষ্টিত প্ৰতিনিধিত্ব কৰি আছো। মোৰ এটা Development Block, ৯ টা পঞ্চায়ত, এটা ADO Office, এখন কলেজ, কেইবাখনো হাইয়াৰ চেকেণ্ডাৰী, জুনিয়ৰ কলেজ, শতাধিক টেট শিক্ষক ইমান production হয় Agriculture food vegetable অত্যন্ত পৰিতাপৰ বিষয়, মই সেই অঞ্চলটোত চেঙা ব্লক, ৯ খন পঞ্চায়ত সামৰি এই ব্লক গঠন হৈছে। এতিয়ালৈকে যোগাযোগৰ একমাত্ৰ মাধ্যম। ৩ লাখ population তকৈ বেছি হ'ব। ১ লাখ ভোটাৰে আছে। দুজনকৈ মন্ত্ৰী এইটো সমষ্টিত প্ৰতিনিধিত্ব কৰিছিল পূৰ্বতে। ওপৰৰ ফালে থোৱালে নিজৰ গাত পৰিব। আমাৰ খুব মহাপ্ৰতাপী বিধায়কে প্ৰতিনিধিত্ব কৰিছে। কিন্তু মই আচৰিত হৈ যাওঁ, কি যুক্তিৰ বিনিময়ত ইমান huge populated area এটা কি কাৰণত ইমান সৰু এখন জলজলী নদীৰ ওপৰত এখন মাত্ৰ ব্ৰীজ কিয় পি. ডব্লিউ.ডি বিভাগে কৰা নাই বা আগৰ চৰকাৰী চেশ্যন দিয়া নাই বা এই ১০ বছৰত দিয়া নাই। গতিকে চাৰ, মই হাতযোৰ কৰি অনুৰোধ কৰিছো আপোনাক বিশেষকৈ পি. ডব্লিউ ডি বিভাগৰ মন্ত্ৰী হৈ যিহেতু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব৷ মই বিনম্ৰতাৰে অনুৰোধ কৰিছো গোটেই চৰ অঞ্চলত এই ৯ খন পঞ্চায়তৰ ফালৰ পৰা মই পাব্লিকৰ ফালৰ পৰা এটাই ডিমাণ্ড দিম ৫ বছৰত বেলেগ চৰত একো কাম কৰি নিদিলে, দয়া কৰি চাৰ, জলজলী নদীৰ ওপৰত এখন ব্ৰীজ নিৰ্মাণ কৰি দিয়ক।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Hon'ble Minister.

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ):** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ যিখন দলঙৰ কথা এই বিধান সভাত উত্থাপন কৰিছে এই

বিষয়টো, আমাৰ দৃষ্টিগোচৰ হৈছে। সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য ডাঙৰীয়াই উল্লেখ কৰাৰ দৰে বেকী নদীয়ে পাকাবেতবাৰী বিধান সভা সমষ্টিৰ দুটা অংশ বিভক্ত কৰিছে। বেকী নদীৰ পশ্চিম পাৰত অৱস্থিত হালধীয়া, চেঙা, লাচাংগা, গুইলেজা গাওঁ পঞ্চায়তৰ বিস্তৃত অঞ্চলৰ জনসাধাৰণে নদীখনৰ ওপৰত উপযুক্ত দলং নথকাৰ বাবে যাতায়তৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছে। মাননীয় সদস্য মহোদয়ে প্ৰস্তাৱ কৰা জইনবজাৰ আৰু গুইলেজাত পুজিৰপথত বেকী নদীৰ ওপৰত দলং নিৰ্মাণ কৰা হ'লে কেৱল পকাবেতবাৰী বিধান সভা সমষ্টিৰ জনসাধাৰণেই নহয়, বৃহত্তৰ সত্ৰৰ কলগাছিয়া অঞ্চল, বঙাইগাওঁ জিলাৰ কিছু অংশ বৰপেটা জিলাৰ উত্তৰাঞ্চল, হাউলী অঞ্চলৰ কথা ঘিলাজাৰী  মৌজাৰ জনসাধাৰণ যথেষ্ট উপকৃত হ'ব। দলং নিৰ্মাণ হ'লে জিলা সদৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ স্থানলৈ যাতায়াতৰ ক্ষেত্ৰত বৰ্তমানৰ অতিৰিক্ত প্ৰায় ৩৫ কিলোমিটাৰ পথ পৰিহাৰ কৰিব পৰা যাব আৰু  শিক্ষা, স্বাস্থ্য কৃষি, বাণিজ্য তথা জৰুৰীকালীন সেৱাৰ ক্ষেত্ৰত যোগাযোগৰ ব্যৱস্থা অধিক সুচল হ'ব । বিভাগীয় ক্ষেত্ৰ কাৰ্য্যালয়ৰ পৰা লাভ কৰা প্ৰাথমিক তথ্য  অনুসৰি প্ৰস্তাৱিত স্থানত দলংখনৰ আনুমানিক দৈৰ্ঘ্য প্ৰায় ৮ শ মিটাৰৰ পৰা ১ হাজাৰ মিটাৰ আৰু দুয়োটা পাৰ সংযোগী পথৰ দৈৰ্ঘ্য প্ৰায় ৩ শ মিটাৰৰ পৰা ৫ শ মিটাৰ। অৱশ্যে বেকী নদীৰ স্বভাৱগতভাবে সোঁত সলনি কৰা প্ৰকৃতিৰ প্ৰৱল জনসোঁত আৰু নদীৰ গতিপথ সঘনাই পৰিৱৰ্তীত হৈ থকা বাবে উক্ত স্থানত দলং নিৰ্মাণ কৰাটো এটা কাৰিকৰী আৰু ব্যয়বহুলতা। বিশেষভাৱে নদীৰ নিম্ন অংশত একাধিক জলধাৰা multiple channel সৃষ্টি হোৱাৰ সম্ভাৱনা থকাৰ লগতে দলংখনৰ সুৰক্ষাৰ বাবে বৃহৎ পৰিমাণৰ নদী সুৰক্ষাৰ প্ৰতিৰোধমূলক কামৰ প্ৰয়োজন হ'ব পাৰে। অলপমান technical issues আছে। ইয়াৰ ফলত প্ৰকল্পটোৰ ব্যয় যথেষ্ট বৃদ্ধি পোৱাৰ লগতে প্ৰয়োজন অনুসৰি ভূমিৰ অধিগ্ৰহণৰ বিষয়ো জৰিত হ'ব পাৰে। এনেধৰণৰ বৃহৎ দৈৰ্ঘ্যৰ প্ৰকল্পৰ ব্যয়ৰ দলং প্ৰকল্প সাধাৰণতে কেন্দ্ৰীয় চৰকাৰৰ উপযুক্ত আঁচনি বিশেষ পূঁজি বা আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানৰ সহায়ত ৰূপায়ণ কৰাৰ সুযোগ থাকে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যিহেতু ১ হাজাৰ কিলোমিটাৰ দলং গতিকে

যথেষ্ট ব্যয়বহুল, গতিকে কেন্দ্ৰীয় চৰকাৰে যদি অনুমোদিত কৰে বা আমি external edit project ত যদি পাওঁ, সেইটো এই ধৰণে কৰিব পাৰিম। সেয়েহে মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা জনস্বাৰ্থৰ বিষয়টো আৰু অঞ্চলটো যোগাযোগ ব্যৱস্থাৰ গুৰুত্ব বিবেচনা কৰি বিভাগে প্ৰস্তাৱিত জইনবজাৰ, গুইলেজা সংযোগী পথত বেকী নদীৰ ওপৰত দলং নিৰ্মাণৰ বিষয়টো যথাযথভাৱে বিবেচিত কৰিব। প্ৰয়োজনীয় সমীক্ষা,কাৰিকৰী সম্ভৱতা, পৰিৱেশ সম্পৰ্কে অনুমোদন, ভূমিৰ উপলব্ধতা, প্ৰকল্পটোৰ অগ্ৰাধিকাৰ আৰু পুঁজিৰ উপলব্ধতা আৰু অন্যান্য আনুসংগিক বিষয়ে বিবেচনা কৰি উপযুক্ত আঁচনিৰ পুঁজি অধীনত পৰ্য্যায়ক্ৰমে প্ৰকল্পটো গ্ৰহণ কৰাৰ বাবে বিভাগে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, অন্য এগৰাকী আমাৰ সদস্য সন্মানীয় চেঙা সমষ্টিৰ বিধায়ক শ্ৰীআব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াই যিটো জলজলীৰ নদীৰ ওপৰত কথা কৈছে, সেই জলজলী নদীৰ ওপৰতো বহুদিন ধৰি বিধান সভাত বহুতো সদস্যই প্ৰশ্নৰ অৱতাৰণা কৰিছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে অৱগত কৰিম। পৰৱৰ্তী সময়ত এই জলজলী নদীৰ ওপৰতো এখন দলং নিৰ্মাণ কৰিব পৰা যায়। নিশ্চয়কৈ তাৰ অঞ্চলত উপকাৰ হ'ব। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে অৱগত কৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যিটো ভূমি অধিগ্ৰহণৰ কথা উল্লেখ কৰিছে, আজি সদনত মন্ত্ৰী ডাঙৰকীয়াই ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত কোনা চিন্তা কৰিব নালাগে। সকলো মানুহে মাটি এৰি দিব। ভূমি অধিগ্ৰহণ ক্ষেত্ৰত কোনো অসুবিধা নাই।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Item No. 5. Hon'ble Minister Dr. Ranoj Pegu to move for leave to introduce "The Assam State Higher Education Council Bill, 2026".

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam State Higher Education Council Bill, 2026"**.** সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**माननीय उपाध्यक्षः** Those in favour say yes,

those against say no,

I think, Ayes have it, Ayes have it, Ayes have it,

motion is adopted. Now, Minister will be introduce the bill.

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam State Higher Education Council Bill, 2026". সদনত উত্থাপন কৰিলো।

**माननीय उपाध्यक्षः** Next Hon'ble Minister Shri Rameswar Teli to move that "The Assam Shops and establishment (Amendment), Bill 2026" be taken into consideration.

**শ্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই "The Assam Shops and establishment (Amendment), Bill 2026" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**माननीय उपाध्यक्षः** Those in favour say yes ,

those against say no,

I think, 'Ayes' have it, 'Ayes' have it, 'Ayes' have it,

motion is adopted. Now Minister will be introduce the bill.

**শ্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে, "The Assam Shops and establishment (Amendment), Bill 2026" খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**माननीय उपाध्यक्षः** Now, General Discussion on the bill.

**শ্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰী অখিল গগৈ ডাঙৰীয়া ইয়াত উপস্থিত নাই আৰু ৬ টা Amendment দিছিল আৰু আমি তেওঁৰ ইতিমধ্যে তিনিটা Amendment মানি লৈছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক।

(Hon'ble Speaker in the Chair)

**মাননীয় অধ্যক্ষঃ** উত্তৰ-পূৰ্ব্বাঞ্চলৰ অধ্যক্ষসকলৰ এখন VC (video Conference) আছিল। তাত মই কিছুসময় থাকিবলগীয়া হ'ল। বিধেয়কখনৰ ওপৰত আলোচনা যিহেতু নাই, সেয়েহে মন্ত্ৰীৰ উত্তৰো নাই। এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব।

দফা নং ২ ৰ পৰা ১০ লৈ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২ ৰ পৰা ১০ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ২ৰ পৰা ১০ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১১ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া, তেখেত অনুপস্থিত।

এতিয়া দফা নং ১১ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১১ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১২ আৰু ১৩ ত সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া দফা নং ১২ আৰু ১৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১২ আৰু ১৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৪ ত সংশোধনী প্ৰস্তাৱ আছে যদিও সংশোধনী প্ৰস্তাৱ অনা মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া, তেখেত অনুপস্থিত সেয়েহে এতিয়া দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ল।

**শ্ৰী ৰামেশ্বৰ তেলী, ( মন্ত্ৰী, শ্ৰম কল্যাণ ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, দফা নং ১৪ টো আমি মানি লৈছো।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৫ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ১৫ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১৫ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৬ ত সংশোধনী প্ৰস্তাৱ আছে যদিও সংশোধনী প্ৰস্তাৱ আনোতা মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া অনুপস্থিত।

এতিয়া দফা নং ১৬ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১৬ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৭, ১৮ আৰু ১৯ ত সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া দফা নং ১৭,১৮ আৰু ১৯ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১৭,১৮ আৰু ১৯ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ২০ ত সংশোধনী প্ৰস্তাৱ আছে যদিও প্ৰস্তাৱ আনোতা মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া অনুপস্থিত সেয়েহে এতিয়া দফা নং ২০ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ২০ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ২১ ত সংশোধনী প্ৰস্তাৱ নাই সেয়েহে এতিয়া দফা নং ২১ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ২১ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ২২ ত সংশোধনী প্ৰস্তাৱ আছে যদিও সংশোধনী আনোতা বিধায়ক গৰাকী অনুপস্থিত সেয়েহে এতিয়া দফা নং ২২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ২২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ২৩ ৰ পৰা ৩৮ লৈ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২৩ ৰ পৰা ৩৮ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ২৩ ৰ পৰা ৩৮ লৈ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২৩ ৰ পৰা ৩৮ লৈ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১ অধিনিয়ম, সূত্র, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১ অধিনিয়ম, সূত্র, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী ৰামেশ্বৰ তেলী, ( মন্ত্ৰী, শ্ৰম কল্যাণ ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই কৈছো যে সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই ৬ টা সংশোধনী প্ৰস্তাৱ আনিছিল। আমি তেওঁৰ তিনিটা সংশোধনী মানি লোৱা নাই। দফা নং ১৪, ৫ আৰু ৬ মানি লোৱা নাই। তেখেতে ৬ টাত যিখিনি দিছিল তাৰ তিনিটা আমাৰ কোৰ্টত ইতিমধ্যে আছেই। এইখিনি আপোনাক অৱগত কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে – ''The Assam Shops and Establishment (Amendment) Bill, 2026'' পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৭

এতিয়া মাননীয়া মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ হৈ ''The Assam Tourism (Development & Registration) (Amendment) Bill, 2026'' খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া ''The Assam Tourism (Development & Registration) (Amendment) Bill, 2026'' বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখনৰ ওপৰত যদি সাধাৰণ আলোচনা থাকে তেতিয়াহ'লে আলোচনা কৰিব পাৰো ।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আলোচনা নাই।

**মাননীয় অধ্যক্ষঃ** যোৱাকালি আমি কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত আলোচনা কৰিছিলো। গতিকে এতিয়া দফা নং ২ ত সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক। দফা নং ২ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩ ত সংশোধনী প্ৰস্তাৱ আনিছে বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই। তেখেত যিহেতু অনুপস্থিত, গতিকে আমি দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৪ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ৪ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ৪ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৫ ত সংশোধনী প্ৰস্তাৱ আছে যদিও বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া অনুপস্থিত। দফা নং ৫ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে  কওঁক ‘হয়’

যিসকল বিপক্ষে আছে  কওঁক ‘নহয়’

মই ভাবো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে।

দফা নং ৫ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১ অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে  কওঁক ‘হয়’

যিসকল বিপক্ষে আছে  কওঁক ‘নহয়’

মই ভাবো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে।

দফা নং ১ অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ’ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ  কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া। মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে ‘’The Assam Tourism (Development & Registration) (Amendment) Bill, 2026’’ খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ**  মই শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ হৈ "The Assam Tourism (Development & Registration) (Amendment) Bill, 2026" খন পাৰিত কৰাৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধেয়ক খন পাৰিত কৰা হওঁক।

যি সকল সদস্য-সদস্যাই সপক্ষে আছে কওঁক ‘হয়’

আৰু যি সকল বিপক্ষে আছে কওঁক ‘নহয়’।

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে, ‘হয়‘ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত কৰা হ’ল আৰু বিধেয়ক খন পাৰিত কৰা হ’ল।

এতিয়া কাৰ্য্যসূচী নং ৮, মাননীয় মন্ত্ৰী বিমল বৰা ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই বিধেয়ক খন বিবেচনাৰ কাৰণে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মই মন্ত্ৰী বিমল বৰা ডাঙৰীয়াৰ হৈ "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2026" খন বিবেচনাৰ বাবে লোৱা হওঁক। বুলি প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া** "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2026" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল সদস্য-সদস্যাই সপক্ষে আছে কওঁক ‘হয়’ আৰু

যি সকল বিপক্ষে আছে কওঁক ‘নহয়’।

মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত কৰা হ’ল।

এতিয়া বিধেয়ক খনৰ ওপৰত যিহেতু কোনো আলোচনা নাই **সেয়েহে** বিধেয়ক খন দফাই দফাই আলোচনাৰ বাবে সদনত লোৱা হওঁক। বিধেয়ক খনৰ দফা নং

২ ৰ পৰা ৫ লৈকে কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে দফা নং ২ আৰু ৫ বিধেয়ক খনৰ অংশ হব।

যি সকল সদস্য-সদস্যাই সপক্ষে আছে কওঁক ‘হয়’ আৰু

যি সকল বিপক্ষে আছে কওঁক ‘নহয়’।

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে।

দফা নং ২ পৰা ৫ বিধেয়ক খনৰ অংশ হল।

দফা নং ৬ **ত** মাননীয় সদস্য শ্ৰী অখিল গগৈ**ৰ** সংশোধনী প্ৰস্তাৱ আছে যদিও তেখেত অনুপস্থিত বাবে দফা নং ৬ বিধেয়ক খনৰ অংশ হব।

যি সকল সদস্য-সদস্যাই সপক্ষে আছে কওঁক ‘হয়’ আৰু

যি সকল বিপক্ষে আছে কওঁক ‘নহয়’।

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে।

দফা নং ৬ বিধেয়ক খনৰ অংশ হ’ল।

দফা নং ৭ মাননীয় সদস্য ওৱাজেদ আলী চৌধুৰী আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী আছে লগতে সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰো সংশোধনী আছে। আপোনালোকে সংশোধনীটো উত্থাপন কৰিব নে ?

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, ধুবুৰীঃ** হয় কৰিম অধ্যক্ষ মহোদয়।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৩ টা মান নতুন দফা দিছো । প্ৰথমটো হৈছে Section 7 Acknowledgement certificate তাত যিটো ৭ তাৰিখ দিয়া আছিল । আমি সংশোধনী উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য সকল আপোনালোকে উত্থাপন কৰা সংশোধনী কেইটা প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখন খুব ভাল বিল।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰটো পালে ভাল আছিল।

